● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

সাফল্য কোনো দুৰ্ঘটনা নহয়। ই হৈছে কঠোৰ পৰিশ্ৰম, অধ্যৱসায়, অধ্যয়ন, শিক্ষণ, ত্যাগ আৰু সকলোৰে উৰ্দ্ধত নিজৰ কৰ্মৰ প্ৰতি থকা প্ৰেম।

পেলে
*কিংবদন্তি ফুটবলাৰ*



www.dainikagradoot.in

৫ বেলুচ বিদ্ৰোহীয়ে বোমাৰে উৰুৱালে জিন্নাৰ মূৰ্তি
১১ বেলজিয়ামত অসমৰ শ্বাটলাৰ আয়ানৰ ব্ৰঞ্জ
৪ চৰকাৰৰ দালাল দমনৰ অভিযান

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ৩৪৮তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ১১ আহিন ১৪২৮ ভাস্কৰাব্দ ২৮ ছেপ্টেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 28 September 2021 মূল্য ঃ ৭.০০ টকা

■ ৭০ সংগঠনৰ নেতৃত্ব আৰু ৰাইজৰ দলৰ বিষয়ববীয়াৰ সংবাদমেল ■ ৰাইজৰ দল অখিল গগৈৰ প্ৰাইভেট কোম্পানীলৈ পৰিৱৰ্তিত হৈছে ■ দলত চৰম একনায়কত্ববাদ চলাৰ অভিযোগ

# ঐক্যমঞ্চ ভংগ ঃ অকলশৰীয়া অখিল

**ষ্টাফ ৰিপ'টাৰ**
**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** 'ৰাজ্যত এক সুস্থ আঞ্চলিকতাবাদ প্ৰতিষ্ঠাৰ লক্ষ্যৰে গঠন হোৱা ৰাইজৰ দল এতিয়া ৰাইজৰ হৈ থকা নাই। ই অখিল গগৈৰ প্ৰাইভেট কোম্পানীলৈ পৰিৱৰ্তিত হৈছে। অখিল গগৈ ৰাইজৰ দলৰ চি এম ডি। জাতীয় দায়বদ্ধতাক আওকাণ কৰি নিজৰ মালিকানাধীন কোম্পানীৰ দৰে দলটো চলাই নিছে গগৈয়ে।



যাৰ বাবে প্ৰতিষ্ঠা কালৰে পৰা জড়িত হৈ থকা ৭০ সংগঠনে ৰাইজৰ দলৰ প্ৰতি থকা সমৰ্থন প্ৰত্যাহাৰ কৰিছো।' এই ঘোষণা ৰাইজৰ দলৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক অনুপ শইকীয়াৰ। আজি ইয়াত ৭০ সংগঠনৰ নেতৃত্ব আৰু ৰাইজৰ দলৰ বিষয়ববীয়াৰ উদ্যোগত অনুষ্ঠিত উমৈহতীয়া সংবাদমেলত তেওঁ এই সিদ্ধান্তৰ বিষয়ে সদৰী কৰে। এই সংবাদমেলতে ৰাইজৰ দলত *সাত পৃষ্ঠাত চাওক*



*ভাৰত বন্ধ সফল কৰিবলৈ সমদল উলিওৱা এছইউচিআই কৰ্মীক আৰক্ষীৰ গ্ৰেপ্তাৰ, মহানগৰীত সোমবাৰে।*

■ মন্ত্ৰী পাটোৱাৰীক কাষত বহুৱাই পৰিবহণৰ দুৰ্নীতি উদঙালে মুখ্যমন্ত্ৰীয়ে ■ শীঘ্ৰে অভিযান আৰম্ভ কৰাৰ সকীয়নি ■ কাৰ্যালয়ত সৰস্বতী পূজাৰ দৰে চান্দা তোলাৰ ব্যৱস্থা নচলিব ঃ শৰ্মা

## ডিটিঅ' কাৰ্যালয়ৰ ৩৮২ দালালৰ তালিকা

**ষ্টাফ ৰিপ'টাৰ**
**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পাছত পৰিবহণ বিভাগৰ কাৰ্যালয়ত সক্ৰিয় হৈ থকা দালালৰ বিৰুদ্ধে অভিযান চলোৱাৰ ইংগিত দিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত বিভাগীয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক কাষত বহুৱাই লৈ পৰিবহণ বিভাগৰ কাৰ্যালয়ত সংঘটিত হৈ অহা ভয়াৱহ দুৰ্নীতি উদঙাই দিয়ে মুখ্যমন্ত্ৰী শৰ্মাই। এক চৰকাৰী কাৰ্যসূচীত ভাষণ দি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে জিলা পৰিবহণ বিভাগৰ কাৰ্যালয়ত থকা ৩৮২ জন দালালৰ নাম তেওঁৰ হাতত পৰিছে। এনে দালালৰাজৰ অন্ত কৰিবই লাগিব বুলি মন্তব্য কৰি শৰ্মাই কয়, 'অসমত মধ্যভোগী বেছি হৈ আছে। আন ৰাজ্যৰ তুলনাত অসমত দালাল বহুত বেছি। কাৰ্যালয়বোৰলৈ যোৱা সাধাৰণ লোকে দালালক সৰস্বতী পূজাৰ দৰে চান্দা দি ফুৰিবলগীয়া পৰম্পৰা নচলিব। দালাল নোহোৱাকৈ কাম কৰিব পৰা ব্যৱস্থা আমি গঢ়ি তুলিব বিচাৰিছো।' আধুনিক প্ৰযুক্তিৰ মাধ্যমেৰে এনে ব্যৱস্থা গঢ়ি তোলাৰ প্ৰক্ৰিয়া ক্ষিপ্ৰ গতিত আৰম্ভ হৈছে বুলি তেওঁ কয়। তাৰে অংশৰূপে আজি তিনিটা প'ৰ্টেল মুকলি *আঠ পৃষ্ঠাত চাওক*

## সমাকৰণ ? নহয়

■ সঞ্জীৱ সভাপণ্ডিত



এই ক'ভিডকালৰ বিষম পৰিস্থিতিত—মানুহ মানুহৰ পৰা আঁতৰি থাকিব লগা সময়ত—মানুহৰ প্ৰতি মানুহৰ ভয় লগা সময়ত—বিভিন্ন উপাৰ্জনৰ পথ ৰুদ্ধ হৈ পৰাৰ সময়ত— আহ-যাহ যাতায়াত বন্ধ হৈ পৰাৰ সময়ত— ঘৰতে আবদ্ধ হৈ হৈ মানসিক বিকাৰগ্ৰস্ত হৈ পৰাৰ সময়ত— ভৱিষ্যতৰ কথা ভাবি অৱসাদগ্ৰস্ত হৈ পৰাৰ সময়ত মানুহৰ সৃজনীমূলক চিন্তা শক্তিৰ দীনতা দেখি *আঠ পৃষ্ঠাত চাওক*

## একেৰাহে দুদিন ডিজেলৰ মূল্য ৪৮ পইচা বৃদ্ধি ৰাজ্যত

পেট্ৰ'লৰ মূল্য সুস্থিৰ

**ষ্টাফ ৰিপ'টাৰ**
**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** ডেৰ মাহৰ পাছত পুনৰ দাম বৃদ্ধি আৰম্ভ হৈছে ডিজেলৰ। যোৱা ২৫ ছেপ্টেম্বৰত প্ৰথম দাম বৃদ্ধি হোৱাৰ পাছত আজিও পুনৰ বৃদ্ধি হয়। দেশৰ ৰাজ্য ভেদে পেট্ৰ'ল-ডিজেলৰ *সাত পৃষ্ঠাত চাওক*

■ উচ্ছেদৰ দাবীৰে বিধায়ক অতুল বৰাৰ পত্ৰ মহানগৰৰ উপায়ুক্তক
■ সোণাপুৰ গাঁও পঞ্চায়তৰ সভাপতিৰো একেই অভিযোগ দাখিল

## ধলপুৰৰ উচ্ছেদিতই চৰকাৰী মাটি বেদখল কৰি ঘৰ সাজিছে দিছপুৰত

**ষ্টাফ ৰিপ'টাৰ**
**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰৰ ধলপুৰৰ গৰুখুঁটিত উচ্ছেদৰ পাছতে একাংশ লোকে ব্ৰহ্মপুত্ৰৰে উজাই আহি নিশাৰ ভিতৰতে দিছপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত সোণাপুৰ ৰাজহ চক্ৰৰ অধীনৰ বিভিন্ন স্থানত আশ্ৰয় গ্ৰহণ কৰিছে। আজি দিছপুৰৰ বিধায়ক অতুল বৰাই কামৰূপ মহানগৰৰ উপায়ুক্তলৈ এই সম্পৰ্কত এক পত্ৰ প্ৰেৰণ কৰি কয় যে সোণাপুৰ ৰাজহ চক্ৰৰ অধীনৰ পাৰঘুমা, কচুতলি, বেলটিলা আদি ঠাইত তেনে বহু লোকে চৰকাৰী মাটি বেদখল কৰি ঘৰ-দুৱাৰ সাজিছে। সেইসকল বেদখলকাৰীক অতি শীঘ্ৰে উচ্ছেদৰ ব্যৱস্থা ল'বলৈ বিধায়কজনে আহ্বান জনায় উপায়ুক্তই। এই অভিযোগৰ সন্দৰ্ভত বৰাই কয়, 'ধলপুৰৰ উক্ত অঞ্চলটোত উচ্ছেদ হ'ব বুলি প্ৰচাৰ হোৱাৰ পাছৰে পৰা কিছুসংখ্যক লোক আহি সোণাপুৰ ৰাজহ চক্ৰৰ অধীনত থাকিবলৈ লয়। *সাত পৃষ্ঠাত চাওক*

## ভূমি হস্তান্তৰৰ বাবদ ছয় লাখ দাবী, ২০ হেজাৰ আগধন লৈ গ্ৰেপ্তাৰ



**ষ্টাফ ৰিপ'টাৰ**
**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** উৎকোচ লৈ আজি হাতে-লোটে ধৰা পৰে *আঠ পৃষ্ঠাত চাওক*

■ ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ নাৰৱীয়াক নিলম্বন ■ বৰপেটাৰ লোকে আহি কৰিছিল বেদখল ■ ছিপাঝাৰৰ চক্ৰ বিষয়া-আৰক্ষী বিষয়াক বদলি

## ধলপুৰ কাণ্ড উচটনি দিয়া কংগ্ৰেছ পঞ্চায়ত সভাপতিসহ দুজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৭ ছেপ্টেম্বৰ ঃ** দৰং জিলাৰ ছিপাঝাৰৰ ধলপুৰ গৰুখুঁটিৰ হিংসাত্মক ঘটনাত উচটনি প্ৰদানৰ অভিযোগত কংগ্ৰেছ নেতাসহ দুজন জনপ্ৰতিনিধিক গ্ৰেপ্তাৰ কৰিলে আৰক্ষীয়ে। ইয়াৰ উপৰি বেদখলকাৰীক সাহায্য কৰাৰ অভিযোগত বন বিভাগৰ এজন নাৰৱীয়াক নিলম্বিত কৰা হৈছে। ইয়াৰ



সমান্তৰালকৈ ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়া আৰু ছিপাঝাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক বদলি কৰা হৈছে।

দৰং আৰক্ষীয়ে আজি কংগ্ৰেছ নেতা তথা সানোৱা গাঁও পঞ্চায়তৰ সভাপতি চান্দ মামুদ আৰু বাজনাপথাৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি আছমত আলী আহমেদক গ্ৰেপ্তাৰ কৰে। দৰঙৰ *আঠ পৃষ্ঠাত চাওক*

বকোত হৃদয়বিদাৰক কাণ্ড

## কন্যাশিশুক হত্যা কৰি জুলাই পেলাই দিলে কুঁৰাত

**অগ্ৰদূত বাৰ্তা**
**বকো, ২৭ ছেপ্টেম্বৰ ঃ** ৰাজ্যত শেহতীয়াকৈ হত্যা, ধৰ্ষণ, অপহৰণ, লুণ্ঠনৰ ঘটনা ক্ৰমাৎ বৃদ্ধি পোৱাৰ সময়তে এক হৃদয়বিদাৰক ঘটনা সংঘটিত হ'ল কামৰূপ জিলাৰ বকোত। এটি ছবছৰীয়া কন্যা শিশুক হত্যা *আঠ পৃষ্ঠাত চাওক*

দলে-বলে আহি প্ৰমাণপত্ৰ সংগ্ৰহ ঃ বিৰোধীকো জনালে ধন্যবাদ

## ৰাজ্যসভালৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে সোণোৱাল



**ষ্টাফ ৰিপ'টাৰ**
**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** কোনো প্ৰতিদ্বন্দ্বী নথকা হেতুকে অসমত খালী হোৱা ৰাজ্যসভাৰ আসনখনৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰি নিৰ্বাচন আয়োগে আজি প্ৰমাণপত্ৰও প্ৰদান কৰে। এই প্ৰমাণপত্ৰ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব *আঠ পৃষ্ঠাত চাওক*

## উৎসৱ পাৰ্বণৰ বাহিৰে পাণ্ডুঘাটত নিষিদ্ধ হ'ব সকলো কাৰ্য

**ষ্টাফ ৰিপ'টাৰ**
**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** ব্ৰহ্মপুত্ৰত সাঁতুৰি-নাদুৰি সামাজিক মাধ্যমৰ বাবে 'ৰীল' প্ৰস্তুত কৰি থকা অৱস্থাতে *আঠ পৃষ্ঠাত চাওক*

ধৃত ছজনক পাঁচদিনৰ জিম্মাত ল'লে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে

## বাছনি পৰীক্ষাত অনিয়ম ঃ পলাতক মুখ্য মহাপ্ৰবন্ধকৰ আত্মসমৰ্পণ

এপিডিচিএল ঃ অ'এছডিৰ স'তে মুখামুখিকৈ জেৰা কৰিব ৰহমানক

**ষ্টাফ ৰিপ'টাৰ**
**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** বিদ্যুৎ বিভাগৰ নিযুক্তি পৰীক্ষা কেলেংকাৰিৰ অন্যতম অভিযুক্ত অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (এপিডিচিএল)ৰ পলাতক মুখ্য মহাপ্ৰবন্ধক আতাউৰ ৰহমানে আজি মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ কাৰ্যালয়ত আত্মসমৰ্পণ কৰে। উল্লেখ্য যে বিদ্যুৎ বিভাগৰ তিনিওটা *আঠ পৃষ্ঠাত চাওক*



প্ৰতিজন নাগৰিকে লাভ কৰিব স্বাস্থ্য পৰিচয় পত্ৰ

## আয়ুষ্মান ভাৰত ডিজিটেল মিছন উদ্বোধন কৰিলে প্ৰধানমন্ত্ৰীয়ে



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৭ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আয়ুষ্মান ভাৰত ডিজিটেল মিছনৰ উদ্বোধন কৰে। এই আঁচনিৰ অধীনত এজন লোকৰ সকলো স্বাস্থ্য সম্পৰ্কীয় ৰেকৰ্ডযুক্ত পৰিচয় পত্ৰ প্ৰদান কৰা হ'ব। আঁচনি মুকলি কৰি প্ৰধানমন্ত্ৰীয়ে কয়, 'আজি এক অতি গুৰুত্বপূৰ্ণ দিন। বিগত সাত বছৰে দেশৰ স্বাস্থ্য সেৱাৰ সা-সুবিধা শক্তিশালী কৰাৰ অভিযানেৰে আজি এক নতুন স্তৰত উপনীত *আঠ পৃষ্ঠাত চাওক*

■ পৰ্যটন দিৱসত মুখ্যমন্ত্ৰী ঃ ১১৪জন ট্যুৰ অপাৰেটৰলৈ দুই লাখকৈ সাহায্য ঘোষণা

## কাজিৰঙাৰ বাহিৰেও অসম পৰ্যটনে বিশ্বক দিবলগীয়া বহু অতুলনীয় সম্ভাৰ আছে

**ষ্টাফ ৰিপ'টাৰ**
**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** অসম পৰ্যটনে কেৱল কাজিৰঙা অভিমুখে বিশ্ববাসীক আকৰ্ষণৰ চেষ্টা কৰিলে নহ'ব। কাজিৰঙাৰ বাহিৰেও বিশ্বৰ পৰ্যটকক দিবলগীয়া ৰাজ্যখনৰ অলেখ আৰু অতুলনীয় সম্ভাৰ আছে। তাৰ বাবে অত্যন্ত আগ্ৰাসী ৰূপত প্ৰচাৰ আৰু প্ৰসাৰ কৰিব লাগিব। এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত *আঠ পৃষ্ঠাত চাওক*

## চিপ লৈ থকা অৱস্থাত সচিবালয়ৰ কৰ্মচাৰীৰ মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ'টাৰ**
**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** মহানগৰীৰ বেলতলাস্থিত হাউছিং কল'নীৰ কোঠাত আজি অসম সচিবালয়ৰ এজন কৰ্মচাৰীৰ মৃতদেহ চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি *সাত পৃষ্ঠাত চাওক*

## আদালতক অৱমাননা কৰি কে এ চিৰ শপতগ্ৰহণ

**অগ্ৰদূত ব্যুৰ'/অগ্ৰদূত বাৰ্তা**
**বঙাইগাঁও/কাজলগাঁও, ২৭ ছেপ্টেম্বৰ ঃ** 'যিখন চৰকাৰে দুৰ্নীতিমুক্ত, নিকা বুলি দাবী কৰিছে সেইখন ৰাজ্য চৰকাৰে আদালতৰ ৰায়ক অৱমাননা কৰি পিছ দুৱাৰেদি কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ শপত গ্ৰহণ অনুষ্ঠিত কৰিলে। পৰিষদৰ মূল পদবীত থকা দুজনৰ লগতে আন *সাত পৃষ্ঠাত চাওক*

প্ৰসংগ ঃ শিশুৱে অনলাইন পাবজি গেম

## মাতৃৰ একাউণ্টৰ পৰা ১৯ লাখ সৰকোৱা ঘটনাত পুনৰ তিনিজনক আটক

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৭ ছেপ্টেম্বৰ ঃ** শিশুৰ স'তে অনলাইন পাবজি গেম খেলি মাতৃৰ একাউণ্টৰ পৰা প্ৰৱঞ্চনাৰে ১৯ লাখ টকা সৰকোৱাৰ ঘটনাত জয়সাগৰ আৰক্ষীৰ জালত পৰিছে আৰু তিনিজন যুৱক। শিৱসাগৰ জিলাৰ জয়সাগৰ আৰক্ষীয়ে যোৱা নিশা মেটেকা ৰাংচলীয়া গাঁৱৰ সমীৰ ভৰালী, মেটেকা সেউজ নগৰ পুলিচ কল'নীৰ অংকুৰ বৰা আৰু মগ্ৰাহাট চাংমাই গাঁৱৰ নিপু বৰুৱাক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ জেৰাত তিনিও কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰিছে। আৰক্ষী *আঠ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৫° | ২৭° |
| ডিব্ৰুগড় | ৩৫° | ২৬° |
| দিল্লী | ২৯° | ২৪° |
| কলকাতা | ৩২° | ২৬° |
| মুম্বাই | ৩০° | ২৭° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ২৬° | ১৯° |
| শ্বিলং | ২৪° | ১৬° |

২৭ ছেপ্টেম্বৰ, ২০২১

## চেঙা তেল



*তেওঁৰ লগত একেলগে ওলাই আহি আমি যে বাহিৰে বাহিৰে আন দলত যোগ দিলো তেওঁ গমেই নাপালে!*

■ ড° বুজৰবৰুৱাৰ কেলেংকাৰিৰ বিৰুদ্ধে পুনৰ সৰৱ হিন্দু যুৱ-ছাত্ৰ
■ নিয়ম বহিৰ্ভূত পুঁজি ব্যয়ৰ ভয়াৱহ তথ্য ঃ প্ৰধানমন্ত্ৰীকো জনালে

## কৃষি বিশ্ববিদ্যালয়ৰ বৃহৎ দুৰ্নীতিৰ মূল অভিযুক্তক সুৰক্ষা দিছে আচাৰ্যই




**বিশেষ সংবাদদাতা**
**লখিমপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** ২০০৯ৰ পৰা ২০১৯লৈ দুটা কাৰ্যকালৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ থকাৰ সময়ত পৰ্বতসম দুৰ্নীতি সংঘটিত কৰিছিল ড° কমল মল্ল বুজৰবৰুৱাই। নিজৰ কাৰ্যকালত তেওঁ শৈক্ষিক, প্ৰশাসনিক আৰু অৰ্থনৈতিক তিনিওটা ক্ষেত্ৰতে সংঘটিত কৰিছিল বিয়াগোম দুৰ্নীতি। তেওঁ সংঘটিত কৰা দুৰ্নীতিসমূহত *সাত পৃষ্ঠাত চাওক*

■ বেইজিঙৰ সিদ্ধান্তত ক্ষুব্ধ দিল্লী ■ ২৩ হেজাৰৰো অধিক ভাৰতীয় ছাত্ৰ-ছাত্ৰী অধ্যয়নৰত

## অজুহাত কৰ'না ঃ ভাৰতীয় নিষিদ্ধ হ'ল চীনত




■ **নিউজ ব্যুৰ'**
**বেইজিং/নতুন দিল্লী, ২৭ ছেপ্টেম্বৰ ঃ** কৰ'না অতিমাৰীৰ অজুহাত দি হেজাৰ হেজাৰ ভাৰতীয়ক চীনত প্ৰৱেশত নিষেধাজ্ঞা জাৰি কৰিছে জি জিনপিং চৰকাৰে। ইয়াকে লৈ ভাৰত চৰকাৰ ক্ষুব্ধ হৈছে আৰু চুবুৰীয়া ৰাষ্ট্ৰৰ এনে কাৰ্যক অবৈজ্ঞানিক বুলি কটাক্ষ কৰিছে। অৱশ্যে আজি বেইজিঙে নিজ স্থিতিৰ সমৰ্থনত কয় যে ক'ভিড-১৯ৰ প্ৰসাৰ নিয়ন্ত্ৰণ কৰিবলৈ এই পদক্ষেপ লোৱা হৈছে। উল্লেখ্য যে চীনত ২৩ হেজাৰো অধিক ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। ইয়াৰে অধিকাংশই চিকিৎসা পাঠ্যক্ৰমত অধ্যয়নৰত। তদুপৰি কে'বাশ ভাৰতীয় ব্যৱসায়ীয়ে পৰিয়ালসহ চীনত বসবাস কৰে। ২০১৯ৰ শেষৰ ফালে চীনত কৰ'না সংক্ৰমণ বৃদ্ধি পোৱাৰ পাছত তেওঁলোক ভাৰতলৈ উভতি আহে। *আঠ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৮ ছেপ্টেম্বৰ, ২০২১ মঙলবাৰ পৃষ্ঠা তিনি

# গ্ৰাহামপুৰত চোৰাং গৰু জব্দ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গ্ৰাহামপুৰ আৰক্ষী চকীৰ অন্তৰ্গত ৰঞ্চপুৰত আজি পুৱা বহিঃৰাজ্যৰ পৰা অবৈধভাৱে সৰবৰাহ কৰা চাৰিটা গৰু জব্দ কৰে আৰক্ষীয়ে। অসম-বংগ সীমান্তৰ সোণকোষ নৈ পাৰ কৰি বাংলাদেশলৈ চালান দিয়াৰ পথত গৰুকেইটা গ্ৰাহামপুৰ আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয় যদিও চোৰাং ব্যৱসায়ীকেইজনে পলায়ন কৰে। উল্লেখ্য যে অসম-বংগ সীমান্তত সক্ৰিয় হৈ আছে অবৈধ গৰু ব্যৱসায়ীৰ চক্ৰ। চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ পৰা অবৈধভাৱে গৰু সৰবৰাহ কৰি বহিঃৰাষ্ট্ৰ বাংলাদেশলৈ গোপনে গৰু চালান দি আহিছে চক্ৰটোৱে। আৰক্ষীয়ে চোৰাং সৰবৰাহকাৰী চক্ৰটোৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিলেও ভিতৰুৱা পথৰে গৰু সৰবৰাহ কৰি আহিছে।

■ তিতাবৰত সক্ৰিয় আইপিএল জুৱা চক্ৰ

# আৰক্ষীৰ অভিযানত পাঁচ জুৱাৰীক গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাবাট/মেলামাটি/তিতাবৰ, ২৭ ছেপ্টেম্বৰ ঃ** সংযুক্ত আৰব আমিৰশ্বাহিত অনুষ্ঠিত হৈ থকা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আইপিএল)ক কেন্দ্ৰ কৰি সৰ্বত্ৰে চলিছে জুৱাৰীৰ উৎপাত। তিতাবৰ মহকুমাতো সম্প্ৰতি আইপিএল জুৱা চক্ৰই বহুতকে সৰ্বস্বান্ত কৰিছে। এনে আইপিএল জুৱাত জড়িত পাঁচজন জুৱাৰীক যোৱা নিশা তিতাবৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে আইপিএল জুৱা চক্ৰটোৱে বিপুল অৰ্থসম্বলিত ক্ৰিকেট লীগখনৰ ছয় পৃষ্ঠাত চাওক

■ উদ্যানৰ ভাস্কৰ্য প্ৰতিস্থাপিত নকৰাত খেদ অভিভাৱক মন্ত্ৰীৰ

# ৰাষ্ট্ৰীয় ঘাইপথৰ নামত চামগুৰিত ভাঙিলে অসমীয়াৰ স্বাভিমান শৰাই, জাপি, ভোৰ-তাল



অগ্ৰদূত বাৰ্তা

**চামগুৰি, ২৭ ছেপ্টেম্বৰ ঃ** চাৰি শাৰী যুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ নামত সত্ৰীয়া সংস্কৃতিৰ লগতে অসমীয়াৰ একাংশ পৰম্পৰাগত সামগ্ৰীৰ ভাস্কৰ্য ধ্বংস কৰাক কেন্দ্ৰ কৰি সম্প্ৰতি চামগুৰিৰ লগতে সমগ্ৰ নগাঁও জিলাতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড (এনএইছআইডিচিএল) আৰু চাৰি শাৰীযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণকাৰী কোম্পানীয়ে অসমীয়াৰ স্বাভিমানক কুঠাৰাঘাত কৰাৰো অভিযোগ উঠিছে। চামগুৰিত থকা অসমীয়াৰ আদৰৰ শৰাই, জাপি, ম'হৰ শিঙৰ পেঁপা, ঢোল, তাল, গুৰুজনাৰ অমৰ সৃষ্টি খোল আদিৰ ভাস্কৰ্য পথ নিৰ্মাণৰ নামত পথ নিৰ্মাণকাৰী কোম্পানীটোৱে ভাঙি পেলোৱা কাৰ্যক সম্প্ৰতি বিভিন্নজনে ধিক্কাৰ দিছে। এই ভাস্কৰ্যসমূহ নিৰ্মাণত ছয় পৃষ্ঠাত চাওক

# বাগ্‌সাৰ খুচুৰাবাৰীত ভূমি বিবাদক কেন্দ্ৰ কৰি সংঘৰ্ষত আহত দুজন



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৭ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলাৰ শালবাৰী খুচুৰাবাৰীত ভূমিকেন্দ্ৰিক বিবাদক লৈ প্ৰচণ্ড মাৰপিটৰ ঘটনা সংঘটিত হয়। খুচুৰাবাৰীৰ বড়ো চুবাৰ এটা পৰিয়ালৰ তিনি ভ্ৰাতৃ ক্ৰমে গণেশ গয়াৰী, প্ৰমোদ গয়াৰী আৰু সমেশ গয়াৰীয়ে সুনীল বড়ো নামৰ এজনৰ স'তে মিলি গাঁওখনৰে শ্বাহ আলম আৰু চুকুমুদ্দিন নামৰ দুই যুৱকক খেতিপথাৰত মাৰপিট কৰে। শ্বাহ আলম আৰু চুকুমুদ্দিন সংকটজনক অৱস্থাত সম্প্ৰতি ছয় পৃষ্ঠাত চাওক

■ প্ৰধানমন্ত্ৰী জলজীৱন আঁচনিৰ মেৰপেচ

■ ক্ষুদ্ৰ চাহ খেতিয়কৰ হুমুনিয়াহ

# গোলাঘাটৰ আদৰ্শ গাঁৱত পানীৰ অভাৱত ৰাইজৰ হাহাকাৰ

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৭ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ গমাৰিগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত আদৰ্শ গমাৰি পঞ্চায়তৰ আদৰ্শ গাঁৱৰ একাংশ ৰাইজ পানীৰ সমস্যাত পৰি মূৰে-কপালে হাত দিব লগা অৱস্থা হৈছে। ইতিমধ্যে এই বিষয়ে সংবাদ মাধ্যমত অনেক বাতৰি প্ৰকাশ পাই আহিছে। বিগত কংগ্ৰেছ চৰকাৰৰ ১৫ বছৰীয়া কাৰ্যকালত গোলাঘাট সমষ্টিৰ বিভিন্ন পঞ্চায়তৰ লগতে আদৰ্শ গমাৰি পঞ্চায়তটো কে'বাটাও পানী যোগান প্ৰকল্প স্থাপন কৰে যদিও আটাইতকৈ পানীৰ অভাৱী অঞ্চল এই আদৰ্শ গাঁৱত তেনে কোনো পানী যোগান প্ৰকল্প স্থাপনৰ পদক্ষেপ গ্ৰহণ নকৰিলে। ছয় পৃষ্ঠাত চাওক

■ কৌশলেৰে এটিএম কাৰ্ড সংগ্ৰহ কৰি ধন উলিয়াই ক্ৰয় কৰে সোণৰ গহনা

■ এটিএম কাৰ্ড, বাহন, নগদ ধন জব্দ

# পাঠশালাত আৰক্ষীৰ জালত পৰিল তিনি দুৰ্ধৰ্ষ চোৰ

**বিশেষ সংবাদদাতা**

**পাঠশালা, ২৭ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন ঠাইত চুৰি কাৰ্যৰে সন্ত্ৰাস সৃষ্টি কৰি অহা তিনিজন গভাইত চোৰক অৱশেষত পাঠশালা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। বৰপেটাৰ কয়াকুছিৰ ৰমেশ আলী, ভৱানীপুৰ দাতিৰবড়ীৰ ৰাজিবুল ইছলাম, কয়াকুছিৰ নিৰাকুল হক নামৰ গভাইত চোৰ তিনিজনক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। আৰক্ষীয়ে উল্লেখ কৰা মতে, চোৰ তিনিজনে দীৰ্ঘদিনৰ পৰাই বিভিন্ন চুৰি কাৰ্য সংঘটিত কৰি আহিছিল। এটিএমলৈ ধন উলিয়াবলৈ যোৱা গ্ৰাহকক ফুচুলাই এটিএম কাৰ্ড সংগ্ৰহ কৰি আনৰ ধন চুৰি কৰি বিভিন্ন সামগ্ৰী ক্ৰয় কৰি আহিছিল। এটিএমত ধন উলিয়াই দিয়াৰ ছলেৰে গ্ৰাহকৰ পৰা এটিএম হৰলুকি কৰি সোণৰ আ-অলংকাৰ ক্ৰয় কৰি ছয় পৃষ্ঠাত চাওক

■ যোৰহাটৰ পৰা মাজুলীলৈ খাদ্য সামগ্ৰী কঢ়িওৱাত সমস্যা ব্যৱসায়ীৰ ■

জিলা বণিক সন্থা-জিলা মালবাহী নাও মালিক সন্থাৰ উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান

# মাজুলীত খাদ্য সংকটৰ আশংকা

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৭ ছেপ্টেম্বৰ ঃ** যোৱা আঠ ছেপ্টেম্বৰত ব্ৰহ্মপুত্ৰৰ বুকুত সংঘটিত ভয়াৱহ নাও দুৰ্ঘটনাৰ পাছৰে পৰা চৰকাৰে একক ইঞ্জিনযুক্ত সকলো বৰ নাৱৰ চলাচল বন্ধ কৰি দিয়াৰ পাছত মাজুলীৰ যাতায়াতত ব্যাপক প্ৰভাৱ পৰাৰ লগতে মাজুলীত খাদ্য সামগ্ৰীৰ নাটনিয়ে দেখা দিছে। মাজুলীৰ দুই লাখ জনসাধাৰণৰ বাবে মাজুলী জিলাৰ ব্যৱসায়ীসকলে যুগে যুগে ব্যৱসায়িক লেনদেন কৰি আহিছে। এই সন্দৰ্ভত মাজুলীৰ ব্যৱসায়ীসকলে যোৰহাটৰ পৰা সামগ্ৰী ক্ৰয় কৰি ডিব্ৰুগড় হৈ মাজুলীলৈ সামগ্ৰী আনৰ ক্ষেত্ৰত পৰিবহণ ব্যয় বেছি হোৱাৰ বাবে মাজুলী মাজুলীত অত্যাৱশ্যকীয় সামগ্ৰী অধিক মূল্যত বেচিব লাগিব। মাজুলীবাসীৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত ব্যৱসায়ীসকলে কে'বাবাৰো উপায়ুক্তৰ লগত আলোচনাৰ পাছত উপায়ুক্তৰ তত্বাৱধানত মাজুলীলৈ সামগ্ৰী আনিবৰ বাবে এখন জাহাজ দিলেও সেইখনে জোৱা মাৰিবলৈ সক্ষম হোৱা নাই। মাজুলীবাসীয়ে যাতে প্ৰয়োজনীয় খাদ্য সামগ্ৰীৰ লগতে অন্যান্য সামগ্ৰীসমূহ সহজে উপলব্ধ কৰিব পাৰে সেই সমস্যাৰ নিৰ্মূল কৰিবলৈ পুনৰ মাজুলী জিলা উপায়ুক্তক স্মাৰকপত্ৰযোগে অৱগত কৰিছে। আজি উপায়ুক্তক দাখিল কৰা স্মাৰকপত্ৰত মাজুলী জিলা বণিক সন্থাৰ সভাপতি জীৱন বৰুৱা আৰু মাজুলী জিলা মালবাহী ছয় পৃষ্ঠাত চাওক

# ৰাজ্যত ভাৰত বন্ধৰ মিশ্ৰিত প্ৰভাৱ



■ নলবাৰী-ঘগ্ৰাপাৰ-ভৱানীপুৰত বন্ধৰ সমৰ্থকক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**নলবাৰী/ঘগ্ৰাপাৰ/হাজো/সৰুপেটা/বিশ্বনাথ চাৰিআলি, ২৭ ছেপ্টেম্বৰ ঃ** কৃষক বিৰোধী ক'লা আইন আৰু বিদ্যুৎ বিল ২০২০ বাতিলৰ দাবীত আজি সংযুক্ত কিষাণ মৰ্চাই আহ্বান জনোৱা ভাৰত বন্ধৰ প্ৰভাৱ ৰাজ্যত মিশ্ৰিত ৰূপত পৰে। এছইউচিআই (চি), চিটু, ছাত্ৰ সংগঠন অল ইণ্ডিয়া ডিএছঅ'সহ বিভিন্ন সংগঠনে সমৰ্থন জনোৱা ভাৰত বন্ধৰ সমৰ্থনত নলবাৰী, ঘগ্ৰাপাৰ, হাজো, ভৱানীপুৰ, বৰপেটা আদিত একাংশই ৰাজপথলৈ ওলাই আহি বন্ধ সফল কৰাৰ চেষ্টা চলায়। নলবাৰী চহৰত পুৱা ছয় বজাৰ পৰা বন্ধৰ সমৰ্থনকাৰীসকলে ওলাই অহাত নলবাৰী থানা চ'কত ১১ জন ছয় পৃষ্ঠাত চাওক

■ নাহৰকটীয়াৰ নামফাকে গাঁৱত ছজন সৰ্বদলীয় বিধায়কৰ সঁজাতী দল ■ অসমত আছে প্ৰায় দুহেজাৰ জনসংখ্যা

# টাইফাকে জনগোষ্ঠীৰ সংস্কৃতি, সমাজ ব্যৱস্থা, জীৱন যাপনৰ প্ৰণালী পৰিদৰ্শন



অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ২৭ ছেপ্টেম্বৰ ঃ** বিভিন্ন কৃষ্টি-সংস্কৃতিৰ মিলনভূমি অসমত বৰাক-ব্ৰহ্মপুত্ৰৰ সাংস্কৃতিক সমন্বয় গঢ়াৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰিকল্পনা অনুসৰি আজি নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ গাঁও নামফাকে পৰিদৰ্শন কৰে নামনি অসমৰ ছগৰাকীকৈ সৰ্বদলীয় বিধায়কৰ সঁজাতী দলে। বিধানসভাৰ অধ্যক্ষৰ নিৰ্দেশ মৰ্মে নাহৰকটীয়া সমষ্টিৰ যুৱ বিধায়ক তৰংগ গগৈৰ উপস্থিতিত আজি এই সঁজাতী দলটোত ক্ৰমে কমলপুৰৰ বিধায়ক দিগন্ত কলিতা, পলাশবাৰীৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, সৰভোগৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ, বৰমাৰ বিধায়ক ভূপেন বড়ো, বৰপেটাৰ বিধায়ক আব্দুল ৰহিম আহমেদ আৰু উদাৰবন্দৰ বিধায়ক মিহিৰকান্তি সোম উপস্থিত থাকে। বিধায়ক দিগন্ত ছয় পৃষ্ঠাত চাওক




দৈনিক অগ্ৰদূত

গুৱাহাটী, মঙলবাৰ ১১ আহিন ১৪২৮ ভাস্কৰাব্দ ২৮ ছেপ্তেম্বৰ ২০২১

# বিকল্পৰ সন্ধান জৰুৰী

**আজিৰ** অসমৰ ভয়ংকৰ পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে অতিশীঘ্ৰে মদ আৰু অন্যান্য নিচাযুক্ত সামগ্ৰীসমূহৰ প্ৰচলন বন্ধ কৰা উচিত। মদৰ অবাধ প্ৰচলনৰ হেতুকে সবাতোকৈ নিৰ্যাতিত হৈছে মহিলাসকল। আজিৰ অসমৰ বৃহৎ সংখ্যক পৰিয়ালত মদৰ বাবেই চৰম অশান্তি বিৰাজ কৰিছে। কেইবছৰমানৰ আগতে অভয়াপুৰী কলেজৰ ছাত্ৰী এগৰাকীয়ে তেওঁৰ পিতৃক বাৰে বাৰে মদ্যপান নকৰিবলৈ আৰু মদ খাই মাকক মাৰ-ধৰ কৰি অশান্তিৰ সৃষ্টি নকৰিবলৈ অনুৰোধ কৰি বিফল হৈ অৱশেষত পিছ দুৱাৰেদি ওলাই গৈ আত্মহত্যা কৰাৰ বাতৰি সংবাদ মাধ্যমত প্ৰচাৰ হৈছিল। মাদক দ্ৰব্য সম্পূৰ্ণৰূপে বন্ধ কৰাৰ দাবীত মহিলাসকলে আগভাগ লোৱাটো উচিত; কিয়নো তেওঁলোকেই মদৰ বাবে সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্যখনৰ মহিলা সংগঠনসমূহে সমস্বৰে দাবী জনালে চৰকাৰে মানি ল'বলৈ বাধ্য। ইতিমধ্যে ৰাজ্যজুৰি নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে ব্যাপক অভিযান অব্যাহত আছে।

যুৱক সমাজক ধ্বংস কৰাৰ উদ্দেশ্যে যে কেনেদৰে মাদক দ্ৰব্যৰ সম্প্ৰসাৰণ ঘটোৱা হৈছিল, তাৰ দৃষ্টান্ত আমি পঞ্জাৱৰ পৰা পাওঁ। পঞ্জাৱৰ যুৱকসকলৰ এচামে বিচ্ছিন্নতাবাদী মানসিকতাৰে খালিস্তান দাবী কৰা হেতুকে সেইচাম যুৱকৰ মাজত নানাবিধ ড্ৰাগছ মেলি দিয়া হয়। কম দিনৰ ভিতৰতে ড্ৰাগাসক্ত হৈ নানা ৰকমৰ অপকৰ্মত লিপ্ত হোৱাৰ উপৰি বহু যুৱকে অকালতে মৃত্যুবৰণ কৰিবলগীয়া হয়। ৰাজ্যখনত ড্ৰাগছৰ সম্প্ৰসাৰণ এনেদৰে ঘটিল যে যুৱ সমাজৰ অধঃপতন দেখি জ্যেষ্ঠসকল গভীৰভাৱে চিন্তান্বিত হৈ ড্ৰাগছৰ প্ৰচলন বন্ধ কৰিবলৈ এতিয়া উঠিপৰি লাগিছে।

অসমৰ যুৱ-ছাত্ৰসমাজকো ধ্বংস কৰাৰ হেতুকে মদৰ বেহাৰ সম্প্ৰসাৰণ ঘটোৱা হৈছিল। এনেদৰে বৰ্তমানৰ অৱস্থা অটুট থাকিলে হত্যা-হিংসাই কেৱল নহয়, পিতৃ-মাতৃৰ প্ৰতিও যে সতি-সন্ততি দায়িত্বহীন হৈ উঠিব, তাৰ নিদৰ্শন ইতিমধ্যে অসংখ্যজনে দেখুৱাইছে। সম্প্ৰতি আমাৰ সমাজত দেখা দিয়া দুষ্কৃতিসমূহৰ ৯০ শতাংশই মদ্যপানৰ হেতুকে সংঘটিত হৈছে। চৰম পৰিতাপৰ কথা যে যুৱতীসকলৰ মাজতো মদ্যপানে ভয়াৱহৰূপ ধাৰণ কৰিছে। এই ভয়াৱহ পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে অতিশীঘ্ৰে মদ আৰু অন্যান্য নিচাযুক্ত সামগ্ৰীসমূহৰ প্ৰচলন সম্পূৰ্ণৰূপে বন্ধ কৰিব লাগিব। সম্প্ৰতি অসমীয়া সমাজত মদ আৰু নিচাজাতীয় দ্ৰব্যসমূহৰ বাবে যি ধৰণে কাহানিও নোহোৱা-নোপোজা মাৰাত্মক ঘটনাবোৰ সংঘটিত হৈ আছে আৰু এনেদৰে কেউফালে সেইবোৰৰ সংক্ৰমণ ঘটিছে যে চোৰাংচোৱা বাহিনী অথবা আৰক্ষীৰ দ্বাৰা এইবোৰ নিয়ন্ত্ৰণ কৰাটো কঠিন; কিয়নো বিকৃত মানসিকতাৰ লোকৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। আনহাতে, সমাজত দুৰ্নীতিপৰায়ণ লোকৰ সংখ্যা বৃদ্ধি পোৱা হেতুকে তেওঁলোকৰ সহযোগীৰ সংখ্যাও বৃদ্ধি পাইছে। আজিৰ পৰা কিছু বছৰৰ আগলৈকে দুৰ্নীতি পৰায়ণসকলক চিনাক্ত কৰাটো সহজ আছিল; কিন্তু এতিয়া শিক্ষানুষ্ঠানকে ধৰি বিভিন্ন প্ৰতিষ্ঠানৰ মুৰব্বীসকলেই দুৰ্নীতিত পোত যোৱা হেতুকে ক্ৰমাৎ জনসাধাৰণে দুৰ্নীতিৰ স'তে সহাৱস্থান কৰি জীয়াই থাকিবলৈ বাধ্য হৈছে। কোনো এজন সৎ লোকৰ চিঞৰ-বাখৰ হৈ পৰিছে অৰণ্য ৰোদন!

তাৎপৰ্যপূৰ্ণ যে সততে নিজকে জাতীয় সংগঠন বুলি সমাজৰ ত্ৰাণকৰ্তাৰ ভূমিকাত অৱতীৰ্ণ হোৱা সংগঠনসমূহ এই ক্ষেত্ৰত কেতিয়াবাই সৰৱ হোৱা উচিত আছিল যদিও সেই সংগঠনসমূহৰ নীৰৱতা এই ক্ষেত্ৰত লক্ষ্যণীয়। এই সংগঠনসমূহৰ নেতৃবৃন্দই ব্যক্তিগত স্বাৰ্থ পূৰণৰ হকে কেৱল তৎপৰ হৈছে। সুযোগ অনুসৰি চৰকাৰৰ সপক্ষে আৰু কেতিয়াবা চৰকাৰৰ বিপক্ষে শ্লগান দি নিজৰ স্বাৰ্থ সিদ্ধিৰ চেষ্টা চলাই আহিছে। এই কথা ঠিক ৰাজ্যত মাদক দ্ৰব্যৰ প্ৰসাৰ যদিহে বন্ধ নহয়, তেন্তে পশুতকৈও অধম কাৰ্যৰ প্ৰসাৰ ঘটিয়েই থাকিব। এই ক্ষেত্ৰত চৰকাৰে অধিক সুচিন্তিত আৰু কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব লাগিব। ৰাজহ আদায়ৰ লক্ষ্যৰে সুৰাৰ প্ৰসাৰ ঘটোৱাৰ বিষম ফল ইতিমধ্যে এই ৰাজ্যত প্ৰত্যক্ষ হৈছে। চৰকাৰে ৰাজ্যৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে সুৰাৰ পৰা ৰাজহ সংগ্ৰহৰ আশা বাদ দি বিকল্প ব্যৱস্থা বিচাৰি উলিয়াব লাগিব।

# চৰকাৰৰ দালাল দমনৰ অভিযান

## দুৰ্নীতি আমাৰ সমাজখনৰে এটা সাধাৰণ সংস্কৃতিত পৰিণত হৈছে

**মুখ্যমন্ত্ৰী** ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগ আৰু নিৰ্দেশত অসম আৰক্ষীয়ে মাটিৰ দালালৰ বিৰুদ্ধে ৰাজ্যৰ সৰ্বত্ৰ এটা বৃহৎ অভিযান আৰম্ভ কৰি দিছে আৰু ইতিমধ্যে বিভিন্ন জিলাৰ ছয়-সাতশ দালালক আটক কৰিছে। তেওঁলোকৰ বিৰুদ্ধে গোচৰবোৰ কি হ'ব আৰু বিচাৰত তেওঁলোক দোষী সাব্যস্ত হ'ব নে নহয়, সেইটো এতিয়াও অনিশ্চিত। অৱশ্যে আৰক্ষীৰ এনেবোৰ ধৰ-পাকৰে যে দালাল আৰু চক্ৰ বিষয়া কাৰ্যালয়বোৰৰ একাংশ কৰ্মচাৰীক তাৎক্ষণিকভাৱে হ'লেও আতংকিত কৰিছে, সন্দেহ নাই। সেই আতংক কিমান দিনলৈ বিৰাজ কৰি থাকে, সেইটোও লক্ষ্যণীয় কথা হ'ব।



চৰকাৰৰ ড্ৰাগছ বিৰোধী অভিযানৰ পাছত এইটো হৈছে দ্বিতীয় বৃহৎ অভিযান। মুখ্যমন্ত্ৰীয়ে ড্ৰাগছ সৰবৰাহকাৰীসকলৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত ৰখাৰ ব্যৱস্থা কৰিছে। একেদৰে মাটিৰ দালাল বিৰোধী অভিযানটোৰ বিষয়েও কৈছে যে এইখন এখন নৃত্য-নাটিকাহে, আচল নাটকখন হ'বলৈ বাকী আছে। এই আচল বা মূল নাটকখন কেৱল মাটিৰ দালালসকলক লৈয়ে চলিব, নে বাকীবোৰ চৰকাৰী বিভাগৰ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীসকলকো তাত সাঙুৰি লোৱা হ'ব, সৰ্বসাধাৰণ লোকসকলৰো প্ৰশ্ন এতিয়া সেইটোৱেই। চৰকাৰী কাৰ্যালয়বোৰলৈ বিভিন্ন কামত বাৰম্বাৰ অহা-যোৱা কৰি থাকিবলগীয়া হোৱা আৰু প্ৰাপ্য তথা সময়োচিত ন্যায় নোপোৱা সকলো লোকে নিশ্চয় আশা কৰে যে চৰকাৰৰ এই চমক সৃষ্টিকাৰী অভিযানৰ পৰিণাম যেন 'বহ্বাৰম্ভে লঘু ক্ৰিয়া' ধৰণৰ নহয়গৈ।

কিন্তু বিৰোধী পক্ষৰ সন্দেহ সেইটোৱেই। বিশেষকৈ কংগ্ৰেছ আৰু অখিল গগৈ পাৰ্টীৰ স্থিতি একেবাৰে নেতিবাচক। তেওঁলোকৰ অভিযোগ, মুখ্যমন্ত্ৰী তথা চৰকাৰখনৰ এই দালালবিৰোধী অভিযান এখন নাটকহে; আৰক্ষীয়ে পুঠি-খলিহনাবোৰকহে ধৰিছে, ফণী তালুকদাৰৰ দৰে বা মন্ত্ৰীসকলক মাটি যোগাৰ কৰি দিয়া ডাঙৰ ডাঙৰ দালালৰ দৰে ৰৌ-বৰালিবোৰক ধৰা নাই। অভিযোগটো কোনে কৰিছে সেইটো ডাঙৰ কথা নহয়; ডাঙৰ কথা হৈছে অভিযোগটোক মিছা প্ৰমাণ কৰাটোহে। সেই দায়িত্ব মুখ্যমন্ত্ৰী ডঃ শৰ্মা আৰু তেওঁৰ চৰকাৰখনৰহে। সংবাদ মাধ্যমতে প্ৰকাশ পাইছে যে এই মাটিৰ দালালসকলৰ লগত কে'বাখনো জিলাৰ ৰাজহ চক্ৰ বিষয়াসকলো জড়িত বুলি খোদ উপায়ুক্ত আৰু অতিৰিক্ত উপায়ুক্তসকলেই অভিযোগ তুলিছিল। মাটিৰ দালালসকলক চক্ৰ বিষয়াসকলেই নিয়োগ কৰাৰ পটভূমিতেই সেই বিষয়াসকলৰ বিৰুদ্ধে অভিযোগৰ আঙুলি উঠিছিল; কিন্তু সম্প্ৰতি আৰক্ষীয়ে দালাল ধৰাৰ যি অভিযান চলাইছে, তাত অভিযুক্ত চক্ৰ বিষয়াসকল সাঙোৰ খোৱা নাই। চক্ৰ বিষয়া কাৰ্যালয়ৰ কিছু সংখ্যক কৰ্মচাৰীক আটক কৰা হৈছে সঁচা; কিন্তু চক্ৰবিষয়াসকলৰ প্ৰশ্ৰয় নাপালে তেওঁলোকৰ কাৰ্যালয়বোৰত দালালিৰ কামবোৰ চলি থাকিব পাৰেনে? সাধাৰণ যুক্তি আৰু অভিজ্ঞতাৰেই কথাবোৰ বুজিব পাৰি।

মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ উদ্দেশ্য সৎ আৰু তেওঁৰ প্ৰয়াস আন্তৰিক বুলিয়েই মোৰ বিশ্বাস। দুৰ্নীতিৰে টকা ঘটিবলৈও যে তেওঁ মুখ্যমন্ত্ৰী হোৱা নাই, সেই বিষয়েও মোৰ কোনো সন্দেহ নাই। তেনে প্ৰয়োজনো তেওঁৰ এতিয়া নাই। তেওঁ যিটো সপোনৰ পাছত দৌৰি আছে, তাত অসমৰ উন্নয়ন আৰু খিলঞ্জীয়া মানুহখিনিৰ সুৰক্ষাৰ বাবে ডাঙৰ আৰু ঐতিহাসিক কাম কিছুমান কৰি যোৱাৰ প্ৰৱল বাসনাহে আছে। সেই বাসনাক চৰিতাৰ্থ কৰাৰ সুযোগ তেওঁ পাইছে আৰু যোল্ল অনাই তাৰ সদ্ব্যৱহাৰ কৰিবৰ জোখাৰে তেওঁৰ অদম্য সাহস, কৰ্মশক্তি, জ্ঞান আৰু উদ্যমো পূৰামাত্ৰাই আছে। ডঃ শৰ্মা কংগ্ৰেছত থকা দিনৰে পৰা তেওঁৰ সম্পৰ্কে এই ধাৰণা মই কঢ়িয়াই ফুৰিছো। খিলঞ্জীয়া অসমীয়া মানুহখিনিৰ সুৰক্ষাৰ বাবে, তেওঁলোকৰ জাতি-মাটিৰ নিৰাপত্তাৰ বাবে, যিমানখিনি কৰিবলগীয়া আছে, ডঃ শৰ্মাৰ কাৰ্যকালতে যিমান পাৰি কৰিব লাগিব। তেওঁৰ আগত আন কোনো মুখ্যমন্ত্ৰীয়ে (গোপীনাথ বৰদলৈৰ পাছত) তেনেবোৰ কাম কৰাৰ সাহস আৰু বিচক্ষণতা দেখুৱাব পৰা নাছিল আৰু তেওঁৰ পাছতো আন কোনোবাই কাউৰীৰ বাহত জুই দিয়াৰ দৰে কামবোৰ কৰিব পাৰিব বুলি বিশ্বাস নহয়। সেয়ে ৰাজ্যৰ চৰকাৰী বিভাগবোৰত চলি থকা দালালি আৰু দুৰ্নীতিবোৰৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত তেওঁ কঠোৰ আৰু আপোচহীনভাৱে কাম কৰি যাব বুলিয়েই মোৰ বিশ্বাস। দুৰ্নীতিৰ শিপাবোৰ তেওঁ একেবাৰে উভালি পেলাব পাৰিব বুলি নকওঁ আৰু নাভাবোও। কাৰণ দুৰ্নীতি আমাৰ সমাজখনৰে এটা সাধাৰণ সংস্কৃতিত পৰিণত হৈছে আৰু চৰকাৰ তথা প্ৰশাসন চলোৱা মানুহবোৰ সেই একেখন সমাজৰে মানুহ আৰু সেই একেটা সংস্কৃতিৰেই পৰিপুষ্ট। কিন্তু ডঃ শৰ্মাই বিচাৰিলে প্ৰশাসনিক সংস্কাৰ আন্দোলনটোক নতুন গতিবেগ দিব পাৰে।

সমূহীয়া মানুহে চৰকাৰখনৰ পৰা সমূহীয়া উন্নয়নমূলক কাম-কাজবোৰ বিচাৰে; যেনে ৰাস্তা-ঘাটৰ উন্নয়ন, শিক্ষা আৰু স্বাস্থ্য সেৱাৰ সুষম প্ৰসাৰণ, খোৱাপানীৰ যোগান, জলসিঞ্চন ব্যৱস্থাৰ প্ৰসাৰণ তথা সবলীকৰণ, উদ্যোগ আৰু ব্যৱসায়-বাণিজ্যৰ সম্প্ৰসাৰণ, সকলোবোৰ চৰকাৰী আঁচনিৰে যথাযথ ৰূপায়ণ, বান-গৰাখহনীয়াৰ নিয়ন্ত্ৰণ, বয়বস্তুৰ মূল্য নিয়ন্ত্ৰণ, সমাজৰ শান্তি-শৃংখলা, কৰ্মসংস্থানৰ সুযোগ-সুবিধা ইত্যাদি; কিন্তু প্ৰত্যেকজন ব্যক্তিৰে কেতবোৰ ব্যক্তিগত কাম থাকে যিবোৰৰ বাবে তেওঁ কোনো নহয় কোনো এটা সময়ত কোনো এটা চৰকাৰী বিভাগৰ কাৰ্যালয়লৈ আবেদন এটা লৈ যাবলগীয়া হয়। চৰকাৰখনৰ প্ৰতি তেওঁৰ মনোভাৱ ভাল বা বেয়া হোৱাৰ ক্ষণ সেইটোৱেই। চৰকাৰী কাৰ্যালয়টোৰ বিষয়া-কৰ্মচাৰীয়ে যদি সহায় বা ন্যায় বিচাৰি যোৱা মানুহজনৰ আবেদনৰ প্ৰতি প্ৰয়োজনীয় সঁহাৰি জনায় আৰু তেওঁৰ



অসবৰ্ণ
হীৰেন গগৈ

কামটো আন্তৰিকতাৰে, সময়মতে আৰু বিনা খাতিৰে কৰি দিয়ে, আবেদনকাৰী মানুহজনৰ বাবে তাতোকৈ সন্তুষ্টিৰ কথা আৰু একো নাথাকে। আৰু যদি তাৰ ওলোটাটোহে ঘটে, তেওঁৰ মন স্বাভাৱিকভাৱেই ভৰি পৰিব খং আৰু বিৰক্তিৰেহে। চৰকাৰখনৰ প্ৰতি সমাজৰ ব্যক্তিসকলৰ ব্যক্তিগত অভিজ্ঞতা আৰু ধাৰণাবোৰ তেনেকৈয়ে গঢ় লৈ উঠে আৰু তাৰ প্ৰতিফলন বহুলাংশে ঘটে ভোটদানৰ সময়ত।

বিভিন্ন বিভাগীয় কাৰ্যালয়বোৰেই চৰকাৰখনৰ স্বৰূপটো ৰাইজৰ আগত তুলি ধৰি থাকে। চৰকাৰখন প্ৰকৃততে জনহিতৈষী, দক্ষ আৰু কৰ্মক্ষম হয় নে নহয়, তাৰ প্ৰমাণ দি থাকে কাৰ্যালয়বোৰেই। সেয়ে চৰকাৰৰ প্ৰশাসনিক সংস্কাৰৰ প্ৰতিফলন প্ৰতিটো বিভাগৰে কাৰ্যালয়বোৰত ৰাইজে দেখা পাব আৰু অনুভৱ কৰিব পাৰিব লাগিব।

কংগ্ৰেছৰ আমোলতেই চৰকাৰী বিভাগবোৰৰ বিষয়া-কৰ্মচাৰীসকলৰ মাজত এটা আপদীয়া সংস্কৃতিয়ে গঢ় লৈছিল। আপদীয়া আছিল এই অৰ্থতেই যে কাৰ্যালয়বোৰলৈ কাম লৈ যোৱা দৰ্শনাৰ্থীসকলৰ বাবে বিষয়া-কৰ্মচাৰীসকল একো একোটা আপদ বুলিয়েই চিহ্নিত হৈছিল। তেতিয়া চৰকাৰী কৰ্মচাৰীসকলৰ মাজত প্ৰচলন হ'বলৈ ধৰা নতুন, অলিখিত নিয়মটো আছিল এনেধৰণৰ— বিষয়া-কৰ্মচাৰীসকলে যে কষ্ট কৰি কাৰ্যালয়লৈ আহি ছয়-সাত ঘণ্টা সময় দিবলগীয়া হয়, তাৰ বিনিময়ত চৰকাৰে তেওঁলোকক দৰমহা দিয়ে। তেওঁলোকৰ দৰমহা ৰাইজৰ সেৱাৰ বাবে নহয়। সেয়ে বাহিৰা লোকসকলে বিষয়া-কৰ্মচাৰীসকলৰ পৰা কাম পাবলৈ হ'লে কামৰ বিনিময়ত মাননি বা পাৰিশ্ৰমিক দিবই লাগিব। ভুক্তভোগী সকলোৱে জানে, সেই নিয়ম চৰকাৰী কাৰ্যালয়বোৰত কিমান নিয়াৰিকৈ পালন কৰাও হৈছিল। সেয়ে এতিয়াৰ চৰকাৰখনে প্ৰশাসনিক সংস্কাৰৰ কথা যদি সঁচাকৈ ভাবিছেই, তেনেহ'লে কংগ্ৰেছ আমোলৰ পৰা চৰকাৰী কাৰ্যালয়বোৰত প্ৰচলিত হৈ অহা সেই আপদীয়া সংস্কৃতিটোক বিষয়া-কৰ্মচাৰীসকলৰ পৰা ছলে-বলে বিতাড়ন কৰাৰ ব্যৱস্থা কৰিব লাগিব।

চৰকাৰী কাৰ্যালয়বোৰৰ বা বিভাগবোৰৰ প্ৰতিষ্ঠানিক খা-খৰচ আৰু আঁচনিবোৰৰ ৰূপায়ণৰ নামত চৰকাৰী ধনৰ প্ৰচুৰ অপব্যয় আৰু হৰলুকি হৈ থাকে। কাৰ্যালয়ৰ সামগ্ৰী আৰু সুবিধাবোৰৰ অপব্যৱহাৰৰ উপৰি প্ৰধানকৈ ভুৱা বিল আৰু কমিছনৰ ভাগ-বাটোৱাৰাৰ জৰিয়তে দুৰ্নীতি চলি থাকে। সেই দুৰ্নীতিয়ে চৰকাৰী ধনৰ অপচয় ঘটায় আৰু ৰাজহুৱা কাম-কাজবোৰ ক্ষতিগ্ৰস্ত কৰে। চৰকাৰে নিজৰ বিভাগীয় কাৰ্যালয়বোৰ কৰ্মক্ষম কৰিবলৈ হ'লে প্ৰতিষ্ঠানিক খৰচৰ নামত চলা অপব্যয়বোৰ বন্ধ কৰিব লাগিব আৰু বিষয়া-কৰ্মচাৰীসকলৰ কুকৰ্ম আৰু আচাৰ-আচৰণবোৰৰ ওপৰত কঢ়া নজৰ ৰখাৰ ব্যৱস্থা কৰিব লাগিব। এনেবোৰ দুৰ্নীতিয়ে অৱশ্যে ব্যক্তিগতভাৱে আৰু প্ৰত্যক্ষৰূপত কাকো নুচুৰে বা অসুবিধাত নেপেলায়। ক্ষতি হয় সমাজখনৰ, সমষ্টিৰহে; কিন্তু

> **বিভিন্ন বিভাগীয় কাৰ্যালয়বোৰেই চৰকাৰখনৰ স্বৰূপটো ৰাইজৰ আগত তুলি ধৰি থাকে। চৰকাৰখন প্ৰকৃততে জনহিতৈষী, দক্ষ আৰু কৰ্মক্ষম হয় নে নহয়, তাৰ প্ৰমাণ দি থাকে কাৰ্যালয়বোৰেই।**

কোনো কামৰ বাবে চৰকাৰী বিষয়া বা কৰ্মচাৰীক ঘোচ-ঘাচ দিবলগীয়া হ'লে মানুহৰ ব্যক্তিগত আৰু তাৎক্ষণিক ক্ষতি হয় আৰু তেনে ক্ষতিগ্ৰস্ত লোকসকল তাৎক্ষণিকভাৱে ক্ষুব্ধ বা বিৰক্তও হ'ব পাৰে। সোনকালে কাম আদায় কৰিবলৈ বিষয়া-কৰ্মচাৰীক ঘোচ দিবলৈ ভাল পোৱা, আৰ্থিকভাৱে স্বচ্ছল মানুহো নিশ্চয় আছে। তেওঁলোকেও ঘোচ দিয়া-লোৱা ব্যৱস্থাটোক সচল আৰু প্ৰাসংগিক কৰি ৰাখিছে। এনে লোকসকলৰো কিছুমানৰ বাবে দালাল বা মধ্যভোগীৰ প্ৰয়োজন হয় যিসকলে বিষয়া-কৰ্মচাৰীৰ স'তে বুজাবুজি কৰি আবেদনকাৰীৰ 'কামবোৰ' সহজতে আদায় কৰি দিয়ে।

কিন্তু দালালৰাজৰ আচল স্ৰষ্টা আৰু পৃষ্ঠপোষক হৈছে চৰকাৰী বিষয়া কৰ্মচাৰীসকলহে। তেওঁলোকে প্ৰশ্ৰয়- দিয়ে বাবেই দালালসকল বৰ্তি থাকে আৰু প্ৰশাসনিক ব্যৱস্থাটোৰ স'তে জড়িত হৈ প্ৰভাৱশালী হৈ উঠে। দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীসকলৰ বাবেও দালালসকল এৰাব নোৱাৰা হৈ পৰে— নিৰাপদে ঘোচ লোৱা আৰু ঘোচৰ জালখন বহলাই নিয়াৰ স্বাৰ্থত। দালালসকলে দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীসকলৰ বাবে কেৱল ঘোচ সংগ্ৰহেই নকৰে, ঘোচ দিয়াৰ বাবে আন বিভিন্নজনক প্ৰৰোচিত বা উৎসাহিত কৰিও থাকে।

সেয়ে চৰকাৰৰ দালাল-দমনৰ অভিযান কেতিয়াও সাৰ্থক আৰু সম্পূৰ্ণ নহ'ব, যদিহে দালালক প্ৰশ্ৰয় দিয়া দুৰ্নীতিগ্ৰস্ত চৰকাৰী বিষয়া আৰু কৰ্মচাৰীসকলক চিনাক্ত কৰি শাস্তি দানৰ ব্যৱস্থা কৰিব নোৱাৰে। আজিৰ দিনটোলৈকে সেই দিশত চৰকাৰে কিবা ব্যৱস্থা কৰিছে বুলি শুনা নাই; কিন্তু কামটো কৰিব লাগিব। ইতিমধ্যে যিসকল দালালক আটক কৰা হৈছে সেই সকলৰ পৰাই তেওঁলোকক প্ৰশ্ৰয় দিয়া চৰকাৰী বিষয়া আৰু কৰ্মচাৰীসকলৰ নাম সংগ্ৰহ কৰাটো আৰক্ষীৰ বাবে অকণো টান কাম নহ'ব। চৰকাৰখনৰ; বিশেষকৈ মুখ্যমন্ত্ৰীজনৰ সদিচ্ছা আৰু দৃঢ়তা থাকিলেই হ'ল।

এইটোও সঁচা যে দুৰ্নীতিৰ শিপাডাল কেৱল চৰকাৰী বিষয়া-কৰ্মচাৰীতে শেষ হোৱা নাই। বহু ক্ষেত্ৰত বিভাগীয় মন্ত্ৰীসকলেও বিভাগীয় আৰু দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীসকলৰ পৰা ঘোচৰ অংশ লয় বা পায় আৰু তেনে বিষয়া-কৰ্মচাৰীসকলক ৰক্ষণা-বেক্ষণ দি থাকে। দালালৰ লগতো তেওঁলোকৰ সম্পৰ্ক থাকে। ডঃ শৰ্মাৰ মন্ত্ৰীসভাতো তেনে মন্ত্ৰী নিশ্চয় আছে। সেইসকলক নিয়ন্ত্ৰণ আৰু শোধন কৰাটো মুখ্যমন্ত্ৰীজনৰ বাবে এতিয়া আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। ডঃ শৰ্মাই চৰকাৰী কৰ্মচাৰীসকলক পাঁচটা বছৰ সেৱাৰ মনোভাৱেৰে কাম কৰিবলৈ আহ্বান জনাইছে; কিন্তু তাৰ আগতে তেওঁ নিজৰ মন্ত্ৰীসকলক সেৱাৰ মন্ত্ৰেৰে দীক্ষিত কৰক আৰু কোনো ধৰণৰ দুৰ্নীতিক প্ৰশ্ৰয় নিদিবলৈ উদ্বুদ্ধ বা বাধ্য কৰক। চৰকাৰী বিভাগবোৰ আৰু বিষয়া-কৰ্মচাৰীসকল নিজে নিজে লাইনলৈ আহি যাব। তেতিয়া চৰকাৰী ধনবোৰৰ অপচয় ৰোধ হ'ব, উন্নয়নৰ কাম-কাজবোৰৰ গতিও বাঢ়িব আৰু সৰ্বসাধাৰণ ৰাইজেও চৰকাৰী কাৰ্যালয়বোৰৰ পৰা প্ৰাপ্য ন্যায় সময়মতে আৰু বিনা খাতিৰে পাই থাকিব। তেতিয়াহে অসমখন দেশৰ ভিতৰতে এখন উন্নত ৰাজ্যত পৰিণত হ'বগৈ।

মুখ্যমন্ত্ৰী ডাঙৰীয়া, সংস্কাৰৰ জালখন ৰৌ-বৰালি ধৰিব পৰাকৈ গুঁঠি লওক। ৰাইজে সজ সজ বুলি আশীৰ্বাদ দিব।

ফোন ঃ ৫৮৮১১৮২৭৪৩২

## খোলা মঞ্চ

# ৭৫ বছৰীয়া স্বাধীনতাই আমাক কি দিলে?



**জাতিৰ** পিতা মহামানৱ মহাত্মা গান্ধী আৰু কাশ্মীৰ-কন্যাকুমাৰী আৰু কচ্ছ-শদিয়া আগুৰি দেশক স্বাধীন কৰাৰ বাবে তেওঁৰ দেশপ্ৰেমিক-স্বাধীনতা সংগ্ৰামী সহকৰ্মী এদলৰ বাক্যুদ্ধ-সংগ্ৰামৰ বিনিময়ত ১৯৪৭ ৰ ১৫ আগষ্টৰ এই মহান দিনটোতে ভাৰতী আয়ে ব্ৰিটিছৰ বাহুবন্ধনৰ পৰা মুক্তি লাভ কৰে। অৱশ্যে গান্ধীজীৰ অনুগামীসকলৰ ক্ষমতাৰ লোভৰ বাবে তেতিয়া ভাৰত অখণ্ড হৈ নাথাকি হিন্দুস্থান আৰু পাকিস্তান হিচাপে দ্বিখণ্ডিত হোৱাৰ ফলত সৃষ্টি হোৱা অশান্তি, নিজৰ ঘৰবাৰী এৰি আচহুৱা স্থানত থিতাপি ল'ব লগা হোৱাত যি বিননিৰ ৰোল উঠে সেই পৰিস্থিতিৰ ভুক্তভোগী মাত্ৰেই জানে— ইতিহাসেও সেই কৰুণ অধ্যায়ৰ চানেকি বহন কৰে।

এনে বিভীষিকাময় পৰিস্থিতিৰ উদ্ভৱ হ'ব বুলি দূৰদ্ৰষ্টা বাপুজীয়ে সম্ভৱতঃ আগধৰি জানিছিল আৰু তেওঁ জিন্না-নেহৰুক ভাৰত বিভাজন নকৰিবলৈ দহোকুৰি বুজাইছিল। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰেও সম্ভৱতঃ তেওঁৰ তীক্ষ্ণ অনুভূতিৰে মানুহৰ হৃদয়ৰ বতৰা লাভ কৰি 'ভাৰতবাসী তেতিয়াও স্বাধীনতা লাভ কৰিবলৈ যোগ্যতা অৰ্জন কৰা নাই' বুলি বাপুজীক সোঁৱৰাই দিছিল। আনকি তেতিয়াৰ ভাৰতৰ 'সোঁ' পন্থীসকলৰ চিন্তা- আদৰ্শ-কৰ্মক হকে-বিহকে বিৰোধিতা কৰি অহা চীনপ্ৰেমী-'বাম' পন্থীসকলেও 'ইয়ে আজাদী জুথা হ্যায়' বুলি তিৰ্যক মন্তব্য কৰিছিল।

**প্ৰমোদ কাকতি,** *লেখক*

প্ৰত্যক্ষ বা পৰোক্ষভাৱে ভাৰতৰ স্বাধীনতা বিৰোধী ব্যক্তি-সংগঠনৰ যুক্তি অৱশ্যে তেতিয়াৰ পৰিপ্ৰেক্ষিতত একেবাৰে পেলনীয়া নাছিল। শিক্ষা, স্বাস্থ্য, যোগাযোগ, মানুহৰ জীৱন ধাৰণৰ পদ্ধতি আৰু অৰ্থনৈতিক দিশত আমাৰ দেশ তেনেই অনগ্ৰসৰ আছিল আৰু অন্তৰ্কলহৰ মাজত দেশত সুশাসন প্ৰৱৰ্তন কৰাটো কষ্টসাধ্য আছিল। তথাপি নেহৰু-পেটেল যুতিয়ে বিভিন্ন অভাৱ মোচন কৰি দেশৰ জনসাধাৰণৰ জীৱনৰ মান যথাসম্ভৱ উন্নত কৰাৰ বাবে সেৱাৰ মনোভাবেৰে নিজকে আত্মনিয়োগ কৰে। সীমাহীন অভাৱ-আহুকালৰ মাজেৰে প্ৰগতিশীল দেশ হিচাপে পৰুৱাৰ গতিৰে অগ্ৰগতিৰ দিশত আগুৱাব ধৰে।

ভাৰতৰ বাকী অংশৰ তুলনাত অসমৰ ভৌগোলিক আৰু ৰাজনৈতিক দৃশ্যপট একে বুলিব নোৱাৰি। অসম বা পূৰ্বাঞ্চলৰ চৌদিশে বিদেশী ৰাষ্ট্ৰ অৰ্থাৎ আন্তঃৰাষ্ট্ৰীয় সীমাৰ দ্বাৰা ৰাজ্যখন আবৃত্ত। গতিকে স্বাধীনতাৰ আগতো, ভাৰত বিভাজনৰ পাছতো আনকি বাংলাদেশ গঠন হোৱাৰ আগে-পাছেও ভগনীয়াৰ সোঁত অসমলৈ অব্যাহত গতিত চলি থাকে।

এনেদৰে অসমৰ জনগাঁথনিত প্ৰভাৱ পৰে। থলুৱাতকৈ বিদেশীমূলীয় লোকৰ জনসংখ্যাই অসমৰ ৰাজনীতিত প্ৰভাৱ বিস্তাৰ কৰে। সেই দেখি খাদ্যত স্বাৱলম্বী আগৰ অসমত উৎপাদিত খাদ্যৰে নোজোৰা হ'ল। জনসংখ্যা বৃদ্ধিৰ ফলত কৃষিভূমিও কমি আহিল।

গতিকে ভাৰতে স্বাধীনতা লাভ কৰা সূত্ৰে অসমে স্বাধীন হ'ল যদিও দেশৰ বাকী ৰাজ্যসমূহে লাভ কৰা সুফলৰ পৰা অসম বাৰুকৈয়ে বঞ্চিত। অসমৰ মানুহো দিনক দিনে এলেহুৱা আৰু কৰ্মবিমুখ হৈছে। আন্দোলন কৰা আৰু পৰমুখাপেক্ষী স্বভাৱ গঢ়ি তোলাৰ সলনি অসমৰ লোক সজাগ হোৱাৰ সময় হ'ল। নিজৰ ভাষা-সংস্কৃতি ৰক্ষা কৰি, সামাজিক গাঁথনি নিজৰ হাতত ৰাখি, অৰ্থনৈতিক বুনিয়াদ গঢ়ি শিক্ষা-স্বাস্থ্য-যোগাযোগ ব্যৱস্থাৰ সুগম কৰিলেহে অসমৰ উন্নতি হ'ব। ঔদ্যোগিক বিকাশ হ'লে নিবনুৱা সমস্যা শাম কাটিব আৰু অসমৰ লোকৰ জীৱনৰ মান উন্নত হ'ব। তেতিয়াহে ৭৫ বছৰীয়া স্বাধীনতাৰ সোৱাদ প্ৰকৃতপক্ষে অসমবাসীয়ে পালে বুলি ভাবিব পাৰিব।

ফোন ঃ ৯৪৩৫৫৫৮০১৩

# 'কৃষ্ণ বন্দনাকাৰী' খাজা হাছান নিজামী পৰম্পৰা ভংগ কৰি ৰচিছিল 'কৃষ্ণ কথা'



শ্ৰীকৃষ্ণ আছিল এজন মহৎ লোক। যিজনে ভাৰতবাসীক আধ্যাত্মিকতাৰ গোপনীয়তা আৰু পাৰ্থিৱ পৃথিৱীৰ বিষয়ে শিক্ষা দিছিল। তেওঁ হিন্দুসকলক শৃংখলাবদ্ধ কৰি ভাৰত ৰাষ্ট্ৰ গঠন কৰিছিল। সেয়ে হিন্দুসকল এই মহান জাতিৰ এটা অংশ। শ্ৰীকৃষ্ণ যদিও মানুহ আছিল তেওঁ পয়গম্বৰ নবী সদৃশ আছিল।

**খাজা** হাছান নিজামী। প্ৰখ্যাত উৰ্দু সাহিত্যিক তথা চুফীবাদী নিজামীৰ জন্ম হৈছিল অবিভক্ত ভাৰতৰ দিল্লীত ১৮৭৮ৰ ছয় জানুৱাৰীত। চুফী চিস্তি তৰিকাৰ নিজামী আছিল ছিয়া সম্প্ৰদায়ৰ লোক। প্ৰখ্যাত উৰ্দু সাহিত্যিকজনে ৬০ খনতকৈ অধিক গ্ৰন্থ লিখিছিল। ইয়াৰে সৰ্বাধিক লেখা 'মুখজুন আখৰৰ' নামৰ আলোচনীখনত প্ৰকাশ পাইছিল। আনহাতে, ১৮৫৭ৰ চিপাহী বিদ্ৰোহৰ ওপৰত লেখা বিখ্যাত গ্ৰন্থখন ঐতিহাসিক সমলেৰে ভৰপূৰ যিখন অমূল্য বুলি বিবেচিত হৈছে বৌদ্ধিক মহলত। ১৯৫৫ৰ ৩১ জুলাইত মৃত্যু হোৱা নিজামী আছিল অবিভক্ত ভাৰতৰ সমৰ্থক। হিন্দু-মুছলমানৰ জয়গান গোৱা নিজামীয়ে মাথোঁ সেয়াই নহয় পৰম্পৰা ভংগ কৰি ভগৱান শ্ৰীকৃষ্ণৰ বন্দনা কৰিছিল। উল্লেখ্য যে খাজা নিজামী শ্ৰীকৃষ্ণৰ বন্দনা গোৱা শ্ৰীকৃষ্ণৰ গুণানুকীৰ্তন কৰা মুছলমান লেখক নাছিল। ইয়াৰ পূৰ্বে বিখ্যাত পৰ্যটক তথা লেখক আল বেৰুণীয়ে লিখিছিল যে মহম্মদ গজনবীয়ে তেওঁৰ কাৰ্যকালত মুদ্ৰাত হজৰত মহম্মদ (ছঃ)ৰ ঠাইত 'অৱতাৰ' শব্দ ব্যৱহাৰ কৰিছিল। একেদৰে 'মাজহাৰ জান-ই জান (১৬৮৯-১৭৮১)ৰ দৰে বহু ইছলামিক পণ্ডিতে যুক্তি দিছিল যে ভাৰত উপ মহাদেশত জন্মলাভ কৰা ৰাম শ্ৰীকৃষ্ণকে ধৰি অন্যান্য 'অৱতাৰ' সকল আচলতে সৃষ্টিকৰ্তাৰ দ্বাৰা প্ৰেৰিত 'নবী' আছিল। সেয়েহে তেওঁলোকৰ শিক্ষা তথা আদৰ্শক সন্মান কৰা উচিত। তেওঁলোকৰ মতে ৰাম-শ্ৰীকৃষ্ণৰ প্ৰশংসা কৰাটো নিন্দনীয় হ'ব নোৱাৰে।

তদুপৰি মধ্যযুগতো বহু মুছলিম লেখক-পণ্ডিত-সাধুৱে হিন্দুধৰ্মৰ ভগৱান শ্ৰীকৃষ্ণক প্ৰশংসা কৰিছিল। তেওঁলোকৰ ভিতৰত ৰহিম, হাফিজ জলন্ধৰী হাসৰাত মোহানি, ইবমে-ই-ইনশা, ঈনশাআল্লাহ খান ইনশা, পাৰবীন চাকিৰ প্ৰমুখ্যে বহুকেইজন বিখ্যাত মুছলিম লেখকে ৰাধা-কৃষ্ণৰ প্ৰেম, ভক্তি-সৌন্দৰ্য আদিৰ বৰ্ণনা কৰাৰ লগতে শ্ৰীকৃষ্ণক ভাৰতৰ আধ্যাত্মিক আৰু ৰাজনৈতিক নেতাৰূপে বিবেচনা কৰিছিল।

সেই একেদৰে খাজা হাছান নিজামীয়ে ভাৰত বিভাজনক লৈ দেশ উত্তাল হৈ থকাৰ সময়তে ১৯২৩ ত লিখিছিল 'কৃষ্ণ কথা' নামৰ গ্ৰন্থখন। বিশিষ্ট ইছলামী পণ্ডিত, লেখক তথা ধৰ্ম প্ৰচাৰক নিজামীয়ে অমুছলিমসকলৰ মাজত ইছলামৰ বাৰ্তা দিয়াৰ বাবে কে'বাখনো গ্ৰন্থ লিখিছিল। কিন্তু ইয়াৰ পাছতো নিজামীৰ দৰে এজন মুছলিম ধৰ্মীয় নেতাই শ্ৰীকৃষ্ণৰ প্ৰশংসা কৰি গ্ৰন্থ লিখিছিল। সকলোকে অবাক কৰি তেওঁ লিখিছিল— 'সকলোৱে ঐতিহাসিক আত্মজীৱনী আৰু গল্প শুনে। আমি এগৰাকী ভাৰতীয় ভগৱান শ্ৰীকৃষ্ণৰ কাহিনী বৰ্ণনা কৰিছো। যিয়ে

**চাহাবুদ্দিন আহমেদ**

ভাৰতীয়সকলক জীৱনবোধ শিকাইছিল। যিয়ে এই পৃথিৱীৰ প্ৰকৃত ছবিখন আঁকিছিল। ইয়াৰ জৰিয়তে ভাৰতীয়সকলে নিজৰ দেহৰ আৰু আত্মাৰ পথ বিচাৰি পাইছিল বা বুজিছিল।'

আনহাতে, শ্ৰীকৃষ্ণৰ জন্মৰ বিৱৰণ সন্দৰ্ভত তেওঁ লিখিছিল— 'সময় আহি উপস্থিত। অন্ধকাৰ ৰাতিৰ মাজত পোহৰ দেখা দিছে। বৰষুণৰ নিশা মথুৰাৰ দীৰ্ঘ সময়ক আলিংগন কৰিছে। বিজুলীসহ ক'লা মেঘ পঠিওৱা হৈছে। কৃষ্ণ জন্মৰ বাৰ্তাৰ বাবে বৰষুণৰ লগতে বজ্ৰপাত দিছে। আনহাতে, তেওঁ লিখিছিল— 'আজি সেই প্ৰধান সেনাপতি, সেনাবাহিনীৰ প্ৰধান তথা ভাৰতৰ সামৰিক নেতাৰ আগমন, যাৰ বাহিনী বিজয়ী হৈ ঘূৰি আহিছে। যিজন ভাৰতীয় উপমহাদেশৰ প্ৰথম আৰু প্ৰধান নেতা। আজি তেওঁ চকু মেলি দিছে পৃথিৱী আৰু আকাশ চোৱাৰ বাবে। তেওঁ ব্যক্তিগতভাৱে, সুখ-দুখৰ জীৱনকালত আৰু মৃত্যুৰ সময়ত ভাৰতীয়সকলক সান্ত্বনা দিয়ে।' কৃষ্ণ জ্যেষ্ঠসকলৰ নেতা আৰু শিশুসকলৰ প্ৰিয় বুলি উল্লেখ কৰি তেওঁ 'চয়তান' কংসৰ পৰা বচাবলৈ বসুদেৱে কিদৰে পলায়ন কৰিছিল, বসুদেৱৰ কাহিনীত তেওঁ আধুনিক অতিপ্ৰাকৃত কাৰ্যক মানি লোৱাত প্ৰশ্নই উঠিব নোৱাৰে বুলি উল্লেখ কৰিছিল। চুফী সাধকজনৰ মতে 'আচলতে শ্ৰীকৃষ্ণ আছিল প্ৰেৰিত ৰক্ষা কৰ্তা আৰু চেষনাগ আছিল চয়তান। একেদৰে যমুনাৰ সোঁতত বসুদেৱে পুত্ৰ কৃষ্ণক উটুৱাই দিয়া, যশোদাই কৃষ্ণক টোপনি নিয়াবলৈ গোৱা নিচুকনি গীত সন্দৰ্ভত বৰ্ণনা কৰি কৈছে— 'ভাৰতৰ স্পষ্ট অৰ্থাৎ প্ৰকাশ্য আৰু গোপন ৰজা এগৰাকী দৰিদ্ৰ মহিলাৰ ঘৰত ডাঙৰ-দীঘল হৈছে।' প্ৰখ্যাত উৰ্দু সাহিত্যিক নিজামীৰ মতে- 'দৰিদ্ৰৰ হৃদয় —বিশুদ্ধ আৰু তেওঁ আল্লাহৰ মনোনীত। হৃদয় বিশুদ্ধ অৰ্থাৎ অন্তৰ শুদ্ধ আৰু আল্লাহৰ মনোনীত লোকক হালিমা, যশোদাৰ দৰে একোগৰাকী ধৈৰ্যশীল, মাতৃৰ হাতত ডাঙৰ-দীঘল হয়।' উল্লেখ্য যে ইছলাম ধৰ্মৰ প্ৰৱৰ্তক হজৰত মহম্মদ (ছঃ)ৰ পালিত মাতৃ আছিল হালিমা।

শ্ৰীকৃষ্ণৰ মহত্ত্বত ভাৰতৰ ঐতিহ্য লুকাই আছে বুলি উল্লেখ কৰি চুফীবাদী নিজামীয়ে কৈছিল—'শ্ৰীকৃষ্ণক অৱতাৰ বুলি গণ্য কৰা হয় আৰু গীতাৰ লেখকগৰাকীয়ে ভাৰতীয় সকললৈ সন্মান কঢ়িয়াই আনিছে। সেয়েহে তেওঁৰ স্থানক লৈ অযথা বিতৰ্ক বা সন্মান হানি কৰিব নালাগে।' উল্লেখ্য যে ১৬ শতিকাত মুছলিম কবি ৰাখনে আৰম্ভ কৰা এই পৰম্পৰা পাছত আনসকলেও আৰম্ভ কৰিছিল। খাজা নিজামীৰ পূৰ্বে বহু ভাৰতীয় মুছলিম দাৰ্শনিক, চিন্তাবিদ আনকি মুছলিম সাধুৱে অব্যাহত ৰাখিছিল। সেয়েহে ভাৰতত স্বাধীনতা আন্দোলন অব্যাহত থকাৰ সময়তে বিশেষকৈ মহান কবি মহম্মদ ইকবালে লিখিছিল—

'য়ে আয়া-ই-নাউ, জেইল সে লাজিল হুয়েই মুজেপৰ
গীতা মে হে কুৰান, টু কুৰান মেহে গীতা।'

মহান চুফীসাধক নিজামীয়ে সেয়েহে 'কৃষ্ণকথা'ৰ পাতনিত উল্লেখ কৰিছিল— 'তেওঁ হিন্দুৰূপে নহয় এজন ভাৰতীয়ৰূপে গ্ৰন্থ লিখিছে। বিশ বছৰ ধৰি তেওঁ হিন্দুসকলৰ বিষয়ে অধ্যয়ন কৰিছিল। তাৰ পাছতহে গ্ৰন্থখন লিখিছে।' তেওঁৰ মতে শ্ৰীকৃষ্ণ আছিল এজন মহৎ লোক। যিজনে ভাৰতবাসীক আধ্যাত্মিকতাৰ গোপনীয়তা আৰু পাৰ্থিৱ পৃথিৱীৰ বিষয়ে শিক্ষা দিছিল। তেওঁ হিন্দুসকলক শৃংখলাবদ্ধ কৰি ভাৰত ৰাষ্ট্ৰ গঠন কৰিছিল। সেয়ে হিন্দুসকল এই মহান জাতিৰ এটা অংশ। শ্ৰীকৃষ্ণ যদিও মানুহ আছিল তেওঁ পয়গম্বৰ নবী সদৃশ আছিল।

প্ৰায় ৬০ খন গ্ৰন্থ লেখা খাজা হাছান নিজামী আছিল সকলোৰে ধৰ্ম-বিশ্বাসক সন্মান জনোৱা ব্যক্তি। তেওঁৰ মতে হিন্দু, মুছলিম, জৈন, বৌদ্ধ, শিখ, খ্ৰীষ্টান প্ৰত্যেক ধৰ্মৰ বিশ্বাসক সন্মান জনোৱা উচিত। নিজামীৰ এই মহান আদৰ্শ তথা এজন মুছলমান হৈও শ্ৰীকৃষ্ণ বন্দনা নিশ্চয় শলাগিবলগীয়া।

ফোন ঃ ৮৪৮৬২৯৯২৫১

# চিকিৎসালয়ৰ পৰা লোকপ্ৰিয়ৰ নাম বাদ কিয়?

## অভিমত

**অসম** চৰকাৰে প্ৰতি দুবছৰৰ মূৰে মূৰে ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নামত দেশৰ একোজন বিশিষ্ট ব্যক্তি বা সংস্থাক বঁটা প্ৰদানৰ যি ঘোষণা কৰিছে নিঃসন্দেহে আদৰণীয়; কিন্তু একে সময়তে এইগৰাকী মহান ব্যক্তিৰ নামত থকা তিনিচুকীয়াৰ অসামৰিক চিকিৎসালয়খনৰ পৰা ৰহস্যজনকভাৱে লোকপ্ৰিয় গোপীনাথ বৰদলৈ নামটো বাদ দি সন্মুখত দুখনকৈ বৃহৎ ফলক লগোৱা হ'ল। অথচ তিনিচুকীয়াৰ বৰদলৈ নগৰত থকা এই অসামৰিক চিকিৎসালয়খন নতুন ভৱনলৈ অনাৰ পৰা অৰ্থাৎ যোৱা ৩০ বছৰে চিকিৎসালয়খনৰ নাম লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয় বুলিয়েই জানি আহিছে। ইংৰাজীত এল জি বি চিভিল হাস্পতাল বুলিয়ে সকলোতে উল্লেখ কৰা হৈ আহিছে। আনকি চিকিৎসকে দিয়া ব্যৱস্থাপত্ৰৰ ওপৰত এল জি বি চিভিল হাস্পতাল বুলিয়ে লিখা আছে। গুৰুত্বপূৰ্ণ কথাটো হ'ল চিকিৎসালয়খনৰ সন্মুখত বৰদলৈৰ এটি আৱক্ষ মূৰ্তি আছে যিটো মূৰ্তি ২০০৮ৰ আঠ আগষ্টত তেতিয়াৰ স্বাস্থ্যমন্ত্ৰী (বৰ্তমান মুখ্যমন্ত্ৰী) ডঃ হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে উন্মোচন কৰিছিল। আনহাতে, পৌৰ সভাৰ তথ্য মতে চিকিৎসালয়খন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নামতে আছে; কিন্তু হঠাৎ লোকপ্ৰিয়ৰ নাম কিয় বাদ দিয়া হ'ল জনা নগ'ল। চিকিৎসালয়খনৰ অধীক্ষকৰ মতে স্বাস্থ্য বিভাগত এতিয়াও চিকিৎসালয়খনৰ নাম তিনিচুকীয়া অসামৰিক চিকিৎসালয় বুলিয়ে আছে হেনো। যদি এয়ে হয় ইমানদিনে চিকিৎসালয়খন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নামত চলি আছিল কেনেকৈ? চিকিৎসালয়খনৰ সন্মুখত বৰদলৈৰ মূৰ্তি তেতিয়াৰ স্বাস্থ্যমন্ত্ৰীয়ে উন্মোচন কৰিছিল কেনেকৈ? বিষয়টো মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিলো।

**অমূল্য খাটনিয়াৰ**
তিনিচুকীয়া
ফোন ঃ ৭০৮৬৩১৭৭২২



## এইবাৰ দাড়ি কটাত নিষেধাজ্ঞা তালিবানৰ

**নিউজ ব্যুৰ', কাবুল, ২৭ ছেপ্টেম্বৰ ঃ** চৰিত্ৰ সলনি হোৱা নাই তালিবানৰ। আফগানিস্তানৰ ক্ষমতা দখলৰ পাছত হেলমণ্ড প্ৰদেশত নতুন ফটোৱা জাৰি কৰিলে তালিবানে। জেহাদী সংগঠনটোৱে ঘোষণা কৰা অনুসৰি, এতিয়াৰে পৰা উক্ত অঞ্চলৰ পুৰুষ বাসিন্দাই দাড়ি কাটিব নোৱাৰিব। আমেৰিকাৰ ফেশ্বনৰ আৰ্হিত আফগানসকলে দাড়ি কটাব নোৱাৰিব। মুছলমান পুৰুষসকলে এতিয়াৰে পৰা দাড়ি দীঘলকৈ ৰাখিব লাগিব। ইতিমধ্যে এই সন্দৰ্ভত তালিবানে হেলমণ্ড প্ৰদেশত খুৰকাৰসকলক এক নিৰ্দেশনা জাৰি কৰি কৈছে যে দাড়ি কটা বা চুটি কৰাটো হৈছে ইছলামবিৰোধী কাৰ্য। সেয়েহে তালিবানৰ শাসনত আফগানসকলে দীঘলকৈ দাড়ি ৰখাটো বাধ্যতামূলক বুলি এই নিৰ্দেশনাত উল্লেখ কৰা হৈছে। উল্লেখ্য যে ১৯৯৬ তো তালিবানে একে ধৰণৰ নিষেধাজ্ঞা দেশখনত জাৰি কৰিছিল।

## এদিনতে ১৬ হেজাৰ কোটিৰ আয় বৃদ্ধি আম্বানীৰ



**নিউজ ব্যুৰ', মুম্বাই, ২৭ ছেপ্টেম্বৰ ঃ** মাত্ৰ এদিনতে ১৬ হেজাৰ কোটি টকাৰো অধিক ধন উপাৰ্জন কৰিলে ভাৰতৰ সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে স্বীকৃত মুকেশ আম্বানীয়ে। ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ স্বত্বাধিকাৰী আম্বানীয়ে যোৱা বৃহস্পতিবাৰে উপাৰ্জন কৰিছিল ভাৰতীয় মুদ্ৰাত প্ৰায় ১৬,৭৬৫ কোটি টকা। ব্লুমবাৰ্গ বিলিয়নেৰ সূচক অনুসৰি, বৰ্তমানে আম্বানীৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ৯৫.৪ বিলিয়ন ডলাৰ। লগতে আম্বানীৰ প্ৰতিষ্ঠান ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ শ্বেয়াৰৰ মূল্যও প্ৰায় ২.৪৩ শতাংশ বৃদ্ধি পালে। এই শ্বেয়াৰ বৃদ্ধিয়ে হৈছে আম্বানীৰ এদিনতে মুঠ সম্পত্তিৰ পৰিমাণ বৃদ্ধিৰ অন্যতম কাৰণ। বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিৰ তালিকাত বৰ্তমানে আম্বানীৰ স্থান হৈছে ১১ সংখ্যক। সম্প্ৰতি দৈনিক আয় বৃদ্ধিৰ ক্ষেত্ৰত আম্বানীয়ে বিশ্বৰ অন্যতম ধনাঢ্য ব্যক্তি তথা উদ্যোগপতি ৱাৰেন বাফেটকো অতিক্ৰম কৰিছে। বিশ্বৰ ধনাঢ্য ব্যক্তিৰ শীৰ্ষত বৰ্তমানে আছে টেছলাৰ মুৰব্বী এলন মাস্ক। মাস্কৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ২০৪ বিলিয়ন ডলাৰ। আনহাতে, দ্বিতীয় স্থানত থকা এমেজনৰ মুৰব্বী জেফ বেজ'ছৰ সম্পত্তিৰ পৰিমাণ হৈছে ১৯৭ বিলিয়ন ডলাৰ।



## ছুইজাৰলেণ্ডত সমকামীয়ে কৰাব পাৰিব বিবাহ

**নিউজ ব্যুৰ', ডাভ'ছ, ২৭ ছেপ্টেম্বৰ ঃ** ছুইজাৰলেণ্ডৰ নাগৰিকসকলে সমকামী দম্পতিৰ বিবাহৰ প্ৰস্তাৱত এক জনমত সমীক্ষাত অনুমতি প্ৰদান কৰিলে। এই সন্দৰ্ভত অনুষ্ঠিত গণভোটত দেশখনৰ দুই-তৃতীয়াংশ ভোটদাতাই সমকামীৰ বিবাহক আইনগত স্বীকৃতি প্ৰদানৰ সপক্ষে মত প্ৰকাশ কৰে। উল্লেখ্য যে কালি দেশখনত সমকামীৰ বিবাহৰ অধিকাৰৰ সন্দৰ্ভত এই গণভোটৰ আয়োজন কৰা হৈছিল। চলিত বৰ্ষৰ আৰম্ভণিতে সমকামীৰ বিবাহৰ বিৰোধিতাৰে ছুইজাৰলেণ্ডত গণভোটৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। গণভোটত অংশ লোৱা ৬৪.১ শতাংশ ভোটদাতাই সমকামীৰ বিবাহৰ সপক্ষে আৰু ৩৬ শতাংশই বিৰুদ্ধে ভোট দিয়ে।

## পাকিস্তানত বেলুচ বিদ্ৰোহীয়ে বোমাৰে উৰুৱালে জিন্নাৰ মূৰ্তি



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৭ ছেপ্টেম্বৰ ঃ** পাকিস্তানৰ গবাদৰ চহৰত বেলুচ বিদ্ৰোহীয়ে যোৱা নিশা বোমাৰে আক্ৰমণ সংঘটিত কৰি পাকিস্তানৰ প্ৰতিষ্ঠাপক মহম্মদ আলী জিন্নাৰ এটা মূৰ্তি ধ্বংস কৰিলে। এই ঘটনাৰ দায়িত্ব ইতিমধ্যে নিষিদ্ধ ঘোষিত বেলুচ লিবাৰেচন ফ্ৰণ্টে স্বীকাৰ কৰিছে। পাকিস্তানৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, অতি সুৰক্ষিত অঞ্চল হিচাপে পৰিচিত মেৰিন ড্ৰাইভত যোৱা জুনত জিন্নাৰ উক্ত মূৰ্তিটো স্থাপন কৰা হৈছিল আৰু দেওবাৰে বেলুচ বিদ্ৰোহীয়ে উক্ত স্থানত ভয়াৱহ বিস্ফোৰণ সংঘটিত কৰি মূৰ্তিটো চূৰ্ণ-বিচূৰ্ণ কৰে। স্মৰ্তব্য যে ২০১৩ তো বেলুচ বিদ্ৰোহীয়ে জিয়াৰতত থকা জিন্নাৰ ১২১ বছৰ পুৰণি বাসগৃহত বিস্ফোৰণ সংঘটিত কৰিছিল।

## গোৱাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ফেলেৰ'ৰ কংগ্ৰেছ ত্যাগ



**নিউজ ব্যুৰ', পানাজি, ২৭ ছেপ্টেম্বৰ ঃ** গোৱা বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে এক অঘটনৰ সন্মুখীন হ'ল কংগ্ৰেছ দল। গোৱাৰ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লুইজিনহো ফেলেৰ'ৰে আজি দলত্যাগ কৰে। প্ৰাক্তন মুখ্যমন্ত্ৰীজনে কংগ্ৰেছৰ পৰা ইস্তফা দিয়াৰ পাছত তেওঁ তৃণমূল কংগ্ৰেছত যোগদান কৰিব বুলি চৰ্চিত হৈছে। অলপতে ফেলেৰ'ৰে মন্তব্য কৰি কৈছিল যে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক যথেষ্ট প্ৰত্যাহ্বান জনাবলৈ সক্ষম হৈছে। ৪০ বছৰ ধৰি কংগ্ৰেছত থকা ফেলেৰ'ৰে দলত্যাগ কৰাটো কংগ্ৰেছৰ বাবে এক মোক্ষম আঘাত বিবেচিত হৈছে।

### ক'ভিড পৰৱৰ্তী পৰিস্থিতিত দেশত ষ্টেট বেংকৰ দৰে বৃহৎ আকাৰৰ চাৰি-পাঁচটা বেংকৰ প্ৰয়োজন হৈছে

# দেশত পুনৰ বেংক সংযুক্তিকৰণৰ ইংগিত কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমনৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৭ ছেপ্টেম্বৰ ঃ** ডেৰ বছৰ পূৰ্বে দেশৰ ৰাষ্ট্ৰীয়কৃত বেংকসমূহৰ একাংশৰ সংযুক্তিকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল। ইতিমধ্যে ১০টা ৰাষ্ট্ৰীয়কৃত বেংক সংযুক্তিকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে চাৰিটালৈ হ্ৰাস কৰা হৈছে। এনে পৰিস্থিতিতে আগন্তুক দিনত দেশত পুনৰ আন কিছু বেংকৰ সংযুক্তিকৰণৰ ইংগিত দিলে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা



সীতাৰমনে। সংযুক্তিকৰণ অত্যন্ত জৰুৰী বিষয় বুলি মন্তব্য কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে কয় যে ক'ভিড পৰৱৰ্তী পৰিস্থিতিত অৰ্থনীতি আৰু উদ্যোগৰ বৰ্ধিত চাহিদা পূৰণৰ বাবে ষ্টেট বেংকৰ দৰে বৃহৎ আকাৰৰ চাৰি-পাঁচটা বেংকৰ প্ৰয়োজন হৈছে। উল্লেখ্য যে বৃহৎ বেংকৰ প্ৰয়োজনীয়তাৰ কথা প্ৰাক্তন বিত্তমন্ত্ৰী প্ৰয়াত অৰুণ জেটলীয়েও উল্লেখ কৰিছিল। ইয়াৰ পাছতে দেশত ৰাষ্ট্ৰীয়কৃত বেংকৰ একাংশৰ সংযুক্তিকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল। দেশৰ বেংক সংযুক্তিকৰণ প্ৰক্ৰিয়াটোৰ যে ইতি পৰা নাই, বিত্তমন্ত্ৰী সীতাৰমনৰ শেহতীয়া মন্তব্যই এই কথাৰে ইংগিত দিলে।

দেশৰ বাণিজ্যিক বেংকসমূহৰ সংগঠন ইণ্ডিয়ান বেংকছ এছ'চিয়েচন (আই বি এ)ৰ বাৰ্ষিক সাধাৰণ সভাত অংশ লৈ বৃহৎ বেংকৰ প্ৰয়োজনীয়তা প্ৰসংগ উল্লেখ কৰাৰ লগতে সীতাৰমনে কয় যে দেশত এতিয়াও এনে বহু জিলা আছে, যিসমূহত আৰ্থিক কাম-কাজ পৰ্যাপ্ত হোৱাৰ পাছতো এটাও বেংক নাই। এনেবোৰ অঞ্চলত বেংকৰ শাখা বা সেৱা কেন্দ্ৰ খুলিবলৈ পৰামৰ্শ দিলে কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে। যোৱা বছৰৰ এপ্ৰিলত কেন্দ্ৰীয় চৰকাৰে পঞ্জাৱ নেচনেল বেংকৰ স'তে অৰিয়েণ্টেল বেংক অৱ কমাৰ্চ আৰু ইউনাইটেড বেংকৰ সংযুক্তিকৰণ কৰিছিল। একেদৰে ছিণ্ডিকেট বেংকক কানাড়া বেংকৰ স'তে, এলাহাবাদ বেংকক ইণ্ডিয়ান বেংকৰ স'তে আৰু অন্ধ্ৰ বেংক, কৰ্প'ৰেচন বেংক অৱ ইউনিয়ন বেংকৰ স'তে সংযুক্ত কৰা হৈছিল। পূৰ্বে ষ্টেট বেংকৰ স'তে ইয়াৰ পাঁচটা অনুসাৰী বেংক আৰু ভাৰতীয় মহিলা বেংকক সংযুক্ত কৰা হৈছিল। এই সংযুক্তিকৰণ প্ৰক্ৰিয়াৰ পাছত দেশত বৰ্তমানে সাতটা বৃহৎ ৰাষ্ট্ৰীয়কৃত বেংক আৰু পাঁচটা ক্ষুদ্ৰ বেংক আছে। ২০১৭ত দেশত ৰাষ্ট্ৰীয়কৃত বেংকৰ সংখ্যা আছিল ২৭টা।



## ভাৰত বন্ধৰ মাজতে সিংঘু সীমান্তত কৃষকৰ মৃত্যু, হৃদৰোগত মৃত্যুৰ দাবী আৰক্ষীৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ ছেপ্টেম্বৰ ঃ** কৃষকৰ ভাৰত বন্ধৰ কাৰ্যসূচীৰ সময়তে দিল্লী-হাৰিয়ানাৰ সিংঘু সীমান্তত এজন প্ৰতিবাদী কৃষকৰ মৃত্যু হ'ল। অৱশ্যে দিল্লী আৰক্ষীয়ে দাবী কৰা অনুসৰি, কৃষকজনৰ হৃদৰোগৰ ফলত মৃত্যু হয়। কেন্দ্ৰীয় চৰকাৰে দেশত প্ৰৱৰ্তন কৰা তিনিখন কৃষি আইনৰ বিৰোধিতাৰে সংযুক্ত কিষাণ মৰ্চাই আজি দেশত ৪০টা কৃষক সংগঠনৰ সহযোগত ভাৰত বন্ধৰ আহ্বান জনাইছিল। কৃষক সংগঠনকেইটাই সোমবাৰে পুৱা ছবজাৰ পৰা বিয়লি চাৰি বজালৈকে ভাৰত বন্ধৰ আহ্বান জনাইছিল। অৱশ্যে এই বন্ধৰ পৰা চিকিৎসা সেৱা, ফাৰ্মাচীসহ জৰুৰীকালীন সেৱাসমূহক ৰেহাই দিয়া হৈছিল। ভাৰত বন্ধৰ আহ্বানৰ ফলত দিল্লী, হাৰিয়ানা আৰু পঞ্জাৱত আংশিক প্ৰভাৱ পৰে আৰু একাংশ অঞ্চলত ভয়াৱহ যানজঁটৰ সমস্যাই দেখা দিছিল।

## জাৰ্মানীৰ নিৰ্বাচনত পৰাজিত এঞ্জেলাৰ দল ঃ ডেৰ দশকৰ শাসনৰ অৱসান

**নিউজ ব্যুৰ', বাৰ্লিন, ২৭ ছেপ্টেম্বৰ ঃ** ১৬ বছৰীয়া ৰাজত্বৰ অৱসান ঘটিল। জাৰ্মানীৰ সাধাৰণ নিৰ্বাচনত পৰাজিত হ'ল দেশখনৰ চেঞ্চেলৰ এঞ্জেলা মৰ্কেলৰ দল। ছিৰিয়াৰ পৰা অহা শৰণাৰ্থীক আশ্ৰয়দানৰ পৰা আৰম্ভ কৰি একাধিক ইছ্যুৰ মাজতে অনুষ্ঠিত নিৰ্বাচনত ভোটাৰৰ সমৰ্থন লাভ কৰিবলৈ ব্যৰ্থ হ'ল শাসকীয় খ্ৰীষ্টিয়ান ডেম'ক্ৰেটিক ইউনিয়ন (চি ডি ইউ)। আজি নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ লগে লগে চি ডি ইউৰ শোচনীয় পৰাজয়ৰ লগতে ছ'চিয়েল ডেম'ক্ৰেটিক পাৰ্টি (এছ পি ডি)ৰ বিপুল উত্থান প্ৰত্যক্ষ হ'ল। ২০০৫ৰ পাছত এয়ে প্ৰথমবাৰ এছ পি ডিয়ে দেশখনৰ নিৰ্বাচনত জয়লাভ কৰিলে। সোমবাৰে দুপৰীয়ালৈকে ঘোষণা কৰা ফলাফলত ২৫.৭ শতাংশ ভোট লাভৰে সবাতোকৈ বৃহৎ দল হিচাপে আত্মপ্ৰকাশ কৰিলে এছ পি ডিয়ে। আনহাতে, এঞ্জেলাৰ চি ডি ইউ দলে লাভ কৰিছে ২৪.১ শতাংশ ভোট। লিবাৰেল ফ্ৰি ডেম'ক্ৰেট দলে ১১.৫ শতাংশ আৰু গ্ৰীণ পাৰ্টিয়ে ১৪.৮ শতাংশ ভোট লাভ কৰে। বিশ্লেষকসকলৰ মতে এছ পি ডিৰ জয়ৰ ফলত ইউৰোপত পুনৰ মধ্য বামপন্থী দলৰ প্ৰভাৱ বৃদ্ধি প্ৰত্যক্ষ হ'ল। তাৎপৰ্যপূৰ্ণভাৱে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনো এজন মধ্য বামপন্থী নেতা হিচাপে পৰিচিত। এই কথা বাইডেনে নিজেই স্বীকাৰ কৰিছিল। ইফালে, আজি এছ পি ডিৰ চেঞ্চেলৰ পদৰ প্ৰাৰ্থী উলাফ ছুলজে ঘোষণা কৰি কয় যে আগন্তুক বৰদিনৰ পূৰ্বেই জাৰ্মানীত নতুন মৰ্চা চৰকাৰ গঠন কৰা হ'ব।





## পুনৰ বিপ্লৱৰ বিতৰ্কিত মন্তব্য ঃ আদালত অৱমাননাকলৈ ভয় নাখাব, মই বাঘ

**নিউজ ব্যুৰ', আগৰতলা, ২৭ ছেপ্টেম্বৰ ঃ** ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী বিপ্লৱ দেবে পুনৰ বিতৰ্কিত মন্তব্য প্ৰকাশ কৰিলে। মুখ্যমন্ত্ৰীজনে ত্ৰিপুৰা প্ৰশাসনিক সেৱাৰ বিষয়াসকলৰ স'তে এখন বৈঠকত অংশ লোৱাৰ সময়ত বিষয়াক উদ্দেশি কয় যে চৰকাৰী বিষয়াই আদালত অৱমাননাৰ ভয় নাৰাখি কৰ্মৰত হোৱা উচিত। দেবে কয় যে আদালত অৱমাননাৰ কথা এনেদৰে কোৱা হয় যেন কোনোবা বাঘহে বহি আছে। 'মই বাঘ হওঁ। ক্ষমতা তেওঁৰ হাততে থাকে, যি চৰকাৰ চলায়। ইয়াৰ অৰ্থ এয়ে যে সকলো ক্ষমতা আমাৰ হাতত আছে। ক্ষমতাত আমাৰ চৰকাৰ আছে, আদালত নাই।' মুখ্যমন্ত্ৰী দেবে এইদৰে কয়। এনে মন্তব্যৰে ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰীজনে দেশৰ ন্যায় ব্যৱস্থাক অৱমাননা কৰাৰ অভিযোগ উত্থাপিত হৈছে।

# কৰ'নাৰ উৎপত্তিৰ সন্দৰ্ভত পুনৰ তদন্ত চলাব বিশ্ব স্বাস্থ্য সংস্থাই ঃ ২০ বিশেষজ্ঞ বিজ্ঞানীৰে নতুন অনুসন্ধানকাৰী দল গঠন

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৭ ছেপ্টেম্বৰ ঃ** বিশ্ব স্বাস্থ্য সংস্থা (হু)ই কৰ'নাৰ উৎপত্তিৰ সন্দৰ্ভত পুনৰ তদন্ত কৰিব। এই সন্দৰ্ভত হুৱে ইতিমধ্যে ২০ জন বিজ্ঞানীৰে এটা নতুন তদন্তকাৰী দল গঠন কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ২০ জনীয়া সদস্যৰ নতুন তদন্তকাৰী দলটোৱে চীনৰ লগতে আন দেশতো কৰ'নাৰ উৎপত্তিৰ সন্দৰ্ভত পুনৰাই




অনুসন্ধান চলাব। তদন্তকাৰীৰ দলটোত প্ৰয়োগশালাৰ সুৰক্ষা, জৈৱ সুৰক্ষা বিশেষজ্ঞ, অনুবংশীয় বিশেষজ্ঞ, পশুৰোগ বিশেষজ্ঞ আদিক অন্তৰ্ভুক্ত কৰা হৈছে। 'ৱাল ষ্ট্ৰিট জাৰ্ণেল'ৰ বাতৰি অনুসৰি, এই দলটোৱে চীন আৰু অন্যান্য অঞ্চলত ক'ভিড-১৯ৰ সংক্ৰমণৰ সন্দৰ্ভত প্ৰয়োজনীয় তথ্যপাতি যোগাৰ কৰিবলৈ নতুনকৈ অভিযান চলাব। উল্লেখ্য যে পূৰ্বে হু আৰু চীনৰ যৌথ তদন্তকাৰী দল এটাই যোৱা মাৰ্চত তদন্ত চলাই কোনো পৰীক্ষাগাৰৰ পৰা কৰ'না ভাইৰাছৰ প্ৰথম সংক্ৰমণ হোৱাৰ কথা অস্বীকাৰ কৰিছিল। এই তদন্তকাৰী গোটক চীনে প্ৰথমে দেশখনত অনুসন্ধান চলোৱাৰ ক্ষেত্ৰত বাধা দিছিল যদিও পাছত আন্তঃৰাষ্ট্ৰীয় হেঁচাত তদন্তৰ বাবে অনুমতি দিবলৈ বাধ্য হৈছিল। তদন্তকাৰী দলটোৱে প্ৰথম তদন্তত চীনৰ পৰীক্ষাগাৰত কৰ'না ভাইৰাছৰ সৃষ্টি কৰাৰ অভিযোগ অস্বীকাৰ কৰি প্ৰতিবেদন দাখিল কৰাত বিশ্বজুৰি ক'ভিডৰ সংক্ৰমণৰ উৎসক লৈ পুনৰ প্ৰশ্ন উত্থাপিত হৈছিল। বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা অনুসৰি, ক'ভিডৰ প্ৰথম সংক্ৰমণৰ উৎস নিৰ্ধাৰণ কৰাটো অতি জৰুৰী আৰু সেয়েহে আন্তঃৰাষ্ট্ৰীয় স্বাস্থ্য নিৰীক্ষক সংস্থাটোৱে ক'ভিডৰ উৎপত্তিৰ পুনৰ তদন্ত চলাবলৈ নতুনকৈ ২০ জনীয়া সদস্যৰে এটা বিশেষজ্ঞৰ দল গঠন কৰিলে।

# মাস্ক-বেজ'ছৰ দৰে মহাকাশ অভিযানত নিয়োজিত হোৱা নাই কিয় বিল গেটছ?

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৭ ছেপ্টেম্বৰ ঃ** এই বিশ্বত সম্প্ৰতি এক নতুন প্ৰতিযোগিতা চলিছে। এই প্ৰতিযোগিতা হৈছে কোন অৰ্বুদপতিয়ে সবাতোকৈ প্ৰথম আৰু সফলতাৰে মহাকাশ অভিযান সম্পন্ন কৰিব পাৰে। বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে পৰিচিত এলন মাস্ক, জেফ বেজ'ছৰ পৰা আৰম্ভ কৰি অৰ্বুদপতি ব্যৱসায়ী ৰিচাৰ্ড ব্ৰেনছনলৈকে এতিয়া লক্ষ্য হৈছে মহাকাশ পৰ্যটন। ইয়াৰ বাবে ইতিমধ্যে এই তিনিওজন অৰ্বুদপতিয়ে নিজা উদ্যোগত মহাকাশ অভিযান সম্পন্ন কৰিলে।



আগন্তুক দিনত এই তিনি অৰ্বুদপতিয়ে মহাকাশত বসবাসৰ লগতে মহাকাশ পৰ্যটনক নতুন মাত্ৰা প্ৰদান কৰাৰ পৰিকল্পনাও গ্ৰহণ কৰিছে। বিশ্বৰ ধনাঢ্য ব্যক্তিসকলে এইদৰে সম্প্ৰতি মহাকাশ অভিযানক লৈ ব্যস্ত হোৱাৰ সময়তে কিন্তু আন এগৰাকী বহুচৰ্চিত ধনাঢ্য ব্যক্তি বিল গেটছ মহাকাশ অভিযানৰ পৰা সম্পূৰ্ণ আঁতৰি আছে। মাইক্ৰ'ছফটৰ প্ৰতিষ্ঠাপক গেটছে কিয় মহাকাশক লৈ কোনো আগ্ৰহ প্ৰকাশ কৰা নাই। অৰ্বুদপতিৰ মহাকাশ অভিযানৰ প্ৰতিযোগিতাৰ সন্দৰ্ভত গেটছৰ প্ৰতিক্ৰিয়া কি? এই প্ৰশ্নৰ সন্দৰ্ভত আমেৰিকাৰ টেলিভিছনৰ এক অনুষ্ঠানত উত্তৰ দি গেটছে স্পষ্টভাৱে কয় যে মহাকাশৰ পৰিৱৰ্তে তেওঁ এই ধৰাৰ বুকুত ত্ৰাসৰ সৃষ্টি কৰা ৰোগক লৈ অধিক ব্যস্ত থাকিবলৈ ভাল পায়। সাক্ষাৎকাৰটোত গেটছে কয়, 'মহাকাশত কিয়? আমাৰ এই পৃথিৱীখনত কৰিব লগা বহু কাম আছে। অৰ্বুদপতিসকলে আজিকালি কিয় মহাকাশলৈ ঢাপলি মেলিবলৈ হেতা-ওপৰা লগাইছে মই নাজানো। মই মোৰ ধ্যান মেলেৰিয়া আৰু এইচ আই ভিৰ দৰে ৰোগ আৰু এনে ৰোগ নিৰ্মূলকৰণৰ উপায়ত কেন্দ্ৰিত কৰি আহিছো। আনকি কোনো নৈশ পাৰ্টিত অংশ ল'লেও মই উপস্থিত লোকক ৰোগ-ব্যাধিৰ কথা সুধি বিৰক্ত কৰো।' গেটছৰ এই মন্তব্যত সাংবাদিক জেমছ কৰ্ডেনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এইদৰে কয়, 'গেটছ এনে এজন অৰ্বুদপতি যি এই সময়ত মহাকাশযানত উঠি পৃথিৱীৰ পৰা পলায়ন কৰিবলৈ বিচৰা নাই, ইয়াৰ বাবে তেওঁক ধন্যবাদ।'

## ছমাহ পাছত তিনি লাখলৈ নামিল সক্ৰিয় ৰোগীৰ সংখ্যা, দৈনিক আক্ৰান্ত ২৬ হেজাৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ ছেপ্টেম্বৰ ঃ** একেৰাহে তৃতীয় দিন দেশত ৩০ হেজাৰৰ তলত আছে কৰ'নাৰ দৈনিক সংক্ৰমণ। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক'ভিড-১৯ত আক্ৰান্ত হ'ল ২৬,০৪১ জন লোক। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, দেশত বৰ্তমানলৈকে মুঠ তিনি কোটি ৩৬ লাখ ৭৮ হেজাৰ ৭৮৬ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। বিগত তিনিদিন ধৰি ভাৰতত দৈনিক মৃত্যুৰ সংখ্যা ৩০০ৰ তলত আছে। যোৱা ২৪ ঘণ্টাত দেশত পুনৰ ২৭৬ জন লোকৰ প্ৰাণ কাঢ়িলে কৰ'নাই। অতিমাৰীৰ সমগ্ৰ পৰ্বটোত দেশত মৃত্যু হ'ল চাৰি লাখ ৪৭ হেজাৰ ১৯৪ জন লোকৰ। আক্ৰান্ত হ্ৰাস পোৱাৰ ফলত দেশত সক্ৰিয় ৰোগীৰ সংখ্যাও হ্ৰাস পাইছে। বৰ্তমানে দেশত দুই লাখ ৯৯ হেজাৰ ৬২০ জন সক্ৰিয় ৰোগী আছে। উল্লেখ্য যে যোৱা ২২ মাৰ্চত দেশত তিনি লাখৰ তলত সক্ৰিয় ৰোগী আছিল। ছমাহৰ পাছত পুনৰ দেশত সক্ৰিয় ৰোগীৰ সংখ্যা তিনি লাখৰ তললৈ অৱনমিত হ'ল।

## ইটালীৰ বৈদেশিক মন্ত্ৰীয়ে ক'লে ঃ তালিবানক বুজি পোৱা কঠিন, ১৭ সন্ত্ৰাসবাদীক বনালে মন্ত্ৰী

**নিউজ ব্যুৰ', ৰোম, ২৭ ছেপ্টেম্বৰ ঃ** তালিবানে আফগানিস্তান দখল কৰি চৰকাৰ গঠন কৰিলে যদিও এই চৰকাৰক বিশ্বৰ প্ৰায়বোৰ দেশে স্বীকৃতি প্ৰদান কৰিবলৈ বিচৰা নাই। এইবাৰ ইটালীয়ে তালিবানৰ চৰকাৰৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ক'লে যে তেওঁলোকৰ বাবে এইখন চৰকাৰক স্বীকৃতি দিয়াটো কঠিন হ'ব। ইটালীৰ বৈদেশিক মন্ত্ৰী লুইগী ডি মায়'ই তালিবানৰ নতুন চৰকাৰৰ সন্দৰ্ভত মন্তব্য কৰি আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত কয়, 'তালিবানে কমেও ১৭ জন সন্ত্ৰাসবাদীক মন্ত্ৰী পাতিলে। এনে পৰিস্থিতিত ইটালীৰ বাবে তালিবানক বুজি পোৱাটো কঠিন হৈছে।' উল্লেখ্য যে তালিবানে কাবুল দখল কৰাৰ ৪৫ দিন অতিবাহিত হ'ল যদিও বিশ্বৰ সৰহসংখ্যক দেশে তালিবানৰ চৰকাৰক স্বীকৃতি প্ৰদানৰ পৰা বিৰত আছে। ইটালীৰ বৈদেশিক মন্ত্ৰীজনে কয় যে তালিবানৰ বিৰুদ্ধে মানৱাধিকাৰ উলংঘনৰ একাধিক অভিযোগ আছে। সেয়েহে বৰ্তমানৰ পৰিস্থিতিত তালিবানৰ চৰকাৰক ইটালীয়ে স্বীকৃতি দিব নোৱাৰে বুলি বৈদেশিক মন্ত্ৰীজনে স্পষ্টভাৱে কয়।



## ভৱানীপুৰ উপ-নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিমদিনা বিজেপি-তৃণমূল কংগ্ৰেছৰ কৰ্মী-সমৰ্থকৰ সংঘৰ্ষ

**নিউজ ব্যুৰ', কলকাতা, ২৭ ছেপ্টেম্বৰ ঃ** পশ্চিমবংগৰ ভৱানীপুৰ সমষ্টিত অহা ৩০ ছেপ্টেম্বৰত বিধানসভাৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। এই উপলক্ষে আজি উপ-নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিম দিন আছিল। প্ৰচাৰৰ অন্তিমদিনটোতে সমষ্টিটোত প্ৰত্যক্ষ সংঘৰ্ষত লিপ্ত হ'ল বিজেপি আৰু তৃণমূল কংগ্ৰেছৰ একাংশ কৰ্মী আৰু সমৰ্থক। পশ্চিমবংগৰ বিজেপিৰ প্ৰাক্তন সভাপতি দিলীপ ঘোষক তৃণমূল কংগ্ৰেছৰ সমৰ্থকে গতা মৰাৰ অভিযোগো উত্থাপিত হৈছে। যাদুবাবু বজাৰত বিজেপিয়ে আয়োজন কৰা সমদলৰ সময়তে



তৃণমূল কংগ্ৰেছৰ সমৰ্থকে বিজেপিৰ নেতা-কৰ্মীক আক্ৰমণ কৰাৰ অভিযোগ উত্থাপিত হয়। এই ঘটনাত কে'বাজনো বিজেপিৰ কৰ্মী আহত হোৱাৰ অভিযোগ উঠিছে। এই ঘটনাৰ পাছত বিজেপিৰ নেতাৰ অগ্নিমিত্ৰ পালে কয়, 'মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীসহ টি এম চিৰ চৰকাৰ হৈছে অসহিষ্ণু, তেওঁলোকে আমাক প্ৰচাৰ চলোৱাৰ অনুমতি নিদিয়ে। টি এম চিৰ গুণ্ডাই আমাৰ কৰ্মীসকলক মাৰধৰ কৰিছে। সেয়েহে ৩০ ছেপ্টেম্বৰত ভোটদানৰ পূৰ্বে সঠিক সিদ্ধান্ত ৰাইজে গ্ৰহণ কৰক।' আনহাতে, বিজেপিৰ নেতা শুভেন্দু অধিকাৰীয়ে আজিৰ ঘটনাৰ সন্দৰ্ভত এইদৰে কয়, 'পৰিস্থিতি যথেষ্ট গুৰুতৰ। নিৰ্বাচন আয়োগে কোনো ব্যৱস্থা লোৱা নাই। আমি বাৰম্বাৰ নিৰ্বাচন আয়োগৰ প্ৰতিনিধিক সাক্ষাৎ কৰাৰ পাছতো আয়োগে এতিয়ালৈকে কোনো ব্যৱস্থা নল'লে।'






# ভূমি হস্তান্তৰৰ বাবদ ছয় লাখ দাবী, ২০

*এক পৃষ্ঠাৰ পৰা* শোণিতপুৰৰ ঠেলামৰা ৰাজহ চক্ৰৰ মণ্ডল গুলজাৰ হুছেইন। অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক আৰু তদাৰকী শাখাই নগদ ২০ হেজাৰ টকাসহ মণ্ডলজনক জালত পেলাবলৈ সক্ষম হয়। এটুকুৰা ভূমি ক্ৰেতাৰ এটা হস্তান্তৰ কৰি দিয়াৰ আশ্বাসেৰে হুছেইনে ছয় লাখ টকা উৎকোচ দাবী কৰিছিল। আজি তাৰে ৫০ হেজাৰ টকা আগধনৰূপে আদায় কৰিবলৈ হুছেইন মহানগৰীৰ ভঙাগড়ত সন্ধিয়া উপস্থিত হয়। ইতিমধ্যে বিষয়টো সংশ্লিষ্ট পক্ষই দুৰ্নীতি নিবাৰক শাখাক অৱগত কৰিছিল। সেই অনুসৰি শাখাটোৰ আৰক্ষীৰ দলে আজি হুছেইনে ধন আদায় ল'বলগীয়া স্থানৰ সমীপত চোপ লৈ থাকে। ইপিনে, আৰক্ষীৰ পৰামৰ্শমৰ্মে ধন আদায় দিবলগীয়া পক্ষটোৱে ৫০ হেজাৰৰ পৰিৱৰ্তে ২০ হেজাৰ টকা আগবঢ়ায়। সেই ধন সংগ্ৰহৰ সময়তে আৰক্ষীৰ দলটোৱে হুছেইনক হাতে-লোটে কৰায়ত্ত কৰে।

# আয়ুষ্মান ভাৰত ডিজিটেল মিছন উদ্বোধন

*এক পৃষ্ঠাৰ পৰা* হ'ল। আজিৰ এই পৰ্যায় সাধাৰণ পৰ্যায় নহয়। এয়া এক অসাধাৰণ পৰ্যায়।' প্ৰধানমন্ত্ৰীয়ে ভাষণত ক'উইন মঞ্চকো প্ৰশংসা কৰি কয় যে এই মঞ্চৰ জৰিয়তে ক'ভিড-১৯ৰ টিকাকৰণ সম্পৰ্কীয় সকলো তথ্য লিপিবদ্ধ কৰা হৈছে। টিকাৰ বাবে পঞ্জীয়নৰ পৰা আৰম্ভ কৰি প্ৰমাণ পত্ৰ সংগ্ৰহলৈ আন কোনো ব্যৱস্থা ইমান বিশাল নহয় বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰীয়ে কয় যে জানুৱাৰীৰ পৰা এতিয়ালৈ ভাৰতে ৮০ কোটি টিকা প্ৰদান কৰিলে আৰু ইয়াৰ বাবে ক'উইনৰ এক বৃহৎ ভূমিকা আছে। সম্প্ৰতি আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ তৃতীয় বাৰ্ষিকী উদযাপনৰ স'তে সংগতি ৰাখি বৰ্তমান এই নতুন প্ৰকল্প আৰম্ভ কৰা হৈছে। আজি মোদীয়ে মুকলি কৰা আয়ুষ্মান ভাৰত ডিজিটেল মিছন ছয় কেন্দ্ৰীয় শাসিত ৰাজ্যত পাইলট প্ৰকল্পৰূপে ৰূপায়িত হৈছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ এক বিবৃতি প্ৰকাশ। এই অভিযানৰ প্ৰকল্পৰ দ্বাৰা প্ৰতিজন ভাৰতীয় নাগৰিকে এখন স্বাস্থ্য পৰিচয় পত্ৰও লাভ কৰিব। য'ত তেওঁলোকৰ ব্যক্তিগত স্বাৰ্থৰ ৰেকৰ্ড থাকিব। এটা ম'বাইল এপৰ জৰিয়তে এই তথ্যসমূহ চাব পৰা যাব। এই প্ৰকল্পৰ ফলত চিকিৎসক, হাস্পতাল আৰু স্বাস্থ্য সেৱা প্ৰদান খণ্ডৰ কাম কৰাৰ বাবে পৰিৱেশ অধিক সূচল হ'ব।

# বাছনি পৰীক্ষাত অনিয়ম ঃ পলাতক মুখ্য

*এক পৃষ্ঠাৰ পৰা* কোম্পানী ক্ৰমে অসম শক্তি বিতৰণ, বিদ্যুৎ গ্ৰীড নিগম, শক্তি উৎপাদন কোম্পানী লিমিটেডৰ সৰ্বমুঠ ১,৯৫৭টা পদৰ বাবে ২০১৯ৰ ১৭ ফেব্ৰুৱাৰী আৰু ২৮ এপ্ৰিলত নিযুক্তি পৰীক্ষা অনুষ্ঠিত হৈছিল। প্ৰথম অৱস্থাৰ পৰাই এই পৰীক্ষাত সংঘটিত ব্যাপক বিসংগতি পোহৰলৈ আহিছিল। শেহতীয়াকৈ মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে এই সন্দৰ্ভত ভাৰতীয় দণ্ড বিধিৰ ১২০(বি)/৪২০/৪৬৮/৪৭১, দুৰ্নীতি প্ৰতিৰোধ আইন-২০১৮ৰ আৰু ডব্লিউ চেকছন ৭/১৩ (১)(এ)(বি) ধাৰাৰ অধীনত ০৪/২০২১ নম্বৰত এক গোচৰ ৰুজু কৰি তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰে। অৱশেষত যোৱা ২৫ ছেপ্টেম্বৰত এই নিযুক্তি কেলেংকাৰিত জড়িত ১০জনকৈ বিষয়া-কৰ্মচাৰীক মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে গ্ৰেপ্তাৰ কৰে যদিও ধৃত ৰহমান পলাতক হৈ আছিল। অৱশেষত আজি পলাতক এপিডিচিএলৰ মুখ্য মহাপ্ৰবন্ধক ৰহমান মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ কাৰ্যালয়ত উপস্থিত হোৱাৰ পাছতে তদন্তকাৰী দলে গ্ৰেপ্তাৰ কৰে বুলি আৰক্ষী অধীক্ষক ৰ'জী কলিতাই সদৰী কৰে। সমান্তৰালভাৱে দুদিনৰ বাবে ন্যায়িক জিম্মাত থকা ১০জন ধৃত ক্ৰমে এপিডিচিএলৰ অধ্যক্ষৰ বিশেষ কৰ্তব্যৰত বিষয়া দীপাংকৰ দিহিঙীয়া, নেইকমৰ দুলুমণি ডেকা, ফাৰহা আলম, জয়ন্ত ডেকা, কংকন শৰ্মা, কৌশিক দাস, বিশ্বজিৎ বৰ্মন, গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিম্নবৰ্গৰ সহায়ক শশাংক শইকীয়া, এক্সপেডিয়া ই-ছলিউচনৰ ত্ৰিদীপ শৰ্মা আৰু বিশ্ববিদ্যালয়ৰ নিৰাপত্তাৰক্ষী বেবিলন কাকতিসহ ধৃত মুখ্য মহাপ্ৰবন্ধক ৰহমানক আজি বিশেষ আদালতত হাজিৰ কৰোৱায় তদন্তকাৰী দলে। আদালতে ধৃত এপিডিচিএলৰ মুখ্য মহাপ্ৰবন্ধক ৰহমান, এপিডিচিএলৰ অধ্যক্ষৰ বিশেষ কৰ্তব্যৰত বিষয়া দিহিঙীয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিম্নবৰ্গৰ সহায়ক শইকীয়া, পৰীক্ষাৰ দায়িত্ব থকা নেইকম প্ৰতিষ্ঠানৰ জয়ন্ত, বিশ্বজিৎ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ এক্সপেডিয়া ই-চলিউচনৰ শৰ্মাক পাঁচ দিনৰ বাবে তদন্তকাৰীয়ে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰাৰ বিপৰীতে আন পাঁচজনক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

ইফালে, যোৱা দুদিন ধৰি পলাতক হৈ থকা এপিডিচিএলৰ মুখ্য মহাপ্ৰবন্ধক ৰহমানে বিভাগীয় কামত কাৰ্বি আংলঙত আছিল বুলি আৰক্ষীক পতিয়ন নিয়াবলৈ চেষ্টা চলায়। উল্লেখ্য যে এই নিযুক্তি পৰীক্ষা কেলেংকাৰিৰ অভিযুক্তসকলে বিভিন্ন প্ৰাৰ্থীৰ স'তে কথোপকথন কৰা বহু আপত্তিজনক ফোনকলৰ সবিশেষ তদাৰকী কোষে পৰীক্ষা অব্যাহত ৰাখিছে। বিশেষকৈ ধৃত মুখ্য মহাপ্ৰবন্ধক ৰহমান আৰু অ'এছডি দিহিঙীয়াক আজি মুখামুখিকৈ জেৰা কৰাৰ সম্ভাৱনা আছে বুলি আৰক্ষী সূত্ৰটোৱে সদৰী কৰি কয় যে ৰহমানে প্ৰাৰ্থীৰ স'তে লেনদেনৰ উদ্দেশ্যে কৰা কথোপকথনৰ তথ্য ইতিমধ্যে লাভ কৰা হৈছে। ম'বাইল ফোনৰ জৰিয়তে এই চক্ৰটোৱে বহু প্ৰাৰ্থীৰ লগত যোগসূত্ৰ স্থাপন কৰিছিল বুলি আৰক্ষী সূত্ৰই সদৰী কৰি আৰু বহু বিষয়া-কৰ্মচাৰী তদন্তৰ আওতালৈ আহিব বুলি ব্যক্ত কৰে।

# কন্যাশিশুক হত্যা কৰি জ্বলাই পেলাই

*এক পৃষ্ঠাৰ পৰা* কৰিলে এজন লোকে। ঘটনাৰ আঠদিনৰ পাছত আজি এটা পৰিত্যক্ত কুঁৱাৰ পৰা শিশুটিৰ প্ৰায় উঁৰলি যোৱা মৃতদেহ উদ্ধাৰ কৰা হয়। হত্যাৰ পাছত মৃতদেহ জ্বলাই দি হত্যাকাৰীয়ে বস্তাত ভৰাই কুঁৱাত পেলাই দিছিল। এই ঘটনা সংঘটিত হৈছে ছয়গাঁও বিধানসভা সমষ্টিৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত কেকোপাৰ গাঁৱত। আৰক্ষীয়ে ইতিমধ্যে মূল অভিযুক্তসহ দুজনক গ্ৰেপ্তাৰ কৰিছে।

উল্লেখ্য যে পৰিয়ালৰ লোকে কন্যা শিশুটিক ধৰ্ষণৰ পাছত হত্যা কৰা বুলি দাবী কৰিছে। ইয়াৰ বিপৰীতে ধৃত অভিযুক্তই হত্যাকাণ্ডৰ কথা স্বীকাৰ কৰিলেও ধৰ্ষণৰ বিষয়টো অস্বীকাৰ কৰা বুলি আৰক্ষী সূত্ৰই জনাইছে। আৰক্ষীয়ে জনোৱা মতে, লামপাৰা কেকোপাৰা গাঁৱৰ লৰ বড়োৰ ছবছৰীয়া কন্যা ললিতা বড়ো যোৱা ২০ ছেপ্টেম্বৰৰ পৰা নিৰুদ্দেশ হৈ আছিল। উল্লেখ্য যে কন্যা শিশুটিৰ মাতৃয়ে তিনি মাহৰ পূৰ্বে স্বামী-কন্যাক এৰি আন এজন যুৱকৰে বিবাহপাশত আবদ্ধ হৈছিল। নিৰুদ্দেশ হোৱাৰ পাছত শিশুটিক বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰিও সন্ধান নোপোৱাত মাতৃয়ে আহি গোপনে লৈ যোৱা বুলি পৰিয়ালৰ লোকে সন্দেহ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিততে পৰিয়ালৰ লোকে ২১ ছেপ্টেম্বৰত বকো আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। অৱশ্যে পৰিয়াল তথা গাঁওবাসীয়ে একে সময়তে গাঁওখনৰে দীপাংকৰ দাস নামৰ যুৱকজনকো সন্দেহ কৰিছিল। ৩৫ বছৰীয়া বিবাহিত যুৱকজন বিভিন্ন অপৰাধমূলক কাৰ্যকলাপত জড়িত আছিল। কিছুদিনৰ পূৰ্বে তেওঁ গৰু চুৰিৰ ঘটনাতো অভিযুক্ত হৈছিল। লক্ষ্যণীয়ভাৱে শিশুটিৰ গৃহৰ পৰা প্ৰায় তিনিশ মিটাৰ নিলগত থকা দীপাংকৰৰ বাসগৃহৰ সমীপৰে এটা পানী নথকা কুঁৱাৰ পৰা নিৰুদ্দেশৰ আঠ দিনৰ মূৰত দুৰ্ভগীয়া শিশুটিৰ মৃতদেহ উদ্ধাৰ হয়। আৰক্ষীয়ে জনোৱা মতে, আজি কুঁৱাটোৰ পৰা দুৰ্গন্ধ নিৰ্গত হোৱাত গাঁওবাসীৰ সন্দেহ ওপজে। তেতিয়াই একাংশ লোকে কুঁৱাৰ ভিতৰত এটা বস্তা প্ৰত্যক্ষ কৰে। লগে লগে বকো আৰক্ষীক খবৰ দিয়াত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভৰত চন্দ্ৰ কোঁৱৰৰ নেতৃত্বত আৰক্ষীৰ দল এটাই তৎকালীনভাৱে উপস্থিত হৈ ছয়গাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সূৰয সোণোৱালৰ উপস্থিতিত বস্তাটো উঠাই আনি খুলি চোৱাত বস্তাৰ ভিতৰত কিছু জাবৰ-জোঁথৰৰ মাজত শিশুটিৰ দগ্ধ মৃতদেহ উদ্ধাৰ হয়। উঁৰলি যোৱা মৃতদেহটোৰ প্ৰায় ৯০ শতাংশই দগ্ধ অৱস্থাত আছিল। হত্যাকাৰীয়ে বস্তাত ভৰাই মৃতদেহটোত অগ্নি সংযোগ কৰাৰ পাছত কুঁৱাত পেলাই দিয়া বুলি সন্দেহ কৰা হৈছে। উক্ত কুঁৱাৰ পৰা মৃতদেহ উদ্ধাৰৰ পাছতে অভিযুক্ত দীপাংকৰৰ বিৰুদ্ধে সন্দেহ ঘনীভূত হয় আৰক্ষীৰ। ইপিনে, মৃতদেহ উদ্ধাৰ হোৱাৰ পাছতে অভিযুক্ত যুৱকজনে পলায়ন কৰে। অৱশ্যে গাঁওবাসীৰ সহযোগত আৰক্ষীয়ে সন্ধিয়া অভিযুক্ত দীপাংকৰক বকো নীলাঘাটস্থিত শহুৰেকৰ গৃহৰ পৰা গ্ৰেপ্তাৰ কৰে। ইয়াৰ লগতে উক্ত হত্যাকাণ্ডৰ প্ৰত্যক্ষদৰ্শী গাঁওখনৰে দ্বীপেন বড়োকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে হত্যাকাণ্ডত জড়িত নাছিল যদিও ধৃত দ্বীপেনো ঘটনাৰ সময়ত উপস্থিত আছিল আৰু সমগ্ৰ বিষয়টোত তেওঁ নীৰৱতা অৱলম্বন কৰিছিল। আৰক্ষীয়ে লগতে মূল অভিযুক্ত দীপাংকৰৰ পত্নী আৰু ভ্ৰাতৃকো আটক কৰি জেৰা অব্যাহত ৰাখিছে।

পৰিয়ালৰ লোকে কন্যা শিশুটিক ধৰ্ষণৰ পাছত হত্যা কৰা বুলি অভিযোগ কৰিছে। শিশুটিৰ বৰদেউতাক কুশল বড়োৱে সংবাদ মাধ্যমৰ আগত কয় যে ধৃত দীপাংকৰ এজন বিকৃত মানসিকতাৰ লোক। অৱশ্যে জেৰাৰ সময়ত ধৰ্ষণৰ বিষয়টো অভিযুক্তজনে অস্বীকাৰ কৰা বুলি আৰক্ষী সূত্ৰই জনাইছে। ধৃত দীপাংকৰে আৰক্ষীক দিয়া ভাষ্য অনুসৰি, শিশুটিয়ে তেওঁক 'চোৰ', 'চোৰ' বুলি কৈ আছিল। ইয়াতে হিতাহিত জ্ঞান হেৰুৱাই তেওঁ এডাল বাঁহেৰে মূৰত প্ৰহাৰ কৰাত শিশুটি থিতাতে নিহত হয়। অৱশ্যে ঘটনাৰ প্ৰকৃত তথ্য এই পৰ্যন্ত পোহৰলৈ অহা নাই আৰু আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

# ডিটিঅ' কাৰ্যালয়ৰ ৩৮২ দালালৰ

*এক পৃষ্ঠাৰ পৰা* কৰে মুখ্যমন্ত্ৰীয়ে। ইয়াৰ পূৰ্বে জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়লৈ মানুহ নহাকৈয়ে যানবাহন চলোৱাৰ শিকাৰু অনুজ্ঞাপত্ৰ লাভ কৰাৰ ব্যৱস্থা গঢ়ি তোলা হৈছিল। অনলাইনৰ মাধ্যমেৰে প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰাৰ ফলত মাত্ৰ ২২ দিনতে নিৰ্দিষ্ট প'ৰ্টেলৰ জৰিয়তে ৫৩ হেজাৰ লোকে তেনে অনুজ্ঞাপত্ৰ সংগ্ৰহ কৰে বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। ইয়াৰ ফলত ৰাইজ আৰু চৰকাৰ উভয় পক্ষৰে লাভ হোৱা বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী শৰ্মাই কয়, 'জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়লৈ মানুহ যাবলৈ ভয় কৰে। কাৰণ শিকাৰু চালকৰ অনুজ্ঞাপত্ৰ এখন সংগ্ৰহৰ বাবে কাৰ্যালয়লৈ তিনি-চাৰিদিন যাব লাগে। তদুপৰি দালালৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব লাগে। অনৰ্থক আৰ্থিক, শাৰীৰিক, মানসিক হাৰাশাস্তি ভুগিবলৈ বেছিভাগ মানুহে ইতস্ততঃ বোধ কৰে। তাৰ বাবে বহুতে অনুজ্ঞাপত্ৰ নোহোৱাকৈয়ে গাড়ী চলাই থাকে। অনলাইনত অনুজ্ঞাপত্ৰ লাভ কৰিব পৰা ব্যৱস্থাটো গঢ়ি তোলাৰ লগে লগে হেজাৰ হেজাৰ লোকে স্বস্তিৰ নিশ্বাস এৰি আবেদন জনায় আৰু অনুজ্ঞাপত্ৰ লাভ কৰিবলৈ সক্ষম হয়। মাত্ৰ ২২ দিনতে জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়বোৰে ৫৩ হেজাৰ লোকক শিকাৰু চালকৰ অনুজ্ঞাপত্ৰ দিয়ে। এই সংখ্যা অভাৱনীয়ভাৱে বেছি। অৰ্থাৎ দালালৰ হাৰাশাস্তিত মানুহ পৰিবহণ বিষয়াৰ কাৰ্যালয়লৈ আহিবলৈ আগতে ভয় কৰিছিল আৰু এতিয়া কাৰ্যালয়লৈ মানুহ আহিব নলগা ব্যৱস্থা কৰাত অনুজ্ঞাপত্ৰ বিচৰাৰ সংখ্যাও হেজাৰ হেজাৰ বৃদ্ধি হৈছে।' মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে আগৰ হিচাপ মতে অতি বেছি ৪৫ লাখ টকা পৰিবহণ বিভাগৰ কাৰ্যালয়ে যিখিনি সময়ৰ ভিতৰত সংগ্ৰহ কৰিছিল, সেই পৰিমাণ নতুন ব্যৱস্থাৰ ফলত আঢ়ৈ কোটিলৈ বৃদ্ধি পাইছে। অনলাইনৰ মাধ্যমেৰে ব্যৱসায়িক প্ৰতিষ্ঠানৰ অনুজ্ঞাপত্ৰ সংগ্ৰহৰ ব্যৱস্থাও চৰকাৰে শীঘ্ৰে কাৰ্যকৰী কৰাৰ দিশে আগবঢ়া বুলি মুখ্যমন্ত্ৰীয়ে জনায়। আনহাতে, আগন্তুক দুৰ্গা পূজাৰ উপহাৰ হিচাপে অনুজ্ঞাপত্ৰ নবীকৰণ কৰিবলৈও মানুহ পৰিবহণ বিভাগৰ কাৰ্যালয়লৈ আহিব নলগাৰ ব্যৱস্থা চৰকাৰে কৰিব বুলি তেওঁ সদৰী কৰে।

উল্লেখ্য যে আজি মুখ্যমন্ত্ৰীয়ে নিয়োগ বিনিময় কেন্দ্ৰলৈ নহাকৈ আধাৰ কাৰ্ড থকা নিবনুৱা যুৱক-যুৱতীয়ে নাম পঞ্জীয়ন কৰিব পৰা এটা প'ৰ্টেল মুকলি কৰে। তদুপৰি ক'ভিডৰ বাবে আন্তঃজিলা যাতায়াত ব্যৱস্থা বন্ধ থকাৰ সময়ৰ ক্ষতিপূৰণ হিচাপে বাছৰ কৰ্মচাৰীক ১০ হেজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ লক্ষ্যৰে অন্য এটা প'ৰ্টেলো মুকলি কৰে। ইয়াৰ লগতে মুকলি কৰা হয় মাজুলী-যোৰহাটৰ মাজত চলাচল কৰা ফেৰীৰ টিকট অনলাইনেৰে সংগ্ৰহ কৰাৰ এটা প'ৰ্টেল। এই প'ৰ্টেলকেইটা মুকলি কৰি দিয়া ভাষণত ৰাজ্যৰ নিয়োগ বিনিময় কেন্দ্ৰকো চাকৰিৰ তথ্য দিব পৰা এটা প'ৰ্টেলো ছমাহৰ ভিতৰত মুকলি কৰিবলৈ শ্ৰম আৰু নিয়োগ বিভাগক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এনে অনলাইন ব্যৱস্থা গঢ়ি তোলাৰ বিপৰীতে শ্ৰম আৰু নিয়োগ বিভাগে নতুন গধুৰ দায়িত্ব পালন কৰিব লাগিব। এই বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমত প্ৰকৃততে নিবনুৱাৰ সংখ্যা কিমান, শিক্ষাৰ কোনটো পৰ্যায়ত কিমান সংখ্যক নিবনুৱা আছে, নিবনুৱাসকলৰ মাজৰ কিমানে চাকৰি লাভ কৰিলে আদিবোৰৰ প্ৰকৃত তথ্য চৰকাৰৰ হাতত বৰ্তমান নাই। সেই তথ্য সংগ্ৰহ কৰিবলৈ বহু সময়ৰ প্ৰয়োজন হয়। ফলত বিধানসভাতো তথ্য বিচাৰি থকা হৈছে বুলি মন্ত্ৰীয়ে উত্তৰ দিবলৈ বাধ্য হয়; কিন্তু প'ৰ্টেল গঠনৰ ফলত এনে তথ্য মুহূৰ্তৰ ভিতৰত উপলব্ধ হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, 'আমাৰ লক্ষ্য হ'ল প্ৰশাসনীয় ব্যৱস্থাটো সৰল কৰা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ন্যূনতম চৰকাৰ, অধিকতম প্ৰশাসন নীতি আমি অৱলম্বন কৰিছো। প্ৰশাসনীয় ব্যৱস্থাটোৰ নামত সাধাৰণ লোকে যাতে হাৰাশাস্তি ভুগিবলগীয়া নহয় সেইটো আমাৰ লক্ষ্য।'

### মোৰ অনুজ্ঞাপত্ৰও দীৰ্ঘদিন নবীকৰণ কৰা নাই

মুখ্যমন্ত্ৰী শৰ্মায়ো দীৰ্ঘদিন নবীকৰণ কৰা নাই নিজৰ নামত থকা চালকৰ অনুজ্ঞাপত্ৰখন। আজি সেই কথা সদৰী কৰি তেওঁ কয় যে পৰিবহণ বিষয়াৰ কাৰ্যালয়ত দীঘলীয়া শাৰী পাতি নবীকৰণ কৰিবলৈ তেওঁৰ সময়ৰ অভাৱ। লগত অন্যান্য অসুবিধাবোৰতো আছেই। তদুপৰি তেওঁ অনুজ্ঞাপত্ৰখনত তেজৰ গ্ৰুপো ভুলকৈ উল্লেখ থকা বুলি স্বয়ং মুখ্যমন্ত্ৰীয়ে সদৰী কৰে।

পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অনুষ্ঠানত কয় যে তেওঁৰ উদ্যোগ আৰু বাণিজ্য বিভাগটোৱে অসমত বাঁহক লৈ মানুহৰ মাজত উদ্যোগ স্থাপনৰ বাবে সজাগতা সৃষ্টিত গুৰুত্ব আৰোপ কৰিছে। কাৰণ অসমৰ বাঁহৰ পৰা স্থানীয় ৰাইজে উপাৰ্জন কৰিব পৰা বহু ৰাস্তা খোলা আছে। ইয়াৰ উদাহৰণ হিচাপে পাটোৱাৰীয়ে কয়, 'ভাৰতৰ ৫৬ শতাংশ বাঁহ অসমত উৎপাদন হয়। আনহাতে, ধূপকাঠিত ব্যৱহাৰ হোৱা বাঁহৰ শলখাডালৰ ৭৫ শতাংশ চীনৰ পৰা আহে। অসমতে ধূপকাঠিৰ শলখা প্ৰস্তুত কৰিব পাৰি। আমি চাইকেল বেণ্ডৰ ধূপকাঠি উদ্যোগৰ লগত বুজাবুজি কৰিছো। আই টি চিৰ লগতো কথা পাতিছো। আমাৰ বাবে সুখবৰ যে পাঠশালাত এনে এটা উদ্যোগ ইতিমধ্যে গঢ়ি উঠিছে।' উদ্যোগ আৰু বাণিজ্য বিভাগৰ প্ৰধান সচিব কে কে দ্বিবেদীয়ে আদৰণি ভাষণ দিয়া অনুষ্ঠানটোত সংশ্লিষ্ট বিভাগবোৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে বাঁহ-বেতৰ উদ্যোগৰ লগত জড়িত থকা কে'বাজনকো আজি সঁজুলি যোগান ধৰে।

# মাতৃৰ একাউণ্টৰ পৰা ১৯ লাখ

*এক পৃষ্ঠাৰ পৰা* সূত্ৰই সদৰী কৰা মতে, ধৃত নিপুৰাজ গগৈয়ে বগীদলৰ নিবাসী ৰুমী দত্ত নামৰ মহিলাগৰাকীৰ নাবালক পুত্ৰৰ স'তে অনলাইন পাবজি গেম খেলি থকাৰ সময়তে অতি কৌশলৰে ম'বাইলৰ পৰা মাতৃৰ বেংকৰ গোপন তথ্য সংগ্ৰহ কৰি এসপ্তাহৰ ভিতৰতে অনলাইন বেংকিং পদ্ধতিৰে মুঠ ১৯ লাখ টকা উলিয়াই নিছিল। এনেদৰে উলিয়াই নিয়া ধন ধৃত নিপুৰাজে নিজৰ বেংক একাউণ্টৰ লগতে আটকাধীন সমীৰ, অংকুৰ আৰু নিপুৰ একাউণ্টতো জমা কৰিছিল। প্ৰৱঞ্চনাৰে ৰুমী দত্তৰ একাউণ্টৰ পৰা ট্ৰেন্সফাৰ কৰা ধন যুৱককেইজনৰ একাউণ্টত জমা হোৱাৰ লগে লগে নিপুৰাজে ততাতৈয়াকৈ উলিয়াই নিছিল। ধৰা নপৰাৰ লগতে কোনো ধৰণৰ সন্দেহৰ সৃষ্টি নহ'বৰ বাবে উক্ত যুৱককেইজনক তেওঁ ৰুমী দত্তক বাইদেউ বুলি চিনাকি দিয়াৰ লগতে ব্যৱসায়ৰ বাবে একাউণ্টত ধন জমা কৰিছে বুলি জানিবলৈ দিছিল। ব্যৱসায়ৰ বাবে যোগানকাৰীক অতি শীঘ্ৰে ধন আদায় দিব লাগে বুলি পতিয়ন নিয়াই মুহূৰ্তৰ ভিতৰতে যুৱককেইজনৰ এটিএমযোগে ধন উলিয়াই নিছিল। সমগ্ৰ ঘটনা প্ৰথমৰ পৰা অনুসন্ধান চলাই থকা তদন্তকাৰী আৰক্ষী বিষয়া লোকনাথ বসুমতাৰীয়ে সদৰী কৰা মতে, যুৱক তিনিজনৰ একাউণ্টৰ সহায়ত মাত্ৰ এক লাখ ৬৬ হেজাৰ টকাহে উলিয়াই নিছিল। তাৰ বিপৰীতে বাকী প্ৰায় চাৰে ১৭ লাখ টকা নিপুৰাজে কোন একাউণ্টত জমা কৰিলে তাৰ কোনো উৱাদিহ পোৱা নাই আৰক্ষীয়ে। ফলস্বৰূপে অভিযুক্তজনক পুনৰ কাৰাগাৰৰ পৰা জিম্মাত লোৱাৰ চিন্তা-চৰ্চা কৰিছে আৰক্ষীয়ে।

# ৰাজ্যসভালৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে

*এক পৃষ্ঠাৰ পৰা* শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী নব কুমাৰ দলে আদিকে ধৰি দলে-বলে অসম বিধানসভা ভৱনত আজি বিয়লি সোণোৱাল উপস্থিত হয়। প্ৰমাণপত্ৰ গ্ৰহণ কৰি সোণোৱালে সাংবাদিকৰ আগত তেওঁক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাত সুযোগ দিয়াৰ বাবে বিৰোধী দলবোৰক ধন্যবাদ জনায়। আনহাতে, প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডা, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বি এ সন্তোষ, অসমৰ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা আদিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। তদুপৰি মাজুলীবাসীকো সোণোৱালে ধন্যবাদ জনায়। দুই-এদিনৰ ভিতৰত মাজুলীৰ বিধায়ক পদো সোণোৱালে এৰিব। নিৰ্বাচিত হোৱাৰ প্ৰমাণপত্ৰ গ্ৰহণৰ পাছত মুখ্যমন্ত্ৰী সোণোৱালক ফুলৰ থোপাৰে অভিনন্দন জনায়। তাৰপাছত ৰাজ্যিক বিজেপিৰ সভাপতিসহ অন্যান্যসকলেও তেওঁক অভিনন্দন জ্ঞাপন কৰে। উল্লেখ্য যে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বিজেপিত যোগ দি বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ ফলত তেওঁৰ ৰাজ্যসভাৰ আসনখন খালী হৈছিল।

# অজুহাত কৰ'না ঃ ভাৰতীয়

*এক পৃষ্ঠাৰ পৰা* তাৰ পাছৰে পৰা ভাৰতৰ স'তে বিমান সেৱা বন্ধ কৰি দিয়ে চীনে। ভাৰতীয়ক ভিছা প্ৰদানো বন্ধ কৰে। এই বিষয়ে যোৱা ২৩ ছেপ্টেম্বৰত চীনৰ চৰকাৰৰ স'তে আলোচনা কৰে সেই দেশত নিযুক্ত ভাৰতীয় ৰাষ্ট্ৰদূত বিক্ৰম মিচৰীয়ে। তেওঁ কয়, 'ডেৰ বছৰৰ অধিক সময় ধৰি ভাৰতীয়সকলক চীনত প্ৰৱেশত নিষেধাজ্ঞা জাৰি কৰা হৈছে। এতিয়া পৰিস্থিতি বহু স্বাভাৱিক। এনে সময়ত এই ধৰণৰ সিদ্ধান্ত অবৈজ্ঞানিক। এই সিদ্ধান্তৰ ফলত হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰী আৰু ব্যৱসায়ীক যাবলৈ বাধা দিয়া হৈছে। মানৱীয়তাৰ খাতিৰত চীনে সিদ্ধান্ত সলনি কৰা উচিত।' তেওঁ এই কথাও কয় যে অতিমাৰী পৰিস্থিতি স্বাভাৱিক হোৱাৰ পাছত ভাৰতে বিদেশী নাগৰিকৰ ভিছা দিছে। চীনেও সেই পথত খোজ দিয়া উচিত বুলি তেওঁ কয়।

আনহাতে, চীনে কয় যে ক'ভিডৰ প্ৰসাৰ ৰোধ কৰিবলৈ এনে কৰা হৈছে। এই যথোচিত পদক্ষেপৰ জৰিয়তে কৰ'না নিয়ন্ত্ৰণ কৰা হ'ব। কেৱল ভাৰতে নহয়, বিদেশৰ পৰা দেশলৈ উভতি অহা চীনা নাগৰিকৰ ক্ষেত্ৰতো ইয়াৰ সমাধানৰ বাবে বিক্ৰম মিচৰীৰ প্ৰশ্নৰ উত্তৰত চীনা বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰ হুৱা চুনিয়াঙে অদূৰ ভৱিষ্যতে এই নীতি শিথিলৰ কোনো সম্ভাৱনা নাই বুলি কয়। চীনৰ মুখপাত্ৰই কয় যে সুৰক্ষাৰ বাবে এনে কৰা হৈছে। তথ্য অনুসৰি বৃহৎ সংখ্যক চীনা নাগৰিক ভাৰতত সিঁচৰতি হৈ আছে আৰু বিমান সেৱা বন্ধ থকা বাবে উভতি আহিব পৰা নাই। হুৱাই কয়, 'সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে আমি প্ৰকৃত ব্যৱস্থাপনাৰে ভাৰতৰ দৰে দেশৰ লগত কাম কৰিবলৈ সাজু আছো; কিন্তু ইয়াৰ অৰ্থ এয়াই নহয় যে আমি তাৎক্ষণিকভাৱে সমস্যা সমাধান কৰিম।' এই নিষেধাজ্ঞাৰ ফলত বহু লোকে চাকৰি-ব্যৱসায়ী হেৰুওৱাৰ লগতে পৰিয়ালৰ পৰা বিচ্ছিন্ন হৈছে।

# উৎসৱ পাৰ্বণৰ বাহিৰে

*এক পৃষ্ঠাৰ পৰা* সন্ধানহীন হৈ পৰা চাৰিজন কিশোৰৰ ভিতৰত পশ্চিম কামাখ্যা কল'নীৰ দ্বীপ সৰকাৰ (১৪) নামৰ কিশোৰজনৰ সন্ধান আজিও লাভ নকৰিলে অভিযানকাৰী দলে। কালি সন্ধিয়া প্ৰায় ৭-৩০ বজালৈ পাণ্ডু ঘাটৰ ভৰা ব্ৰহ্মপুত্ৰত এছডিআৰএফ, এনডিআৰএফ, ডুবাৰুৰ দলে অভিযান চলোৱাৰ পাছত তিনিজন কিশোৰৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয় যদিও আনজন সন্ধানহীন হৈ থকা কিশোৰক বিচাৰি পুৱা সাত বজাৰ পৰা পুনৰ অভিযান চলায়; কিন্তু আজি দ্বিতীয় দিনাও সন্ধানহীন কিশোৰ দ্বীপৰ কোনো শুংসূত্ৰ লাভ নকৰিলে অভিযানকাৰী দলটোৱে। উল্লেখ্য যে সপ্তম-অষ্টম শ্ৰেণীত অধ্যয়নৰত এই চাৰি বন্ধুৱে কালি টিউচনৰ পৰা উভতি অহাৰ পথত পাণ্ডু ঘাটত উপস্থিত হৈ সামাজিক মাধ্যমত দিবলৈ ভিডিঅ' প্ৰস্তুত কৰিছিল। ব্ৰহ্মপুত্ৰত গা ধুই ভিডিঅ' বনাই থকা অৱস্থাতে চাৰি কিশোৰক ব্ৰহ্মপুত্ৰৰ কোৱাল সোঁতে উটুৱাই লৈ গৈছিল আৰু কালি বিয়লি তিনিজন কিশোৰৰ মৃতদেহ উদ্ধাৰ হৈছিল।

ইফালে, আজি ঘটনাস্থলী পৰিদৰ্শন কৰি ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই পাণ্ডু ঘাটত গা-ধোৱা বন্ধ কৰিব বুলি ঘোষণা কৰে। তেওঁ কয়, 'নৈপৰীয়া ৰাইজৰ এটা স্বভাৱ থাকে নৈত গা-ধোৱা; কিন্তু পাণ্ডু ঘাটত এনে ঘটনা কে'বাবাৰো সংঘটিত হৈ আহিছে। এই গা-ধোৱা প্ৰক্ৰিয়া বন্ধ কৰিব লাগিব। উৎসৱ-পাৰ্বণৰ বাহিৰে গা-ধোৱাকে ধৰি পাণ্ডু ঘাটৰ এই অঞ্চল নিষিদ্ধ কৰিব লাগিব আৰু এই ক্ষেত্ৰত জিলা প্ৰশাসনক অৱগত কৰাব লাগিব।'

উল্লেখ্য যে পাণ্ডু ঘাট কেৱল পূজা বা প্ৰতিমা বিসৰ্জনৰ সময়তে যাতে ব্যৱহাৰ কৰা হয় তাৰ বাবে চৰকাৰৰ লগত আলোচনা কৰা হ'ব বুলি ৰাজ্যিক বিজেপিৰ সভাপতিজনে সদৰী কৰি নহ'লে উন্মুক্ত অঞ্চলটোত এনে ঘটনা ঘটিয়ে থাকিব বুলি মন্তব্য কৰে।

# কাজিৰঙাৰ বাহিৰেও অসম

*এক পৃষ্ঠাৰ পৰা* আয়োজন কৰা বিশ্ব পৰ্যটন দিৱসত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বছৰৰ সকলো সময়তে দেশী-বিদেশী পৰ্যটকৰে ভৰি পৰা ভাৰতৰ বহু ঠাইক কৃত্ৰিমভাৱে সৃষ্টি কৰা যদিও অসমৰ বহু ঐতিহাসিক কীৰ্তিচিহ্ন, পুৰাতাত্ত্বিক সম্পদ, প্ৰাকৃতিক সৌন্দৰ্য আৰু অভয়াৰণ্যসমূহ কেৱল উপযুক্ত প্ৰচাৰ আৰু 'মাৰ্কেটিঙ'ৰ অভাৱত পৰ্যটকৰ উপস্থিতিৰ পৰা বঞ্চিত হৈ আছে। বিগত দুটা বছৰ কৰ'না মহামাৰীৰ বাবে ঘৰৰ চাৰিবেৰৰ মাজত বন্দী হৈ থাকিবলগীয়া হোৱা হেতুকে সমাজৰ সকলো স্তৰৰ ব্যক্তি পৰিস্থিতিৰ প্ৰতি লক্ষ্য কৰি আছে আৰু সুযোগ পালেই ভ্ৰমণ কৰিবলৈ আগবাঢ়ি আহিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ডº শৰ্মাই কয়, 'নৰেশ্বৰৰ প্ৰথম ভাগলৈ সকলো ঠিকে থাকিলে আমি সকলো ক'ভিডজনিত নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিম। এই উদ্দেশ্যে আমি দ্ৰুতগতিত প্ৰতিষেধক দিয়া অভিযান অব্যাহত ৰাখিছো। গতিকে পৰ্যটন উদ্যোগটো পুনৰ আগতকৈ দুগুণ উৎসাহেৰে জী উঠিব বুলি আমি আশাবাদী।'

কেৱল আন্তঃৰাষ্ট্ৰীয় পৰ্যটক বুলিয়েই নহয়, ঘৰুৱা পৰ্যটক সকলো ভ্ৰমণৰ প্ৰতি অত্যন্ত উদগ্ৰীৱ হৈ আছে বুলি দাবী কৰি মুখ্যমন্ত্ৰী ডº শৰ্মাই লগতে কয়, 'কৰ'নাকালীন গৃহবন্দিত্বৰ পাছত দেশী-বিদেশী পৰ্যটকসকলেই নহয়, ৰাজ্যখনৰ সাধাৰণ জনতাও এতিয়া এপাক ঘূৰি আহিবলৈ প্ৰস্তুত হৈ আছে। প্ৰত্যেকে সকলো সত্ৰৰ পৰ্যটকক সুবিধা হোৱাকৈ বিভাগে ব্যৱস্থা কৰিব লাগিব যাতে কোনো বিমুখ নহয়।'

উল্লেখ্য যে আজিৰ বিশ্ব পৰ্যটন দিৱসৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী শৰ্মাই ৰাজ্যৰ ১১৪ গৰাকী ট্যুৰ অপাৰেটৰলৈ দুই লাখ টকাকৈ আৰু ৬০৫ গৰাকী পঞ্জীয়নকৃত ট্যুৰ গাইডলৈ ২৫ হেজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য দিয়াৰ কথা ঘোষণা কৰে। আজিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম চৰকাৰৰ পৰ্যটন মন্ত্ৰী বিমল বৰাই কয় যে কাজিৰঙাত এক আটকধুনীয়া, আন্তঃৰাষ্ট্ৰীয় মানৰ অতিথিশালা নিৰ্মাণ কৰিবলৈ অসম চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে।

কৰ'নাৰ পৰৱৰ্তী সময়ত উদ্যোগটোক পুনৰ জীয়াই তোলাত অত্যন্ত প্ৰত্যাহ্বানমূলক হ'ব যদিও তাক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ নকৰি সুযোগ হিচাপে আগতকৈ দুগুণ উৎসাহেৰে আগবাঢ়িব লাগিব বুলিও মন্ত্ৰী বৰাই কয়।

বিগত দুটা বছৰ কৰ'না অতিমাৰীয়ে পৰ্যটন উদ্যোগটোক থানবান কৰিলে বুলি আক্ষেপ প্ৰকাশ কৰি মন্ত্ৰীজনে লগতে কয়, 'কেৱল অসমত বুলিয়েই নহয় সমগ্ৰ বিশ্বৰ পৰ্যটন উদ্যোগটোকে কৰ'না অতিমাৰীয়ে স্তব্ধ কৰি পেলালে। ফলস্বৰূপে চৰকাৰী বিভাগকে নহয়, উদ্যোগটোৰ লগত জড়িত সকলো বেচৰকাৰী সংস্থা আৰু ব্যক্তিকো আৰ্থিকভাৱে কৰ'নাই জুৰুলা কৰি পেলালে।' অনাগত দিনত পৰ্যটন বিভাগে অসমৰ গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ নিৰ্মাণৰ কাৰণেও কাম কৰি যাব বুলিও তেওঁ কয়।

আজিৰ অনুষ্ঠানত অসম চৰকাৰৰ পৰ্যটন বিভাগৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, সঞ্চালক মধুমিতা ভাগৱতী, বিটিআৰ প্ৰধান প্ৰমোদ বড়ো, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ সদস্য নৰসিং টেৰণকে ধৰি বহুকেইগৰাকী বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু পৰ্যটন উদ্যোগৰ লগত জড়িত বেচৰকাৰী অনুষ্ঠানৰ প্ৰতিনিধি উপস্থিত থাকে।

# ধলপুৰ কাণ্ড উচটনি দিয়া কংগ্ৰেছ

*এক পৃষ্ঠাৰ পৰা* আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই জনোৱা মতে, যোৱা ২৩ ছেপ্টেম্বৰত সংঘটিত হিংসাত্মক কাৰ্যকলাপত লিপ্ত হোৱাৰ বাবে বেদখলকাৰীক উচটনি দিয়া আৰু চৰকাৰী আঁচনিত বিধিপথালি দিয়াৰ অভিযোগতে জনপ্ৰতিনিধি দুজনক গ্ৰেপ্তাৰ কৰা হৈছে। এই দুজন অভিযুক্তই বেদখলকাৰীক উচটনি দি আৰক্ষীক আক্ৰমণ কৰিবলৈ উদ্বুদ্ধ কৰাৰ অভিযোগ আছে বুলি আৰক্ষী বিষয়াজনে কয়। এই অভিযোগতে ছিপাঝাৰ আৰক্ষী থানাত দুয়োৰে বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ১২০ (বি)/১৪৩/১৪৭/১৪৮/১৪৯/৩৩১/৩৩৩/৩৫৩/৩২৬/৩০৭ ধাৰাৰ অধীনত ৭৫৮/২১ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰা হৈছিল। ধৃত লোক দুজনক চিআইডিক অৰ্পণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে বুলিও আৰক্ষী অধীক্ষকজনে কয়। তেওঁ লগতে কয় যে বেদখলকাৰীক সুৰক্ষা প্ৰদানৰ প্ৰতিশ্ৰুতিৰে অবৈধভাৱে ধন সংগ্ৰহ কৰা আন কেইজনমান লোকৰ বিৰুদ্ধেও আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

ইপিনে, গৰুখুঁটিৰ ঘটনাই তোলপাৰ লগাই থকা অৱস্থাতে আজি ছিপাঝাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দেৱজিৎ গগৈ আৰু ছিপাঝাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সুশীল দত্তক বদলি কৰা হয়। সংশ্লিষ্ট বিভাগে বিষয়াদ্বয়ক বদলি কৰাৰ কাৰণ এই পৰ্যন্ত পোহৰলৈ অহা নাই যদিও একে সময়তে গ্ৰহণ কৰা এই সিদ্ধান্তই বিশেষ তাৎপৰ্য বহন কৰিছে। ৰাজহ চক্ৰ বিষয়া গগৈক হোজাইলৈ বদলি কৰা হৈছে। তেওঁৰ পৰিৱৰ্তে দায়িত্ব প্ৰদান কৰা হৈছে হোজাই ৰাজহ চক্ৰৰ চক্ৰ বিষয়া চন্দন বৰগোহাঁইক। আনহাতে, অপৰাধ অনুসন্ধান শাখাৰ পৰিদৰ্শক মণ্টু বড়োক ছিপাঝাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰূপে বদলি কৰা হৈছে।

ইফালে, জিলা প্ৰশাসনৰ সূত্ৰই জনাইছে যে যোৱা ২৩ ছেপ্টেম্বৰত বেদখল কৰিবলৈ যোৱা ৬০টা পৰিয়ালে ইতিমধ্যে নিজৰ ঘৰ-দুৱাৰ ভাঙি প্ৰশাসনে নিৰ্দিষ্ট কৰি দিয়া ভূমিলৈ স্থানান্তৰিত কৰিছে। এই সময়তে ধলপুৰ গৰুখুঁটিৰ বেদখলকাৰীসকলৰ মাজত বৰপেটা জিলাৰ বাসিন্দা থকা বিষয়টোও পোহৰলৈ আহিছে। এক স্থানীয় সূত্ৰই জনোৱা মতে, বৰপেটাৰ পৰা আহি বেদখল কৰি থকা উচ্ছেদিত লোকসকলে এতিয়া প্ৰশাসনে নিৰ্দিষ্ট কৰা ভূমিৰ পৰিৱৰ্তে নিজৰ জিলালৈ উভতি যোৱাৰ মন মেলিছে। উল্লেখ্য যে বেদখলকাৰীক সহযোগ কৰাৰ অভিযোগত আজি ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ 'ওপঙা বনশিবিৰ' এটাৰ তত্ত্বাৱধায়ক তথা বিভাগীয় নাৱৰীয়া জাকিৰ হুছেইনক নিলম্বিত কৰা হয়। বন বিভাগৰ সূত্ৰই জনোৱা মতে, চোৰাং চিকাৰীক সহযোগ কৰা আৰু ধলপুৰ গৰুখুঁটিৰ উচ্ছেদিত একাংশ লোকক ৰাষ্ট্ৰীয় উদ্যানখনৰ অন্তৰ্গত ভূমিত সংস্থাপনৰ প্ৰচেষ্টা চলোৱাৰ অভিযোগতে হুছেইনক নিলম্বিত কৰা হৈছে। উদ্যানখনৰ ভিতৰৰ জলাশয়ত চোৰাং চিকাৰীৰ স'তে মিলি গোপনে মাছ চিকাৰ কৰাৰ পৰিকল্পনা কৰা এক বাৰ্তালাপৰ 'ফোন ৰেকৰ্ডিং' বন বিভাগৰ হাতত পৰাৰ পাছতে তেওঁক নিলম্বন কৰা হয়।

# সমাকৰণ ? নহয়

*এক পৃষ্ঠাৰ পৰা* ত্ৰস্তমান হৈ পৰাৰ সময়ত মই এটা কথা পৰম প্ৰশান্তিৰে লক্ষ্য কৰিলো।

কাগজে-পত্ৰে ক'ভিড-কৰ'নাৰ বিষয়ে অপৰিপক্ক-অৰ্ধপণ্ডিত বিভিন্নজনৰ বিভিন্ন কথা, কাগজে-পত্ৰে, ৰেডিঅ'-টেলিভিছনে পঢ়িবলৈ আৰু শুনিবলৈ পালো। বহুত সাৱধানবাণী শুনিলো। বহুত কৰিব লগা আৰু কৰিব নলগা কথা আৰু কামৰ খতিয়ান সংবাদ মাধ্যম, ব্যক্তিগত মাধ্যম, সামাজিক মাধ্যমৰ যোগেদি মোৰ কাষলৈ আহিল।

ভয় আৰু আত্মৰক্ষা যিহেতু প্ৰতিটো জীৱৰে প্ৰথম আৰু প্ৰধান প্ৰকৃতিক স্বভাৱ আৰু বৈশিষ্ট্য, সেয়ে সেই প্ৰবৃত্তিৰ তাড়নাত ময়ো নিমজ্জিত থাকিলো বহুদিন।

তাৰ মাজতে মই মন কৰিলো যে পৃথিৱীখনৰ বাসিন্দাসকল বৰ-বেছি সলনি হোৱা নাই। গৰু-ম'হ-ছাগলী-চৰাই, মাছ-কাছ, পোক-পৰুৱা-পতংগ সকলো নিজৰ মতে চলিয়ে থাকিল। কাৰো জীৱন যাত্ৰাত একো বিজুতি নঘটিল।

বহুত মানুহৰো কোনো কথাৰ কোনো পৰিৱৰ্তন নহ'ল। ছুডান, নাইজেৰিয়া, য়েমেনৰ মানুহে গৃহযুদ্ধ চলায়েই থাকিল। মানুহ মাৰিয়েই থাকিল— বেলেগ সম্প্ৰদায়ৰ বুলি, বেলেগ ৰাজনৈতিক দলৰ বুলি বা বেলেগ জাত-পাতৰ বিচাৰ কৰি কৰি।

নেপালৰ মানুহো তাৰ অস্থিৰ ৰাজনীতিত তলমল কৰিয়ে থাকিল। প্ৰধানমন্ত্ৰী হ'ল আৰু বাগৰিল, সংবিধান প্ৰৱৰ্তন হ'ল আৰু বাতিল হ'ল।

আফগানিস্তানত তালিবানে নৰসংহাৰ চলায়ে থাকিল। মুছলমানৰ বাহিৰে আনক মাৰিয়ে থাকিল। 'বেলেগ মুছলমানো' সাৰি নগ'ল।

পাকিস্তানে কাশ্মীৰত proxy war চলায়েই থাকিল। উগ্ৰপন্থী মৰিয়ে থাকিল, সেনা জোৱান ছহিদ হৈয়ে থাকিল।

চীনে হংকঙত গণতন্ত্ৰৰ ওপৰত দমন চলায়েই থাকিল। আমেৰিকালৈ মেক্সিকোৰ পৰা অবৈধ প্ৰব্ৰজন চলিয়ে থাকিল। আমেৰিকাত বগা চামৰাৰ কিছুমান মানুহে ক'লা চামৰাৰ কিছুমান মানুহৰ ওপৰত শোষণ আৰু বৈষম্য চলায়েই থাকিল।

ৰোহিংগীয়া মুছলমান ভাৰতলৈ আহিয়ে থাকিল। বাংলাদেশী অসমলৈ আহিয়ে থাকিল— মাটি দখল কৰিয়ে থাকিল—গাৰো, নগা, খাচিয়া, ৰাভা ছোৱালী বিয়া কৰাই সিবিলাকৰ মাটি-বাৰীৰ মালিক হৈয়ে থাকিল।

ভাৰতত বলিয়া হিন্দুত্বৰ লেকামহীন ঘোঁৰা চেঁকুৰিয়ে থাকিল আৰু মুছলমান সাম্প্ৰদায়িকতাৰ বিষময় হাতোৰা অসমৰ পৰা পশ্চিমবংগ হৈ কেৰালালৈকে তীব্ৰতৰ হৈয়ে থাকিল।

ৰাজনীতিও চলি থাকিল। নিৰ্বাচনো হৈ থাকিল। কাম কৰিবলৈ সাধন-সামগ্ৰী থকাবিলাকে কাম কৰি থাকিল। এলেহুৱা ধোদবোৰ সদায় বহি থকাৰ দৰে বহি থাকিল।

অলপ বেমেজালি হ'ল অৱশ্যে। পঢ়া-শুনাত কিছু যতি পৰিল। হোটেল ব্যৱসায়কে ধৰি কিছুমান ক্ষুদ্ৰ ব্যৱসায় হাজিৰা কৰি খোৱা, শ্ৰমিক-মজদুৰ মানুহবোৰৰ উপাৰ্জন কমিল—কিছুমান কাম নোহোৱাৰ কাৰণে।

কিন্তু যিবোৰ কথাৰ কাৰণে মানুহক মানুহ বুলি কোৱা হয়— যেনে হিংসা কৰা, আপোনপেটীয়া হোৱা, যুদ্ধ কৰা, স্বাৰ্থপৰ হোৱা, ঠগবাজি কৰা—সেই স্বাভাৱিক কামবোৰ স্বাভাৱিক ধৰণেৰে চলি থাকিল।

পঢ়া-শুনাৰ কথা বৰকৈ নকওঁ; কাৰণ পঢ়া-শুনা কৰাবিলাকে সমাজৰ কিমান উপকাৰ সাধিছে সকলোৱে দেখি আছে। পঢ়া-শুনা কৰা চোকা মানুহেৰে গিজগিজাই থকা চহকী ব্যৱসায়ী মানুহৰ দেশ আমেৰিকাই পৃথিৱীৰ কি উপকাৰ কৰিছে সেইবোৰো আমি দেখি আছো—পৃথিৱীৰ সৰ্বত্ৰ যুদ্ধ মেলিছে, সন্ত্ৰাসবাদীৰ জন্ম আৰু ভৰণ-পোষণত সাৰ-জাবৰ দিছে, গোলকীয় উষ্ণতা বৃদ্ধি তথা সীমাহীন কাৰ্বন নিৰ্গমন কৰি পৰিৱেশ ধ্বংস কৰিছে, দুখীয়া দেশবিলাকক লুটি-পুতি খাইছে, চাৰিওফালে মাৰণাস্ত্ৰৰ বেপাৰ কৰিছে, ৰাষ্ট্ৰসংঘক নিজৰ গোলাম হিচাপে ব্যৱহাৰ কৰিছে-কি কৰা নাই ! বিজ্ঞান-প্ৰযুক্তিত উন্নতি কৰিলে বুলিয়েই তেওঁলোকে বিশ্ব মানৱৰ মাজত শ্ৰেষ্ঠত্বৰ দাবী কৰিব পাৰে নেকি?

এই আমেৰিকাকে আদি কৰি পৃথিৱীৰ সকলো দেশ-সকলো-মানুহ প্ৰায় একে ধৰণেৰেই চলি থাকিল।

থাকিবই। কাৰণ মানুহ, সকলো, আচলতে একেই।

২০০১ৰ ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহত লণ্ডনৰ ব্ৰিটিছ মিউজিয়ামলৈ গৈছিলো। প্ৰথম চিৰিটোৰ পৰা আৰম্ভ কৰি কিছুমান কাঁড় চিন মাৰি থোৱা আছিল মজিয়াত-ক'লা-বগা আঁচ্ টানি। এটা নিৰ্দিষ্ট দিশে যাবলৈ মানুহবিলাকক প্ৰৰোচিত কৰা হৈছিল। মাজে মাজে পকাত লিখা আছিল Genome project।

আমি এই প্ৰকল্পটোৰ কথা শুনিছিলো। মানুহৰ দেহত থকা সকলোবোৰ জিনৰ mapping কৰা প্ৰকল্প আছিল সেইটো। তাৰ মাত্ৰ কেইদিনমানৰ আগেয়েহে প্ৰকল্পটো সম্পূৰ্ণ হৈছিল। অৰ্থাৎ কোনবোৰ জিনৰ কাৰণে গাৰ বৰণ নিৰূপিত হয়, চুলিৰ গঠন নিৰূপিত হয়, চকুৰ বৰণ নিৰূপিত হয়, বংশগতি-বংশক্ৰম মতে কোনবোৰ চৰিত্ৰ কেনেকৈ ইটো প্ৰজন্মৰ পৰা সিটো প্ৰজন্মলৈ বাগৰি আহে ইত্যাদি এশ-এবুৰি কথাৰ ভেদ বিজ্ঞানীসকলে ভাঙিবলৈ সমৰ্থ হৈছিল।

আমি গৈ গৈ যেতিয়া এটা বিশাল হলঘৰৰ ভিতৰ সোমালোগৈ, তেতিয়া আমি তাত থকা বিভিন্ন কম্পিউটাৰ স্ক্ৰীণত আৰু বেৰত ওলমাই থোৱা প'ষ্টাৰ আদিত পঢ়িবলৈ পালো যে প্ৰকৃততে সকলো জীৱ-সকলো মানুহৰে জিন ৯৯.৬ শতাংশ একেই। মিল আছে। মাত্ৰ ০.০৪ শতাংশ পাৰ্থক্যৰ কাৰণেই আমি বেলেগ। প্ৰকৃতিৰ এক বিচিত্ৰ ৰূপ আমাৰ চকুৰ আগত উদ্ভাসিত হ'ল। ইমান মিল সম্ভৱ নে? এইবোৰ কথা সঁচানে?

কিন্তু ব্ৰিটিছ মানুহক অবিশ্বাস বা সন্দেহ কৰিবলৈ সৎ নগ'ল। বিজ্ঞানৰ আৱিষ্কাৰৰ ক্ষেত্ৰত অন্ততঃ ইংৰাজে মিছা কথা নকয়। তাতে সেইটো এটা আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰকল্প আছিল। বৈজ্ঞানিক সমাজৰ বিশ্বাসযোগ্যতা (credibility)ৰ কথা জড়িত হৈ আছে।

তাৰ পৰৱৰ্তী সময়ত লাহে লাহে বিভিন্ন মাধ্যমৰ মাজেদি এই সংক্ৰান্তত বহুত কথা গম পোৱা গ'ল। মূল কথাটো একেই থাকিল— সকলো মানুহ—সকলো জীৱ একেই।

সকলো মানুহ যে একেই সেই কথাটো মই আন বহুত কথাৰ পৰা সদায় প্ৰমাণ পায়েই থাকো। দৰবৰ ক্ষেত্ৰতে কথাটো আটাইতকৈ বেছি সহজতে বুজা যায়। পুৰুষ-মহিলা, হিন্দু-মুছলমান, অসমীয়া-বাঙালী, বিহাৰী, নগা, মিজো, বড়ো, বগা-ক'লা, ওখ-চাপৰ, ডেকা-বুঢ়া সকলোবোৰ মানুহে একেবোৰ দৰব খায়েই আৰোগ্য হ'ব—যদি বেমাৰ একে। এই কথা এতিয়া ক'ভিড-১৯ পৰিস্থিতিত আকৌ এবাৰ প্ৰমাণ হৈছে। একেই ক'ভিশ্বিল্ড ভাৰতীয়, ইংৰাজ, বাংলাদেশী, আফ্ৰিকান, জাপানী সকলো মানুহেই গ্ৰহণ কৰিছে; সকলোৰে immunity বাঢ়িছে। অৰ্থাৎ একেই দৰৱে একে ধৰণেই কাম কৰিছে। খাদ্যাভ্যাস, পোছাক, জীৱন যাত্ৰা প্ৰণালী বেলেগ হ'লে কি হ'ব, মানুহৰ জন্মও একে পদ্ধতিৰেই হয়, দেহৰ বিপাক-পচন শ্বাস-প্ৰশ্বাস প্ৰক্ৰিয়াও একে। দেহৰ অংগ-প্ৰত্যংগৰ গঢ়-গতি, সংখ্যা, অনুপাত, পৰিমাণ, তেজ, স্নায়ু সকলো একে।

এতিয়া ক'ভিড পৰিস্থিতিত মানুহ একে ধৰণেৰেই আতংকিত আৰু সন্ত্ৰস্ত। সকলো মানুহৰে নিয়তি যে একেই সেইটো যেন সকলোৱে বুজি উঠিল এইবাৰ। বিজ্ঞানে এটা ঝটকা এইবাৰ চম্ভালি দিলে যদিও প্ৰথমছোৱাত মানুহৰ অসহায়তা তীব্ৰভাৱে প্ৰকট হৈ পৰিছিল।

এনে ঘটনা-পৰিঘটনাৰ যে পুনৰাবৃত্তি নহ'ব, সেইটো কোনেও ক'ব নোৱাৰে। এই দুৰ্যোগ কি কাৰণে হ'ল সেইটোও খাটাংভাৱে নিৰূপিত নোহোৱা কথাটোৱে মানুহৰ সীমাবদ্ধতা আকৌ এবাৰ প্ৰমাণ কৰি দিলে। হয়তো মানুহে প্ৰকৃতিৰ ওপৰত কৰা অত্যাচাৰৰ ফলতেই কিবা অদ্ভূত ক্ৰিয়া-বিক্ৰিয়াৰ মাজেৰে এনে এটা দানৱীয় মহামাৰীৰ সৃষ্টি হ'ল!

কিন্তু মানুহে প্ৰকৃতিক জয় কৰিবলৈকে আকৌ যুদ্ধ আৰম্ভ কৰিছে—প্ৰকৃতিৰ লগত সহাৱস্থানৰ সলনি। প্ৰকৃতিতকৈ মানুহে নিজকে বেলেগ বুলি ভবাৰ কাৰণেই এনে হৈছে আচলতে। যি প্ৰচণ্ড গতিত মানুহে জনবিস্ফোৰণ ঘটাইছে, প্ৰকৃতিৰ সম্পদ ভক্ষণ কৰিছে, চৰাই-মাছ মাৰি তহিলং কৰিছে, ইন্ধন জ্বলাইছে, শক্তি খৰচ কৰিছে, ৰাসায়নিক সামগ্ৰী ব্যৱহাৰ কৰিছে—এইটো আৰু কোনেও ক'ব নোৱাৰে যে পৃথিৱী কেনি গৈ আছে, আন এটা মহামাৰী যে হঠাৎ আহি উপস্থিত নহ'বহি কোনেও ক'ব নোৱাৰে।

পৰিস্থিতিটোৱে মোক মহাভাৰতলৈ মনত পেলাই দিলে। মহাভাৰতৰ স্বৰ্গাৰোহণ পৰ্বত পঞ্চ পাণ্ডৱ এক পৰীক্ষাৰ সন্মুখীন হৈছিল—এটা জলাশয়ৰ পাৰত এটা বগলী বহি আছিল—পিয়াহত আতুৰ পাণ্ডৱে তাৰ পানী পিবলৈ বিচাৰিছিল—বগলীয়ে বাধা দিছিল—পানী খোৱাৰ চৰ্ত ৰাখিছিল—এটা প্ৰশ্নৰ উত্তৰ দিব লাগিব—পৃথিৱীৰ আটাইতকৈ বিস্ময়কৰ কথাটো কি—যুধিষ্ঠিৰে উত্তৰ দিছিল সকলো জীৱনৰে অৱশ্যম্ভাৱী পৰিণতি মৃত্যু বুলি জানিও সকলোৱে ইয়াক পাহৰি থাকে। সঠিক উত্তৰ পাই বগলীৰূপী যমৰাজ সন্তুষ্ট হৈছিল।

একেটা কথাই আজিও প্ৰযোজ্য—সকলো মানুহ একে বুলি জানিও বা বুজিও পৃথিৱীৰ সকলো মানুহৰে তথা জীৱৰে Common destiny একে বুলি জানিও, মানুহে এতিয়াও কি যে বিচিত্ৰ আচৰণ কৰি আছে! আফগানিস্তানত অনা মুছলমান আনকি অনা-ছুন্নীকো (য়াজিদি, আহমদীয়া আদি) আৰু মহিলাৰ প্ৰতি যে কি বীভৎস আচৰণ কৰা হৈছে!

ইয়াৰ কাৰণ হ'ল মানুহ একে হ'লেও একে নহয়। দেহ একে হ'লেও মানসিকতা একে নহয়। আক্ৰোশ, prejudice, খং, ঘৃণা, দুৰ্নীতি আদি কথাবোৰ মানুহে এৰিব নোৱাৰে। অযথা চুলি ফালি ফালি সাধাৰণ কথা এটা বেয়াৰ পৰ্যায়লৈ নি তিক্ততাৰ সৃষ্টি কৰি কি লাভ! তথাপি মানুহে তাকে কৰে। মগজুৰ ক্ষমতা থাকিলেও জীৱ হিচাপে মানুহ তেনেই সীমাবদ্ধ—vulnerable.

কথাটো মই এই কাৰণেই উত্থাপন কৰিলো যে কাৰচাজি (১০) খণ্ডটোত 'দৈনিক অগ্ৰদূত'ৰ যোৱা মঙলবাৰৰ সংখ্যাত, মই এটা কথা লিখিছিলো যে নেপালৰ ৰাজ পৰিয়ালৰ মানুহে বড়ো উগ্ৰপন্থীৰ হতুৱাই মানস অভয়াৰণ্যৰ গঁড় হত্যা কৰি এসময়ত শেষ কৰি দিছিল।

এজন পাঠকে 'বড়ো উগ্ৰপন্থী' শব্দ দুটাত ঘোৰ আপত্তি কৰিলে। যথেষ্ট অশ্লীল শব্দৰেও মোক ককৰ্থনা কৰিলে। শব্দ দুটাৰ দ্বাৰা মই হেনো সমগ্ৰ বড়ো জাতিটোকে উগ্ৰপন্থী বুলিছো। মোৰ নিচিনা মানুহৰ কাৰণেই হেনো অসম ছাৰখাৰ হৈছে। মই আলফাক কিয় অসমীয়া উগ্ৰপন্থী বুলি কোৱা নাই!

মই সুধিলো—মই কি লিখিব লাগিছিল কৈ দিয়ক, মই নিজকে সংশোধন কৰি ল'ম। তেওঁ মোক 'অসমীয়া উগ্ৰপন্থী' বুলি লিখিবলৈ উপদেশ দিলে।

অলপ তভক মাৰি মই কথাটোৰ দুটা অৰ্থ উলিয়ালো। এটা হ'ল যে বড়োসকলো যিহেতু অসমীয়া, গতিকে বেলেগ বড়ো উগ্ৰপন্থী বুলি ন'কৈ অসমীয়া উগ্ৰপন্থী বুলি ক'ব লাগিছিল।

কিন্তু স্বাধীন বড়োলেণ্ড দেশ বিচৰা মানুহক, যি নিজকে বড়ো বুলিহে কয়—অসমীয়া বুলি নকয়, অসমীয়া কথা নকয়, অসমীয়া স্কুল বন্ধ কৰি দিয়ে, অসমীয়া নাম ফলক ভাঙি পেলায়, যি মানুহে নিজকে কেৱল বড়ো বুলিহে চিনাকি দিয়ে আৰু বোমা-বাৰুদ-মৰণাস্ত্ৰৰে হত্যা-ধ্বংসলীলা চলায় তেনে মানুহক মই আৰু কি বুলি ক'ব লাগে বুজি নাপালো। বড়ো উগ্ৰপন্থী বুলি ক'লে কেনেকৈ সমগ্ৰ বড়োসকলক উগ্ৰপন্থী বুলি মই বুজালো, সেইটোও মই বুজি নাপালো। আলফাতো অসমীয়া উগ্ৰপন্থী, সন্ত্ৰাসবাদী, বিচ্ছিন্নতাবাদী লুণ্ঠনকাৰী হয়েই, তাত আৰু কি দ্বিমত থাকিব পাৰে! আলফাক অসমীয়া উগ্ৰপন্থী বুলি ক'লে সমগ্ৰ অসমীয়া জাতিটো জানো উগ্ৰপন্থী হৈ পৰিব?

গতিকে মানুহ একে নহয়। মানুহৰ মাজত প্ৰভেদ-বিভেদ থাকিবই। এইটো স্বাভাৱিক কথাই। হেজাৰ চেষ্টা কৰিলেও সকলো মানুহ একে নহয়।

*ফোন ঃ ৯৮৬৪০-৪৪৪৭০*

## গোমোঠা গাঁৱৰ সৰবৰহী মহিলা ৰীণা নেওগৰ মৃত্যু

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৭ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ গোমোঠাগাঁও নিবাসী, ধৰ্মপ্ৰাণ তথা সৰবৰহী মহিলা ৰীণা নেওগ (৬৫)ৰ যোৱা ২৫ ছেপ্টেম্বৰত নিশা জিএমচিএইছত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বিগত এমাহৰো অধিক কাল মধুমেহ আৰু স্নায়ৱিক ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা মহিলা গৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। অতি অমায়িক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত থকা সৰবৰহী মহিলা গৰাকীয়ে মৃত্যুৰ সময়ত দুজন পুত্ৰকে ধৰি অনেক আত্মীয়-স্বজনক ইহ সংসাৰত এৰি যায়।

## বিজ্ঞান শিক্ষক ৰজনী বৰ্মনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২৭ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ অন্তৰ্গত মহিনা হাইস্কুলৰ বিজ্ঞান শিক্ষক ৰজনী বৰ্মনৰ যোৱা ২৫ ছেপ্টেম্বৰৰ পুৱতি নিশা গুৱাহাটী নাৰায়ণা হাস্পতালত দেহাৱসান ঘটে। বৰ্মনে বহু দিন ধৰি ডায়েবেটিছ আৰু আনুষংগিক ৰোগত আক্ৰান্ত হৈ আছিল। তেওঁৰ মৃত্যুত মহিনাবাসীৰ এক অপূৰণীয় ক্ষতি হয়। তেওঁৰ নশ্বৰ দেহ মহিনা হাইস্কুললৈ নি শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে মহিনা অঞ্চলৰ সহস্ৰাধিক গুণমুগ্ধই শ্ৰদ্ধা জ্ঞাপন কৰা হয়। আনহাতে, দুপৰীয়া শিক্ষকজনৰ তামুলপুৰ মাজদিয়াস্থিত নিজ বাসভৱনত সহস্ৰাধিক গুণমুগ্ধৰ উপস্থিতিত নশ্বৰ দেহৰ অন্তিম সৎকাৰ কৰা হয়।

## যাত্ৰী ভাড়া বৃদ্ধিত উদ্বেগ প্ৰকাশ নীলবাগান যুৱ পৰিষদৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ এছঅ'পি অনুসৰি যান-বাহনৰ চলাচল অব্যাহত ৰাখিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত চৰকাৰী-বেচৰকাৰী যান-বাহনৰ চলাচল অব্যাহত আছে। বেচৰকাৰী যান-বাহনসমূহে নিজ খেয়ালখুচি মতে, যাত্ৰীৰ পৰা অত্যধিক ভাড়া লোৱাত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে অসম জাতীয়তাবাদী যুৱ পৰিষদৰ নীলবাগান আঞ্চলিক সমিতিয়ে। এই সন্দৰ্ভত পৰিষদৰ নীলবাগান আঞ্চলিক সমিতিৰ সভাপতি আব্দুল হান্নানে হোজাই জিলাৰ উপায়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰি জিলাখনত যাত্ৰা ভাড়া হ্ৰাস কৰিবলৈ দাবী জনায়। স্মাৰকপত্ৰত পৰিষদে উল্লেখ কৰা মতে, জিলাখনৰ বিভিন্ন সৰু-বৰ যান-বাহনৰ চালক-পৰিচালকসকলে নিজ ইচ্ছা অনুসৰি যাত্ৰীৰ পৰা দুই-তিনিগুণ বেছিকৈ ভাড়া আদায় কৰি আহিছে। ইয়াৰ ফলত সৰ্বসাধাৰণ যাত্ৰীসকল ভীষণ সমস্যাৰ সন্মুখীন হ'বলগা হৈছে। সেয়ে পৰিষদে তৎকালীনভাৱে যাত্ৰী ভাড়া হ্ৰাস কৰিবলৈ জিলা উপায়ুক্তক দাবী জনাইছে।

## নাবালিকাসহ হোজাইত বহিঃৰাজ্যৰ যুৱক আটক

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ২৭ ছেপ্টেম্বৰ ঃ** হোজাই ৰেল আৰক্ষীৰ তৎপৰতাত কালি এগৰাকী নাবালিকাক বহিঃৰাজ্যলৈ নিয়াৰ সময়তে উদ্ধাৰ কৰাৰ লগতে বহিঃৰাজ্য যুৱকক গ্ৰেপ্তাৰ কৰে। হোজাই ডবকাৰ ভগীৰাম গাঁৱৰ এগৰাকী কিশোৰীগৰাকীক বিবাহৰ প্ৰতিশ্ৰুতিৰে ফুচলাই লৈ আহিছিল ধৃত যুৱকজনে। ধৃত যুৱকজন পশ্চিমবংগৰ জলফাইগুৰিৰ সুভাস দাস বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে। কিছুদিন পূৰ্বে সুভাষ দাস ডবকাৰ মোমায়েকৰ ঘৰলৈ আহিছিল আৰু তাতে চিনাকি হৈছিল ডবকা ভগীৰামপথাৰৰ এগৰাকী নাবালিকাৰ স'তে। তাৰ পাছত প্ৰলোভনেৰে কিশোৰীগৰাকীক ফুচলাই পলুৱাই লৈ যায় যুৱকজনে। আজি কিশোৰীগৰাকীক জলফাইগুৰিলৈ নিয়াৰ চেষ্টা চলাইছিল যুৱকজনে। জলফাইগুৰিলৈ নিয়াৰ সময়তে হোজাইত ৰেল আৰক্ষীৰ জালত পৰে দুয়ো। আটকাধীন যুৱকজন মানৱ সৰবৰাহকাৰী চক্ৰৰ সদস্য হোৱাৰ সন্দেহ কৰিছে আৰক্ষীয়ে।

## বৰভাগত নলবাৰী জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ সভা

**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ২৭ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ কৰ্তাৰ সমিতিৰ এখন সভা যোৱা ২৫ ছেপ্টেম্বৰত স্থানীয় বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। এই সভাত সন্থাৰ আগন্তুক ৰাজ্যিক অধিৱেশনৰ প্ৰস্তাৱিত স্থান নলবাৰীত অনুষ্ঠিত কৰা সম্পৰ্কে আলোচনা কৰা হয়। সন্থাৰ জিলা সমিতিৰ সভাপতি অমল কুমাৰ দাসে সভাপতিত্ব কৰা সভাখনত জিলা সমিতিৰ সম্পাদক মকিবৰ ৰহমানে উদ্দেশ্য ব্যাখ্যা কৰে। সভাত অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ সভাপতি ভুৱনেশ্বৰ নাথ উপস্থিত থাকে। সভাত আগন্তুক অধিৱেশনখনি ২০২১ৰ ডিচেম্বৰত অনুষ্ঠিত কৰিবলৈ এক পৰিকল্পনা গ্ৰহণ কৰা হয়। সভাত সন্থাৰ ৰাজ্যিক সভাপতি ভুৱনেশ্বৰ নাথ, ৰাজ্যিক সদস্য কুশল মজুমদাৰ, জিলা সমিতিৰ প্ৰশান্ত নাৰায়ণ চৌধুৰী, কিশোৰ শৰ্মা, হেমন্ত শৰ্মা, ডিম্বেশ্বৰ দাস, নলবাৰী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা শেৱালি বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰশান্ত বৰ্মন আৰু অন্যান্য কে'বাগৰাকীও শিক্ষক-কৰ্মচাৰীয়ে বক্তৃতা প্ৰদান কৰে। আলোচনাৰ অন্তত আগন্তুক ৰাজ্যিক অধিৱেশনৰ অভ্যৰ্থনা সমিতি গঠন কৰাকে ধৰি যাৱতীয় প্ৰস্তুতিৰ বাবে এখনি ২১ জনীয়া প্ৰস্তুতি সমিতি সৰ্বসন্মতিক্ৰমে গঠন কৰা হয় লগতে প্ৰস্তুতি সমিতিৰ সদস্যসকলক যাৱতীয় প্ৰস্ততিৰ কাম শীঘ্ৰে আৰম্ভ কৰিবলৈ সভাই পৰামৰ্শ আগবঢ়ায়। এই সভাতে বৰভাগ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি কুলেশ চন্দ্ৰ ডেকা আৰু সম্পাদক জয়কৃষ্ণ গোস্বামী উপস্থিত হৈ বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱ নিযুক্ত অধ্যক্ষ মকিবৰ ৰহমানক এখনি ফুলাম গামোচাৰে আদৰণি জনায়।

# পাঁচকোটিটকীয়া পথ নিৰ্মাণত দুৰ্নীতি

## ■ মাটিয়াত ঠিকাদাৰ মুৰ্দাবাদ ধ্বনিৰে উত্তাল



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৭ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা পূব সমষ্টিৰ অন্তৰ্গত দোমনীৰ পৰা দলগোমা হৈ বহতীলৈ যোৱা পথ নিৰ্মাণত ব্যাপক দুৰ্নীতি হোৱাৰ অভিযোগ তুলি পৰহি একাংশ ৰাইজে ঠিকাদাৰৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ প্ৰতিবাদ সাব্যস্ত কৰে।

উল্লেখ্য যে লোক নিৰ্মাণ বিভাগৰ দুধনৈ আৰু গোৱালপাৰা পূব ক্ষেত্ৰীয় পথ সংমণ্ডলৰ অধীনস্থ ১০-৩০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ বাবে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত পাঁচকোটি টকা আৱণ্টন দিছে। ইপিনে, গুৱাহাটী ভৰলুমুখৰ টেক পইণ্ট ইঞ্জিনিয়াৰ নামৰ ঠিকাদাৰ গোষ্ঠীয়ে যোৱা ২৩ জুনত পথছোৱাৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰে।

কিন্তু নিৰ্মাণৰ নামত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ তুলি স্থানীয় ৰাইজে ঠিকাদাৰ কমল মেধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। ৰাইজৰ অভিযোগ মতে, পথছোৱা পুনৰ পকীকৰণৰ বাবে বিগত প্ৰায় ১৫ দিন পূৰ্বেই কাম আৰম্ভ কৰিছে যদিও ব্যাপক অনিয়ম সংঘটিত হৈছে। সমগ্ৰ পথছোৱাৰ পূৰ্বৰ পকীসমূহ এক্সকেভেটৰেৰে উঠাই দিয়াৰ এসপ্তাহ পাছতো পানী বা ৰোলাৰ ব্যৱহাৰ নকৰাত এতিয়া ৰাইজে ভীষণ সমস্যাৰ সন্মুখীন হৈছে। তদুপৰি পথটো পকীকৰণৰ নামত লৈ অনা সামগ্ৰীসমূহ অতি নিম্নমানৰ বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

এই সন্দৰ্ভত ৰাইজে বিভাগীয় কৰ্তৃপক্ষৰ লগতে ঠিকাদাৰ জনৰ বহুবাৰ আবেদন-নিবেদন কৰাৰ পাছতো কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে প্ৰাক্কলন অনুযায়ী পথছোৱাৰ নিৰ্মাণকাৰ্য কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

# শ শ পুৰুষ-মহিলাৰ সমূহীয়া মৎস্য চিকাৰ



## ■ ছেপ্টেম্বৰৰ পৰা নৱেম্বৰলৈ চলে এই চিকাৰ

**আলোপতি, ২৭ ছেপ্টেম্বৰ ঃ** আজি শতাধিক পুৰুষ-মহিলাই হাতে হাতে জাল, জাকৈ, চেপা লৈ এনেদৰে মাছ মাৰিবলৈ নামিছে এখন বিলত। নৈ, খাল, বিলসমূহৰ পানী দ্ৰুত গতিত শুকাই যোৱা সময়তে গাঁৱৰ একাংশ লোকে সমূহীয়াভাৱে মাছ ধৰাৰ এক ভাল লগা দৃশ্য পৰিলক্ষিত হৈছে কামৰূপ জিলাৰ নগৰবেৰা আৰু গোৱালপাৰা জিলাৰ শিমলীতোলা অঞ্চলত। গোৱালপাৰা জিলাৰ শিমলীতোলাৰ এখন বিলত পুৱাই শ শ জনজাতীয় পুৰুষ-মহিলাই সমূহীয়াভাৱে মাছ ধৰাত ব্যস্ত হৈ পৰিছে। ৰংজুলি, কাহিবাৰী, ছাতাবাৰী, দুধনৈ, দৰংগিৰি, কাচাদল, টিলাপাৰা, কামাৰপাৰা, টিমপাৰা, ধূপধৰা আদি কৰি ১০-১২খন গাঁৱৰ পৰা প্ৰত্যেক দিনাই এনেদৰে অঞ্চলটোৰ খাল, বিলসমূহত হাতে হাতে জাল, জাকৈ, চেপা আদি লৈ সমূহীয়াভাৱে মাছ মাৰিবলৈ আহে। নিজ নিজ অঞ্চলৰ পৰা গাড়ীৰে আহি দিনটো মাছ মাৰি সন্ধিয়াপৰত ঘৰলৈ উভতি যায়। ছেপ্টেম্বৰৰ পৰা নৱেম্বৰলৈকে এনেদৰে অঞ্চলটোৰ প্ৰতিটো খাল, বিলত প্ৰত্যেক দিনাই জনজাতীয় পুৰুষ-মহিলাসকলে সমূহীয়াভাৱে মাছ ধৰিবলৈ অহা বুলি ব্যক্ত কৰিছে একাংশই।

বিভিন্ন উৎসৱ-পাৰ্বণৰ স'তে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন অঞ্চলত সমূহীয়া মাছ ধৰা পৰম্পৰা আছে যদিও দুমাহ ধাৰাবাহিকভাৱে অঞ্চলটোৰ খাল-বিলসমূহত শ শ জনজাতীয় পুৰুষ-মহিলাসকলে সমূহীয়াভাৱে মাছ মাৰিবলৈ অহা দৃশ্য প্ৰত্যেক দিনাই উপভোগো কৰি আহিছে স্থানীয় লোকসকলে।

## গৰুখুঁটি কাণ্ডৰ প্ৰতিক্ৰিয়া দৰং কোচ ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ

**অগ্ৰদূত বাৰ্তা**
**কলাইগাঁও, ২৭ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰৰ ধলপুৰ গৰুখুঁটি কাণ্ডত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সদৌ অসম কোচ ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ দৰং জিলা সমিতিয়ে। সন্মিলনীৰ সভাপতি দ্বীপেন্দ্ৰ চহৰীয়া আৰু সম্পাদক মৃণাল বৰুৱাই এক বিবৃতি যোগে গৰুখুঁটিৰ বেদখলকৃত ভূমি উচ্ছেদ অভিযান সন্দৰ্ভত অসম চৰকাৰৰ পদক্ষেপক আদৰণী জনায়। ধলপুৰ গৰুখুঁটি প্ৰকৃত ভূমিহীন লোকক ভূমি আবণ্টন দিবলৈ চৰকাৰক বিবৃতিযোগে দাবী জনোৱাৰ লগতে উচ্ছেদ অভিযানক ৰাজনৈতিক মুনাফা লাভৰ অংকত পৰিকল্পিতভাৱে এচাম লোকে হিন্দু-মুছলমানৰ নাম দি বিষয়টো অন্য ৰূপ দিয়াৰ অপচেষ্টা কৰা বুলি সংগঠনটোৱে গুৰুতৰ অভিযোগ উত্থাপন কৰে। জৰং জিলা কোচ ৰাজবংশী যুৱছাত্ৰ সন্মিলনীয়ে এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ সংশ্লিষ্ট পক্ষক দাবী জনাই উচ্ছেদ কাৰ্যত যাতে মানৱ আইন উলংঘা নহয় তাৰ বাবেও চৰকাৰক সকীয়াই দিয়ে।

## তামুলপুৰ ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভা সম্পন্ন ঃ নতুন সমিতি গঠন



**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ অন্তৰ্গত তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ এখন প্ৰতিনিধি সভা কালি সন্থাৰ মুখ্য কাৰ্যালয় চৌহদত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা আছুৰ পতাকা উত্তোলন কৰে তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুবজেন ডেকাই। স্মৃতিতৰ্পণ আৰু মাল্যাৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল দাস আৰু মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অনুপ কলিতাই। দিনৰ ১১ বজাত প্ৰতিনিধি পঞ্জীয়ন, ১২ বজাত প্ৰতিনিধি সভাখন অনুষ্ঠিত হয়। তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুবজেন ডেকাৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভাখন উদ্বোধন কৰে সদৌ তামুলপুৰ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি সন্তোষ পাটোৱাৰীয়ে। মুখ্য অতিথিৰূপে উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকাই আছুৰ সাংগঠনিক দিশ সম্পৰ্কে বক্তব্য আগবঢ়ায়। সন্মানীয় অতিথিৰূপে বাগ্‌সা জিলা ছাত্ৰ সন্থাৰ সভাপতি গোবিন্দ শৰণীয়া, সাধাৰণ সম্পাদক দিগন্ত ডেকা, শিক্ষা সম্পাদক ডুলুজিৎ দাস, বাগ্‌সা জিলা ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি সোণেশ্বৰ কলিতা, বাগ্‌সা জিলা উন্নতি সভাৰ সভাপতি ৰুবুল দাস উপস্থিত থাকে। আজিৰ প্ৰতিনিধি সভাতে তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ আগন্তুক বৰ্ষৰ কাৰণে উৎপল হালৈক সভাপতি আৰু বিপুল দাসক সাধাৰণ সম্পাদকৰূপে লৈ এখন ৪১ জনীয়া নতুন সমিতি গঠন কৰা হয়।

## আজাৰাত বিশ্ব ফাৰ্মাচী দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ২৭ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে আজাৰৰ ফাৰ্মাচী শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠান শিগিৰিজানন্দ চৌধুৰী ইনষ্টিটিউট অৱ ফাৰ্মাছিউটিকেল ছায়েন্সৰ প্ৰতিষ্ঠান চৌহদত সমূহ শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত সম্পূৰ্ণ ৰূপে ক'ভিড প্ৰ'টকলৰ মাজেৰে যোৱা ২৫ ছেপ্টেম্বৰত 'বিশ্ব ফাৰ্মাচী দিৱস' উদ্‌যাপন কৰা হয়। গোটেই বিশ্বজুৰি পালন কৰা ফাৰ্মাচী দিৱসৰ এইবাৰৰ বিষয়বস্তু আছিল ফাৰ্মাচী ট্ৰাষ্টেড ফ'ৰ য়অৰ হেল্‌থ। শ্ৰীমন্ত শংকৰ একাডেমীৰ সভাপতি ৰাতুল দাসে পতাকা উত্তোলনৰে কাৰ্যসূচীৰ মুকলি আৰম্ভ কৰে। ইয়াৰ পিছতে আদৰণি সম্ভাষণ আগবঢ়োৱাৰ লগতে বৰ্তমানৰ পৰিস্থিতিত ফাৰ্মাছিষ্টসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়ায় প্ৰতিষ্ঠানৰ অধ্যক্ষ ড° গৌৰাং দাসে। অনুষ্ঠানত ফাৰ্মাচী দিৱসৰ তাৎপৰ্য আৰু এইবাৰৰ বিষয়বস্তুৰ ওপৰত এক মনোগ্ৰাহী ভাষণ আগবঢ়ায় অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয়ৰ শিক্ষা পঞ্জীয়ক ড° বি আৰ ফুকনে। ইয়াৰ উপৰি বিশ্ব ফাৰ্মাচী দিৱসৰ লগত সংগতি ৰাখি প্ৰতিষ্ঠানখনৰ 'জিপছলেট' শীৰ্ষক এখন বাতৰি পত্ৰিকাও উন্মোচন কৰা হয়। অনুষ্ঠানৰ শেষত জ্যেষ্ঠ অধ্যাপিকা ড° স্মৃতিৰেখা চন্দ দাসে উপস্থিত সকলোকে প্ৰতিষ্ঠানখনৰ হৈ শলাগৰ

# নগাঁও সদায় সাহিত্যৰ উৰ্ব্বৰ ক্ষেত্ৰ

## নগাঁৱত চন্দনা বেজবৰুৱাৰ 'অমানুহ' শীৰ্ষক গ্ৰন্থ উন্মোচন

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৭ ছেপ্টেম্বৰ ঃ** নগাঁৱত গ্ৰন্থ সৃষ্টিৰ এক গৰিমাময় ইতিহাস আছে। এই নগাঁৱতেই অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হৈছিল। গুৰুজনাৰ পদ ৰেণুৰে মহিমামণ্ডিত নগাঁৱত বহুকেইগৰাকী প্ৰতিভাধৰ কবি সাহিত্যিক অসমীয়া সাহিত্য ভঁৰাললৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। নগাঁৱৰ নৱপ্ৰজন্মৰ মাজতো সাহিত্য চৰ্চাৰ পৰিৱেশ সৃষ্টি হৈছে। অসমৰ সাহিত্য ক্ষেত্ৰখনৰ বাবে এক শুভ লক্ষণ।' এই মন্তব্য নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ। আজি নগাঁও জিলা সাহিত্য সভাৰ কমলাদেৱী তোদী ভৱনত শিল্পী-সাহিত্যিক চন্দনা বেজবৰুৱাৰ 'অমানুহ' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত এই মন্তব্য কৰি বিধায়ক শৰ্মাই আৰু কয়, 'গ্ৰন্থ হৈছে মানুহৰ প্ৰকৃত বন্ধু। গ্ৰন্থই আমাক জ্ঞানৰ সুৱাস দিয়ে।' নগাঁৱৰ গ্ৰন্থ মেলাৰ ইতিহাসৰ কথা উল্লেখ কৰি তেওঁ কয়, 'নগাঁৱৰ গ্ৰন্থমেলাত সাহিত্য-সংস্কৃতিৰ যি পয়োভৰ হৈছিল, তাৰ যোগেদি পোৱা তৃপ্তি আমাৰ হৃদয়ত সদায় থাকিব। ৰাজনীতিৰ পথাৰত ভৰি দিয়াৰ পূৰ্বে মই এজন সাধাৰণ সাহিত্য প্ৰেমী আছিলো।

অসমৰ ভাষা, সাহিত্য, সংস্কৃতিৰ বিকাশত নগাঁৱে সদায় উল্লেখনীয় অৱদান আগবঢ়াই আহিছে। সেয়ে নগাঁও জিলা সাহিত্য সভাৰ গ্ৰন্থ উন্মোচনী সভালৈ আহিবলৈ পায় মই অতিকৈ আনন্দিত হৈছো।' তেওঁ লগতে কয় যে নগাঁও সদায় সাহিত্যৰ উৰ্বৰ ক্ষেত্ৰ। ঊনৈশ শতিকাতে আত্মাৰাম শৰ্মাৰ সাহিত্য চৰ্চাৰে চহকী জিলাখনৰ বৰ্তমানৰ প্ৰজন্মই এই গতিধাৰা অব্যাহত ৰখাতো উচিত।

নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত লোকশিল্পী গোলাপ বৰাই প্ৰয়াত বিশিষ্ট শিল্পী যজ্ঞ বেজবৰুৱাৰ শিল্পী জীৱনৰ স্মৃতি ৰোমন্থন কৰি বেজবৰুৱাৰ জীয়ৰী চন্দনা বেজবৰুৱাই সাহিত্য চৰ্চাত মনোনিবেশ কৰাত প্ৰশংসা কৰে। জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত হাজৰিকাই আঁত ধৰা সভাত প্ৰাক্তন সাধাৰণ সম্পাদক পদুম ৰাজখোৱা, জিলা সাহিত্য সভাৰ উপ-সভাপতি থগিত মহন্ত, প্ৰাক্তন সভাপতি ৰতি মোহন নাথ, নিতানন্দ বৰা, প্ৰাক্তন সম্পাদক উপেন বৰা, শৰৎ শইকীয়া, অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক মৃণাল হাজৰিকাৰ লগতে ভৱেশ মেধী, আব্দুল খায়েৰ আহমেদ, বল্লদেৱ শৰ্মা, অধৰ ঠাকুৰীয়া, ব্ৰজেন বৰা, প্ৰিয়াংশু শৰ্মা, লোনিমা কোঁৱৰ, ৰেণু শইকীয়া, আৰতি মজুমদাৰ আদিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে নগাঁও জিলা সাহিত্য সভাই চলিত বৰ্ষত ৫০ বছৰ পূৰ্তি উপলক্ষে সোণালী জয়ন্তী উৎসৱ পালন কৰিছে। ৫০টো বৰ্ষৰ গৌৰৱোজ্জ্বল ইতিহাসক স্মৰণ কৰাৰ লগতে ৫০ খন গ্ৰন্থ প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই লক্ষ্যৰে কালি চন্দনা বেজবৰুৱাৰ গ্ৰন্থখন উন্মোচন কৰা হয়।

উল্লেখ্য যে চন্দনা বেজবৰুৱাই অসমৰ জ্বলন্ত সমস্যা ডাইনী সমস্যাৰ ওপৰত নাট্যৰূপ দিয়া 'অমানুহ' শীৰ্ষক গ্ৰন্থখনে ৰাইজৰ সমাদৰ লাভ কৰিব। গ্ৰন্থখন প্ৰকাশত প্ৰাঞ্জল বৰুৱাই সহযোগিতা কৰিছিল।




*বেদখলকাৰীৰ বিৰুদ্ধে তেজপুৰত প্ৰতিবাদ সচেতন নাগৰিক মঞ্চৰ।*

## কামপীঠত বিধায়িকা সুমন হৰিপ্ৰিয়াৰ মত বিনিময়

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ২৭ ছেপ্টেম্বৰ ঃ** হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই সমষ্টিটোৰ অন্তৰ্গত কঞা বৰপূল্লা গাঁও পঞ্চায়ত অঞ্চলৰ কামপীঠত যোৱা ২৬ ছেপ্টেম্বৰত এক মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। কামপীঠ মধ্য ইংৰাজী বিদ্যালয় সভাঘৰত আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে বিধায়িকাগৰাকীক আদৰণি জনায়। ইয়াৰ পাছতে ৰাইজ তথা একাংশ দলীয় কাৰ্যকৰ্তাৰ লগত মত বিনিময় কৰাৰ অন্তত বিধায়িকাগৰাকীয়ে সাংবাদিকৰ লগত হোৱা আছুতীয়া সাক্ষাৎকাৰত কয় যে আমাৰ চৰকাৰে কোনো দুৰ্নীতিকে সহ্য নকৰে। সকলো দুৰ্নীতিৰে তদন্ত হ'বই আৰু দুৰ্নীতিকাৰীক শাস্তি দিবই। ইতিমধ্যে আমি ৰাইজৰ অভিযোগৰ ভিত্তিত তদন্ত কৰিছো। কামবোৰ এশ শতাংশই সম্পূৰ্ণ হোৱা নাই। সম্পূৰ্ণ হোৱাৰ পাছতহে আচল দুৰ্নীতি ওলাই পৰিব। তদুপৰি বিধায়িকাগৰাকীয়ে সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত কয় যে উচ্ছেদ অভিযান বহুত আগতে হ'ব লাগিছিল। তেওঁ মুখ্যমন্ত্ৰীক উক্ত কাৰ্যৰ বাবে শলাগ লৈ কয় যে উচ্ছেদ অকল গৰুখুঁটিত কিয় সকলো সমষ্টিৰে বেদখলকাৰীক উচ্ছেদ কৰিব লাগে। তেওঁ হাজো সমষ্টিৰ দ-কাউনীয়া গ্ৰেজিং ৰিজাৰ্ভতো শীঘ্ৰে উচ্ছেদ অভিযান চলাবলৈ মুখ্যমন্ত্ৰীলৈ আহ্বান জনায়। কঞা বৰপূল্লা গাঁও পঞ্চায়তৰ সভাপতি দীনেশ ভূঞাৰ উপস্থিতিত অনুষ্ঠিত মত বিনিময় অনুষ্ঠানত শতাধিক দলীয় কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰে।

## গ্ৰন্থ অধ্যয়নৰ মাদকতাই সুকীয়া ঃ কুমাৰ দীপক দাস



**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২৭ ছেপ্টেম্বৰ ঃ** কালি বঙাইগাঁও জিলাৰ অভয়াপুৰীত বিশিষ্ট লেখক উপেন বৰুৱাৰ দ্বাৰা ৰচিত 'অসমৰ বিদেশী সমস্যা-এক অৱলোকন' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰি অসম নাট্য সন্মিলনীৰ সভাপতি তথা প্ৰাক্তন সাংসদ কুমাৰ দীপক দাসে কয়, 'গ্ৰন্থ ৰচনাৰ জৰিয়তে লেখকজনৰ ঐশ্বৰিকভাৱে মানসিক পৰিৱৰ্তন তথা বিকাশ ঘটে। নাট্য সন্মিলনীৰ অভয়াপুৰী শাখাৰ সভাপতি উপেন বৰুৱায়ো গ্ৰন্থখনৰ জৰিয়তে মানসিকভাৱে পৰিৱৰ্তন হোৱাটো নিশ্চিত।' অভয়াপুৰী কচমচ ক্লাবত সাংবাদিক বিনোদ নাথে আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাত দাসে কয় যে বৰ্তমান সময়ত কম্পিউটাৰ বা ম'বাইল ফোনৰ জৰিয়তেও জ্ঞান আহৰণ কৰিব পাৰি। গ্ৰন্থ অধ্যয়ন কৰি শৈক্ষিক মানসিক, বৌদ্ধিক বিকাশ সাধন কৰিব পাৰি। কিন্তু গ্ৰন্থৰ সুৱাসৰ লগত পৰিচয় হ'ব নোৱাৰে। গ্ৰন্থ অধ্যয়নৰ মাদকতাই সুকীয়া। সভাত বিশিষ্ট নাট্যকৰ্মী, পৰিচালক উপকূল বৰদলৈ, অৰূপ বৰঠাকুৰ, সমাজকৰ্মী প্ৰভাত বৈষ্ণৱ, শিক্ষাবিদ শৰ্মাৰাম দাস, কৰুণাকান্ত ৰায়, কবি পুলক দাস, জাগৰণ প্ৰকাশন গোষ্ঠী, গুৱাহাটীৰ হৈ ৰূপজ্যোতি দেৱনাথ উপস্থিত থাকে।

## ছয়গাঁৱত বিজেপি যুৱ মৰ্চাৰ উদ্যোগত ৰক্তদান শিবিৰ

**ছয়গাঁও, ২৭ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপ জিলা বিজেপি যুৱ মৰ্চাৰ উদ্যোগত আৰু ছয়গাঁও মণ্ডল যুৱ মৰ্চাৰ সহযোগত যোৱা ২৬ ছেপ্টেম্বৰত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে ছয়গাঁও সমষ্টিৰ ছয়গাঁও টাউনত থকা লোক নিৰ্মাণ বিভাগৰ পৰিদৰ্শন বঙলাত এক ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। শিবিৰটো উদ্বোধন কৰে দক্ষিণ কামৰূপ জিলা বিজেপি যুৱ মৰ্চাৰ সভাপতি গিৰিৰাজ টিম সিনহাই। অনুষ্ঠানত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতলাৰ পৰা অহা চিকিৎসক ডাঃ উপকূল কাশ্যপ, ডাঃ নয়না বৰাৰ লগতে ছয়গাঁও মণ্ডল বিজেপিৰ সভাপতি মিহিৰ ৰঞ্জন দাস, ছয়গাঁও মণ্ডল যুৱ মৰ্চাৰ সভাপতি মণ্টু কলিতা, প্ৰমুখ্যে ভালেমান যুৱ নেতা উপস্থিত থাকে।

## ■ কয়াকুছিত সমন্বয় সাহিত্য গোষ্ঠীৰ সপ্তম সমন্বয়-সম্প্ৰীতি সমাৰোহ সম্পন্ন

# সাহিত্যই সম্প্ৰীতি-মিলনৰ বাট দেখুৱায় ঃ মিশ্ৰ

**অগ্ৰদূত বাৰ্তা**
**কয়াকুছি, ২৭ ছেপ্টেম্বৰ ঃ** 'সাহিত্য সম্প্ৰীতি-মিলনৰ বাট দেখুৱায়। কিয়নো লেখকসকলে যে প্ৰৱন্ধ, গল্প লিখে, এইবোৰে বিশ্বত বৰ্ণনা কৰিব পাৰে। আমি গোটেই বিশ্বখন নুঘূৰিলেও সাহিত্যৰ জৰিয়তে বিশ্বৰ কথা জানিব পাৰো।' এই মন্তব্য বিশিষ্ট সাহিত্যিক তথা প্ৰবীণ সাংবাদিক শিক্ষাৰত্ন অক্ষয় কুমাৰ মিশ্ৰৰ।

যোৱা ২৬ ছেপ্টেম্বৰত কয়াকুছিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত প্ৰেৰণা পুথিভঁৰাল আৰু সমন্বয়-সাহিত্য গোষ্ঠীৰ প্ৰেৰণা পুথিভঁৰাল আৰু কয়াকুছি সমন্বয় সাহিত্য গোষ্ঠীৰ উদ্যোগত সপ্তম সমন্বয়-সম্প্ৰীতি সমাৰোহৰ মুকলি আৰু সম্বৰ্ধনা আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠানত বিশিষ্ট সাহিত্যিক মিশ্ৰই বিভিন্ন ৰসাল মন্তব্যৰে উপস্থিত সকলোকে মোহিত কৰে। দিনজোৰা কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত সমাৰোহ উপলক্ষে একলাখ গছপুলি ৰোপণৰ কাৰ্যসূচীৰো আৰম্ভ কৰা হয়। নৰু হুছেইনৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত মুকলি সভা উদ্বোধন কৰে বৰপেটা জিলাৰ তথ্য



আৰু জনসংযোগ বিভাগৰ বিষয়া বিকাশ শৰ্মাই। অনুষ্ঠানত বজালীৰ উদীয়মান লেখক-সাংবাদিক সঞ্জীৱ সাগৰ দাসৰ 'বৰষুণৰ ঋতুকালীন' দুটি বিশেষ সংখ্য উন্মোচন কৰে। অনুষ্ঠানৰ মাজতে 'অসমীয়া খবৰ'ৰ হাউলীৰ সাংবাদিক কৌশিল কমল দাস, দৈনিক গণ অধিকাৰ কাকতৰ বৰপেটাৰ সাংবাদিক পুলেন্দ্ৰ দাস, প্ৰাগ নিউজ কোকিলাৰ সাংবাদিক ৰফিকুল ইছলাম, নিউজ টাইম অসম মাণিকপুৰৰ সাংবাদিক আজিজুৰ হক আৰু প্ৰাগ নিউজ কলগাছিয়াৰ জাহিদুল ইছলামক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত সাংবাদিকৰ উপৰি অভিনেত্ৰী জেৰিণা বৰুৱাকে ধৰি সমাজৰ বিভিন্ন ক্ষেত্ৰত অৰিহণা যোগোৱা আন কে'বাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধিত কৰা হয়। উল্লেখ্য যে অনুষ্ঠানৰ লগত সংগতি ৰাখি সমন্বয় সাহিত্য গোষ্ঠীৰ পতাকা উত্তোলন কাৰ্যসূচী মুকলি কৰাৰ পাছতে শ্ৰদ্ধাঞ্জলি আৰু একলাখ গছপুলি ৰোপণ অনুষ্ঠানৰ আৰম্ভণি কৰে। বিয়লি মুকলি সভাৰ অনুষ্ঠানৰ শেষত কয়াকুছিৰ সমন্বয় সাহিত্য গোষ্ঠীৰ মুখ্য সম্পাদক ছাহেদ আলী আহমেদে শলাগৰ শৰাই আগবঢ়ায়।

## ভূটান সীমান্তত গুৱাবাৰীত বনৰীয়া হাতীৰ উপদ্ৰৱ ঃ আক্ৰমণত পশুধনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** অবাধ বন ধ্বংসৰ পৰিণতিত তামুলপুৰ মহকুমাৰ ভূটান সীমান্তৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে হাতী-মানুহৰ সংঘাত। যোৱা নিশাও তামুলপুৰ মহকুমাৰ ভূটান সীমান্তৰ গুৱাবাৰী অঞ্চলত খাদ্যৰ সন্ধানত পাহাৰৰ পৰা নামি অহা হাতীৰ জাক এটাই উপদ্ৰৱ চলাই কে'বাবিঘা ধান খেতিৰ লগতে মালভোগ কলৰ বাগান খাই তহিলং কৰে। আনহাতে, আজি পুৱা প্ৰায় সাত বজাত বনৰীয়া হাতীৰ জাকৰ পৰা ফালৰি কাটি অহা এটা বনৰীয়া হাতীয়ে গুৱাবাৰীৰ সমীপৰ দুই নম্বৰ বগৰীখুটিত তাণ্ডৱৰ সৃষ্টি কৰে। হাতীটোৰ আক্ৰমণৰ পৰা কে'বাজনো পথচাৰীৰ কথমপি প্ৰাণৰক্ষা পৰে। হাতীটোৱে গাঁওখনৰ এটি পৰিয়ালৰ বাৰীত প্ৰৱেশ কৰি এটি পোহনীয়া গৰু আক্ৰমণ কৰাত গৰুটোৰ মৃত্যু হয়। পাছত বন বিভাগৰ লোক উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত হাতীটো পাহাৰলৈ খেদি পঠাবলৈ সক্ষম হয়।



## প্ৰতিষ্ঠা দিৱসত ৰাভাৰ আদৰ্শৰে নাট্য সন্মিলনক শক্তিশালী কৰাৰ আহ্বান

**অগ্ৰদূত বাৰ্তা**
**হাউলী, ২৭ ছেপ্টেম্বৰ ঃ** ১৯৫৯ত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ তফজুল আলিৰ নেতৃত্বত ডিব্ৰুগড় চহৰত গঠন হোৱা অসম নাট্য সন্মিলনৰ ৬২ সংখ্যক প্ৰতিষ্ঠা সংখ্যক আজি ধুবুৰী চহৰত উদ্‌যাপন কৰা হয়। নাট্য সন্মিলনৰ ধুবুৰী শাখা সাহিত্যৰ উদ্যোগত পালন কৰা প্ৰতিষ্ঠা দিৱসত কেন্দ্ৰীয় সমিতিৰ পতাকা উত্তোলন কৰে সভাপতি কুমাৰ দীপক দাসে, ৰত্নপীঠ মণ্ডলৰ পতাকা উত্তোলন কৰে জয়ন্ত হাজৰিকা আৰু ধুবুৰী শাখাৰ পতাকা উত্তোলন কৰে নিৰ্মলেন্দু সেনগুপ্তাই। কাৰ্যকৰী সভাপতি দিলীপ চন্দ্ৰ বৰাই স্মৃতি তৰ্পণ কৰা মুকলি সভাত সভাপতিত্ব কৰে কুমাৰ দীপক দাসে। তেওঁ বিষ্ণুপ্ৰসাদ ৰাভাৰ আদৰ্শ তথা সৃষ্টিৰ ধাৰাৰে নাট্য সন্মিলনৰ সাংগঠনিক দিশ শক্তিশালী কৰিবলৈ আহ্বান জনায়। বিষ্ণু ৰাভাই দি থৈ যোৱা সোণসেৰীয়া সংস্কৃতিৰে নাট্য সন্মিলনক সুশোভিত কৰাৰ লগতে নাট্য আন্দোলনক শক্তিশালী ৰূপত আগবঢ়াই নিবলৈ নাট্যকৰ্মীসকলক আহ্বান জনায়। মুকলি সভাত উপস্থিত থাকে বিশিষ্ট অভিনেতা উপকুল বৰদলৈ, অৰূপ বৰঠাকুৰ আৰু নাট্যকাৰ-পৰিচালক লিয়াকত আলী। অসম নাট্য সন্মিলনৰ প্ৰধান সম্পাদক গিৰিধৰ ৰায়ে আঁত ধৰা মুকলি সভাত ধুবুৰীৰ চাৰি শিল্পী-অভিনেত্ৰী ৰীতা মিত্ৰ, নাট্যকৰ্মী নিৰ্মলেন্দু সেনগুপ্তা, লোকশিল্পী শশীমোহন ৰয় আৰু বিশিষ্ট নাট্য সংগঠক বোৰহানউদ্দিন আহমেদক সম্বৰ্ধনা জনোৱা হয় বুলি নাট্য সন্মিলনৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে এক বিবৃতিযোগে সদৰী কৰিছে।

## নগাঁৱৰ বঢ়মপুৰৰ বিদ্যালয়ত চুৰি

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৭ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বঢ়মপুৰ ছহিদ স্মৃতি আদৰ্শ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত যোৱা নিশা চুৰি কাৰ্য সংঘটিত হয়। বিদ্যালয়খনৰ কৰ্তৃপক্ষই জনোৱা মতে, চোৰৰ দলে বিদ্যালয়খনৰ দুৱাৰৰ তলা ভাঙি তিনিটা কোঠাত প্ৰৱেশ কৰি মধ্যাহ্ন ভোজনৰ প্ৰয়োজনীয় সামগ্ৰী কেৰাহী, বাল্টি, কেণ্টিনৰ দুটা চিলিণ্ডাৰসহ বহু সামগ্ৰী চুৰি কৰি নিয়ে। তদুপৰি বিদ্যালয়খনৰ খোৱাপানী উত্তোলন কৰা বৈদ্যুতিক মটৰো চোৰে চুৰি কৰি নিয়ে। এই সন্দৰ্ভত বিদ্যালয়খনৰ কৰ্তৃপক্ষই নগাঁও ইটাচালি আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। উল্লেখ্য যে ২০১৯তো বিদ্যালয়খনত চুৰি কাৰ্য সংঘটিত হৈছিল।

## দুই দালালক জেললৈ প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**
**হোজাই/যমুনামুখ, ২৭ ছেপ্টেম্বৰ ঃ** মাটিৰ দালালৰ বিৰুদ্ধে সৰব হোজাই আৰক্ষী প্ৰশাসন। আৰক্ষীয়ে কালি দুজনকৈ মাটিৰ দালালক জেল হাজোতলৈ প্ৰেৰণ কৰে। হোজাইৰ মোৰাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত কপাহবাৰী পদুমপুখুৰী গাঁৱৰ আব্দুল কাদিৰ আৰু ডবকাৰ মুহিব উদ্দিন চৌধুৰীক আৰক্ষীয়ে পৃথকে পৃথকে অভিযান চলাই গ্ৰেপ্তাৰ কৰে। ডবকা আৰক্ষী থানাৰ ৪৮৭/২১ নম্বৰৰ গোচৰৰ ভিত্তিত গ্ৰেপ্তাৰ কৰি কালি জিলা সদৰ শংকৰদেৱ নগৰ আদালতত হাজিৰ কৰাত আদালতে দুই মাটিৰ দালালক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। মোৰাঝাৰৰ আব্দুল কাদিৰ আৰু ডবকাৰ মুহিব উদ্দিন চৌধুৰীৰ বিৰুদ্ধে বিভিন্ন থানাত বিভিন্ন অপৰাধজনিত গোচৰ ৰুজু হৈ আছিল।

■ ৰঙাপৰাত শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত শিশু সুৰক্ষা আইনৰ সজাগতা সভা অনুষ্ঠিত

# ন্যায়ৰ আশা ত্যাগ কৰাসকলক সহায়ৰ পদক্ষেপ

**বিশেষ সংবাদদাতা**
**ৰঙাপৰা, ২৭ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ তেজপুৰ কাৰ্যালয়ৰ সৌজন্যত ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় গৃহত আজি শিশু সুৰক্ষা সজাগতা সভা পৰিচালনা সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক ভৱেশ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মোহন গোস্বামীয়ে। উক্ত সভাত শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব চিন্ময় বৰুৱা সমন্বয়ক চাজিদুৰ ৰহমান, ৰঙাপৰা স্বাস্থ্য কেন্দ্ৰৰ ডাঃ দিলিৰাম অধিকাৰী, ৰঙাপৰা প্ৰেছ ক্লাবৰ সভাপতি পংকজ নাথ, উপ-সভাপতি চাহিন আহমেদ, প্ৰাধিকৰণৰ অৰ্ধ আইনী স্বেচ্ছাসেৱক চাজাহান চেলিম কুৰেছী, সমাজকৰ্মী ৰাজেন কটকী, আব্দুল ৰহিম, গোবিন্দ দাস,



বিৰোজ শইকীয়া, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক উপেন্দ্ৰ কুমাৰ নাথ আদি উপস্থিত থাকে। শিশু অধিকাৰ আইনৰ সন্দৰ্ভত ৰহমানে কয়, প্ৰতিজন নাগৰিককে ভাৰতীয় সংবিধানে বহুতো অধিকাৰ দিছে; কিন্তু ৰাইজৰ মাজত সজাগতা অভাৱৰ বাবে একাংশ ব্যক্তি প্ৰকৃত ন্যায়ৰ পৰা বঞ্চিত হৈ আহিছে। ১৯৮৭ত আইন প্ৰণয়ন অনুসৰি, সকলো ব্যক্তিয়ে ন্যায় পাব পাৰে। দৰিদ্ৰ পৰিয়ালে ধন আৰু জ্ঞানৰ অভাৱৰ বাবে প্ৰকৃত ন্যায় ব্যৱস্থাৰ পৰা বঞ্চিত হৈ আহিছে। একাংশ লোকে কপাল আৰু ভগৱানৰ দোহাই দি বহু ঘটনা গোপনে ৰাখি থয়। যিসকল নিৰ্যাতন বা পীড়িত লোকে ন্যায় পোৱাৰ আশা ত্যাগ কৰে সেইসকলক জিলা আইন সেৱা প্ৰাধিকৰণৰ কাৰ্যালয়ে সহায় কৰিবলৈ আগবাঢ়ি আহিছে। ধন আৰু সময় অপচয় নোহোৱাৰ বাবে মাজে সময়ে লোক আদালত অনুষ্ঠিত হয়। সভাত প্ৰাধিকৰণৰ সচিব বৰুৱাই কয় যে ২০১২ত পস্ক' আইন প্ৰণয়ন কৰা হয়। বৰ্তমান শিশুৰ স'তে যৌন নিৰ্যাতন এক সামাজিক ব্যাধিও হৈছে। নিজৰ পৰিচয়, পুষ্টিকৰ খাদ্য, শিক্ষাৰ অধিকাৰ, শোষণৰ পৰা, নিজৰ মতামত দাঙি ধৰা, যুদ্ধৰ সময়ত শিশুসকলক সুৰক্ষা, শিশুসকলক সুৰক্ষা প্ৰদান কৰা আৰু দোষীক শাস্তি প্ৰদান কৰাটোৱে এই আইনখনৰ মূল লক্ষ্য।

## বিলাসীপাৰাত অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ

**বিশেষ সংবাদদাতা**
**বিলাসীপাৰা, ২৭ ছেপ্টেম্বৰ ঃ** বিলাসীপাৰা মহকুমাৰ শালকোচা আৰক্ষী চকীৰ অন্তৰ্গত টিলাপাৰা বজাৰত কালি উদ্ধাৰ হৈছে এগৰাকী অচিনাক্ত মহিলাৰ মৃতদেহ। বিগত কে'বাদিন ধৰি অচিনাক্ত মহিলাগৰাকী বজাৰখনত ঘুৰি ফুৰিছিল। কালি পুৱা মহিলাগৰাকীক ৩১ নম্বৰ ঘাইপথৰ কাষত মৃত অৱস্থাত স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে। পাছত ঘটনাস্থলীত শালকোচা আৰক্ষীৰ দল উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত চিকিৎসালয়খনৰ মৰ্গত মৃতদেহটো ৭২ ঘণ্টা ৰখা হ'ব বুলি আৰক্ষী সুত্ৰে প্ৰকাশ কৰে।

## অৱসৰপ্ৰাপ্ত অধ্যাপক-জ্যোতিষবিদ মানিক শৰ্মাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**



**কনিহা, ২৭ ছেপ্টেম্বৰ ঃ** ৰঙিয়া মহকুমাৰ অন্তৰ্গত কনিহা নিবাসী বিশিষ্ট সমাজকৰ্মী, জ্যোতিষবিদ তথা অৱসৰপ্ৰাপ্ত অধ্যাপক মানিক শৰ্মা (৮২)ৰ যোৱা নিশা নিজ বাসগৃহত মৃত্যু হয়। উল্লেখ্য যে ১৯২২তে কনিহাত প্ৰতিষ্ঠা কৰা আৰ্যধৰ্ম সংৰক্ষণী সংস্কৃত টোলৰ অধ্যাপক হিচাপে ২০০২ত কৃতিত্বৰে অৱসৰ গ্ৰহণ কৰা এইজন সমাজকৰ্মীয়ে কনিহাৰ আঞ্চলিক জগদ্ধাত্ৰী পূজাৰ একেৰাহে ২৫ বছৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। কনিহা গাঁও সভাৰ প্ৰাক্তন সভাপতি, কনিহা তৰুণ সংঘৰ প্ৰাক্তন সভাপতি, ইচ্ছাদঘৰীয়া উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক তথা বড়িগোগ গাঁও পঞ্চায়ত সমবায় সমিতি আৰু পূব বড়িগোগ কনিহা আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কে'বা বছৰ ধৰি হিচাপ পৰীক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰা সমাজকৰ্মীজনৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। আজি পুৱা তেওঁৰ নশ্বৰদেহৰ তেওঁ জড়িত থকা অনুষ্ঠান-প্ৰতিষ্ঠানলৈ সমদল কৰি নি শ্ৰদ্ধা জনায়। অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিপিন শৰ্মা শাস্ত্ৰী, কনিহা গাঁও সভাৰ প্ৰাক্তন সভাপতি খগেন্দ্ৰ নাথ শৰ্মা, প্ৰাক্তন সম্পাদক অভয় শৰ্মা, বড়িগোগ শাখা সাহিত্য সভাৰ উপ-সভাপতি যতীন্দ্ৰ নাথ দুৱৰাৰ লগতে গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পুত্ৰ আৰু ভালেসংখ্যক আত্মীয়ক ইহসংসাৰত এৰি যায়।

## লক্ষীপুৰত বন্যহস্তীৰ আক্ৰমণত এজনৰ মৃত্যু

### চলিত বৰ্ষতে নিহতৰ সংখ্যা নজনলৈ বৃদ্ধি

**অগ্ৰদূত বাৰ্তা**
**লক্ষীপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** গোৱালপাৰাত হস্তী-মানৱৰ সংঘাতে সম্প্ৰতি ভয়াৱহ ৰূপ ধাৰণ কৰিছে। আজিও জিলাখনৰ এজন লোকে বনৰীয়া হাতীৰ আক্ৰমণত প্ৰাণ হেৰুৱায়। নিহত লোকজন হৈছে জিলাখনৰ লক্ষীপুৰৰ ফুলবাৰী নাগাবান্দা গাঁৱৰ নিবাসী অখিল কুমাৰ দাস (৫০)। প্ৰাপ্ত তথ্য অনুসৰি, আজি বিয়লি প্ৰায় ২-৩০ বজাত দাসে নিজৰ এম এল-০৮ ই-২২৬৯ নম্বৰৰ মটৰ চাইকেলখনেৰে লক্ষীপুৰৰ পৰা নিজগৃহলৈ ৰাওনা হৈছিল। তেতিয়াই আকস্মিকভাৱে লোকজন হাতীৰ দল এটাৰ সন্মুখীন হয়। দাসে মটৰ চাইকেল ঘূৰাই পলায়ন কৰিবলৈ চেষ্টা কৰিও ব্যৰ্থ হয় আৰু হাতীৰ দলটোৱে তেওঁক আক্ৰমণ কৰে। ফলত দাসৰ ঘটনাস্থলীতে মৃত্যু হয়।

উল্লেখ্য যে চলিত বৰ্ষত এই পৰ্যন্ত লক্ষীপুৰৰ নজন লোকৰ বন্যহস্তীৰ আক্ৰমণত মৃত্যু হৈছে। বিগত প্ৰায় তিনি বছৰ ধৰি প্ৰায় ৩৬জনীয়া বনৰীয়া হাতীৰ দল এটাই লক্ষীপুৰৰ বিভিন্ন স্থানত উপদ্ৰৱ চলাই আহিছে। মানুহৰ প্ৰাণ লোৱাৰ সমান্তৰালকৈ এই হাতীৰ জাকটোৱে ধাননি পথাৰৰ ধান খাই তহিলং কৰাৰ উপৰি বহুতৰে ঘৰ-বাৰী ভাঙি ধ্বংস কৰিছে। সবাতোকৈ ভয়ংকৰ কথাটো হৈছে মানুহলৈ কেৰেপ নকৰা এই হাতীৰ জাকটোৱে প্ৰায়ে বনাঞ্চলৰ পৰা ওলাই আহি মূল পথতে অৱস্থান কৰি ৰয়। কোন মুহূৰ্তত কোনটো পথত অৱস্থান কৰে, তাৰো কোনো নিশ্চয়তা নাই। ইয়াৰ পৰিপ্ৰেক্ষিতে জনজীৱনৰ প্ৰতি অধিক ভাবুকি আহিছে। এই ক্ষেত্ৰত স্থানীয় লোকে সঘনাই দাবী জনাই অহা সত্ত্বেও হাতীৰ জাকটোক বনাঞ্চললৈ ঘূৰাই পঠোৱাত বন বিভাগে কোনো গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উঠিছে।

## বিজেপিয়ে ধৰ্মীয় মেৰুকৰণেৰে সমাজত বিভাজনৰ সৃষ্টি কৰিছে ঃ কংগ্ৰেছ

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২৭ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ ৰাজীৱ ভৱনত আজি এক সংবাদমেল সম্বোধন কৰে প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই। ভট্টাচাৰ্যই কৃষক বিলৰ তীব্ৰ বিৰোধিতা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অগণতান্ত্ৰিক চৰকাৰ আৰু আদানী-আম্বানীৰ চৰকাৰ বুলি অভিহিত কৰি আজি কৃষক মহাসভাই আহ্বান কৰা বন্ধক নৈতিক সমৰ্থন জনায়। ভট্টাচাৰ্যই কয় যে মোদী চৰকাৰে মনত ৰখা উচিত যে এই দেশ কৃষকসকলে স্বাধীন কৰিছে, কিন্তু এই কৃষকসকলৰ বিৰুদ্ধে তিনিখনকৈ ক'লা আইন জাপি দিছে। গণতন্ত্ৰৰ প্ৰমূল্যবোধ ধ্বংস নকৰিবলৈ তেওঁ আহ্বান জনায়। আনহাতে, চৰকাৰে দালালৰাজ আঁতৰোৱা সন্দৰ্ভত কয় যে চৰকাৰে দালাল আঁতৰাব, কাৰণ তেওঁলোকৰ ঘৰতে দালাল আছে। ইপিনে, গৰুখুঁটি কাণ্ডত পি এফ আই জড়িত থকাৰ প্ৰসংগত তেওঁ কয়, 'চৰকাৰ কাৰ, যদি আপোনালোকৰ হাতত তথ্য প্ৰমাণ আছে তেনেহ'লে আপোনালোকে আইনগত ব্যৱস্থা গ্ৰহণ কৰক। পি এফ আইৰ লগত কংগ্ৰেছৰ কোনো সম্পৰ্ক নাই। বিজেপিয়ে ধৰ্মীয় মেৰুকৰণ কৰি সমাজত বিভাজনৰ সৃষ্টি কৰিছে। আমি কোনো অপৰাধীৰ পক্ষত নাযাওঁ, বিজেপিয়ে কেৱল চমক সৃষ্টি কৰিবলৈ ভুৱা সংঘৰ্ষৰ নাটক ৰচিছে।'

## সাহিত্যিক কমলাকান্ত মোছাহাৰীৰ পাঁচখন গ্ৰন্থ উন্মোচন



**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** আজি গুৱাহাটী উজানবজাৰস্থিত বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত বড়ো সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক আৰু প্ৰাক্তন উপ-সভাপতি কমলাকান্ত মোছাহাৰীৰ পাঁচখন গ্ৰন্থ উন্মোচন কৰে অসমৰ শিক্ষা, ভৈয়াম জনজাতি আৰু অন্যান্য পিছ পৰা শ্ৰেণীৰ উন্নয়ন মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। এই সভাত অসমৰ প্ৰাক্তন শিক্ষা আৰু ৰাজহ মন্ত্ৰী থানেশ্বৰ বড়ো, অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত আৰু বিশেষ সচিব মোহন চন্দ্ৰ বড়ো, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন বিভাগৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত-সচিব জিতেন বৰগয়াৰী, দূৰদৰ্শন কেন্দ্ৰ, গুৱাহাটীৰ ডেপুটি ডাইৰেক্টৰ জেনেৰেল দেবেন্দ্ৰনাথ বসুমতাৰী, আনন্দ বৰুৱা ভাষা, কলা আৰু সংস্কৃতি প্ৰতিষ্ঠানৰ সঞ্চালক প্ৰফেচাৰ দিলীপ কুমাৰ কলিতা, কটন বিশ্ববিদ্যালয়ৰ ডীন প্ৰফেছৰ গণেশ ঔৱাৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰফেচৰ অনিল কুমাৰ বড়ো, বড়ো সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি দীপক কুমাৰ বসুমতাৰী, প্ৰাক্তন সম্পাদকসকল ভজেন চন্দ্ৰ বড়ো, নীলকান্ত গয়াৰী, ৰাফেল দৈমাৰী, কটন বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ভবেন্দ্ৰ নাথ কলিতা, সদৌ অসম ট্ৰাইবেল সংঘৰ সম্পাদক আদিত্য খাখলাৰী, বিশিষ্ট লেখক, সমালোচক ৰত্নেশ্বৰ বসুমতাৰী উপস্থিত থাকে। সভাত মোছাহাৰীৰ 'সানমৌখাঙাৰি' ছবি সংগ্ৰহৰ সচিত্ৰ গ্ৰন্থ, ফৌৰমায়থাই জোথায়নায়-সম্পাদকীয় প্ৰতিবেদনৰ সংগ্ৰহ, সানখাংথি আৰৌ মৌন্দাংথি-বড়ো প্ৰৱন্ধক সংকলন, 'তিন্তন আৰু মনন'-অসমীয়া প্ৰৱন্ধ সংগ্ৰহ, সভাপতিৰ অভিভাষণ সংকলন-'আফাদগিৰিনি বিবুংছাৰ জোথায়নায়' মুঠ পাঁচখন বড়ো আৰু অসমীয়া গ্ৰন্থ উন্মোচন কৰা হয়। এই গ্ৰন্থসমূহ এশ বছৰ গৰকা কোকৰাঝাৰ-গুৱাহাটীৰ এন এল পাব্লিকেচনে প্ৰকাশ কৰিছে।

## বৰপেটা জিলাৰ পঞ্চায়তৰ ২৮২ বিষয়া-কৰ্মচাৰীক একেদিনাই লটাৰীযোগে বদলি

**বিশেষ সংবাদদাতা**
**বৰপেটা, ২৭ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ গাঁও পঞ্চায়তসমূহত দুবছৰৰ অধিক সময় ধৰি একে ঠাইতে কাম কৰি থকা ঠিকাভিত্তিক ২৮২জন বিষয়া-কৰ্মচাৰীক একেদিনাই বদলি কৰা হৈছে। ৰাজ্য চৰকাৰৰ নিৰ্দেশ অনুসৰি পোনপ্ৰথমবাৰৰ বাবে লটাৰীযোগে কৰ্মচাৰীসকলৰ বদলিৰ স্থান নিশ্চিত কৰা হয়। জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূচালৰ নেতৃত্বত গঠিত এখন উচ্চ পৰ্যায়ৰ সমিতিৰ পৰিচালনাত যোৱা ২৫ ছেপ্টেম্বৰত এই উদ্দেশ্যে অনুষ্ঠিত লটাৰীযোগে কৰ্মচাৰীসকলৰ নতুন কৰ্মস্থলী নিশ্চিত কৰা হয়। উল্লেখ্য যে শেহতীয়াকৈ ৰাজ্য চৰকাৰে বিভিন্ন বিভাগৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী বদলিৰ ক্ষেত্ৰত উপায়ুক্তসকলক ক্ষমতা প্ৰদানৰ বাবে লোৱা সিদ্ধান্ত অনুসৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত বিভিন্ন গাঁও পঞ্চায়তত ঠিকাভিত্তিক নিয়োজিত হৈ থকা বিষয়া-কৰ্মচাৰীসকলৰ বদলিৰ বাবে উপায়ুক্তক সভাপতি আৰু জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক সদস্য সচিব হিচাপে লৈ এখন চাৰিজনীয়া সমিতি গঠন কৰি দিয়ে। যোৱা শুকুৰবাৰে জিলা গ্ৰামীণ বিকাশ অভিকৰণৰ সভাকক্ষত অনুষ্ঠিত সমিতিৰ বৈঠকত উপায়ুক্ত আৰু মুখ্য কাৰ্যবাহী বিষয়াৰ উপৰি ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তৰ কাৰ্যালয়ৰ যুটীয়া সচিব ললিতা দেৱী সদস্য হিচাপে উপস্থিত থাকে। তদুপৰি সংশ্লিষ্ট উন্নয়ন খণ্ডৰ বিষয়াগৰাকীকো সমিতিৰ সদস্য হিচাপে ৰখা হয়। এই বৈঠকত সমগ্ৰ বিষয়টোৰ স্বচ্ছতা ৰক্ষাৰ স্বাৰ্থত লটাৰীযোগে বদলিৰ স্থান নিশ্চিত কৰা হয়। সেই অনুসৰি বিভিন্ন পঞ্চায়তত যোৱা দুবছৰৰ অধিক দিন একে ঠাইতে নিয়োজিত হৈ থকা ৭৩জন স্বীকৃতিপ্ৰাপ্ত অভিযন্তা, ৭১জন গাঁও পঞ্চায়ত সমন্বয়ক, ৯১জন গাঁও পঞ্চায়ত ৰোজগাৰ সহায়ক, ২৪জন হিচাপ সহায়ক, ১৬ জন কম্পিউটাৰ সহায়ক আৰু সাতজন খণ্ড আঁচনি প্ৰৱন্ধকক একেদিনাই একেটা নিৰ্দেশৰ ভিত্তিত বদলি কৰা হয়। স্বচ্ছতা ৰক্ষাৰ স্বাৰ্থত সমগ্ৰ লটাৰী প্ৰক্ৰিয়াৰ ভিডিঅ' ৰেকৰ্ডিং কৰা হয়। এনেদৰে উপায়ুক্তৰ ব্যক্তিগত তৎপৰতাত একেদিনাই ইমান বৃহৎ সংখ্যক বিষয়া-কৰ্মচাৰীক এনেদৰে কোনো বক্ৰ পথৰ আশ্ৰয় নোলোৱাকৈ সম্পূৰ্ণ নীতিগতভাৱে কৰা বদলিৰ কাৰ্যক সচেতন মহলে ভূয়সী প্ৰশংসা কৰিছে।





# বেলজিয়ামত অসমৰ শ্বাটলাৰ আয়ানৰ ব্ৰঞ্জ

## তিনি অক্টোবৰত গুৱাহাটীত এথলীট অম্লানক সম্বৰ্ধনা

**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** অসম এথলেটিকছ সন্থাই অহা তিনি অক্টোবৰত সম্বৰ্ধনা জনাব ৰাষ্ট্ৰীয় মুকলি এথলেটিকছ প্ৰতিযোগিতাত অনবদ্য প্ৰদৰ্শন কৰি চমক সৃষ্টিৰে পদক লাভ কৰা ৰাজ্য নৱ চাঞ্চল্য অম্লান বৰগোঁহাইক। উল্লেখ্য যে অসমৰ অম্লানে তেলেংগনাত অনুষ্ঠিত ৰাষ্ট্ৰীয় মুকলি এথলেটিকছ প্ৰতিযোগিতাত প্ৰথমে 100 মিটাৰ দৌৰত ৰূপৰ পদক লাভ



কৰাৰ লগতে 200 মিটাৰ দৌৰত সোণৰ পদক লাভ কৰি গৌৰৱময় সফলতা অৰ্জন কৰে। কেবল সোণ লাভ কৰাৰ সফলতাই অৰ্জন কৰা নাই অসম সন্তান অম্লানে। বিপৰীতে, নিজৰ কেৰিয়াৰৰ ব্যক্তিগত শ্ৰেষ্ঠ প্ৰদৰ্শন কৰিছে লগতে পূৰ্ব ৰাজ্যিক অভিলেখ ভংগৰে নতুন অভিলেখৰ গৰাকীও হৈছে। আনহাতে, অম্লানৰ সোণ জয়ৰ সফলতাত আছে মীট ৰেকৰ্ডৰ অনন্য সাফল্যও। উল্লেখ্য যে ল'ৰাৰ 200 মিটাৰ দৌৰত অসম সন্তান অম্লানে 20.75 ছেকেণ্ডত ৰেছ পূৰ্ণ কৰি নতুন অভিলেখৰে সোণ লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰপূৰ্বে অম্লানে মীট ৰেকৰ্ডসহ ল'ৰাৰ 100 মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰিছিল। উল্লেখ্য যে 60 সংখ্যক ৰাষ্ট্ৰীয় মুকলি এথলেটিকছ প্ৰতিযোগিতাখনত অম্লানে 10.34 ছেকেণ্ড সময় লৈ 100 মিটাৰ দৌৰ পূৰ্ণ কৰি ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। অহা তিনি অক্টোবৰত ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুনৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত থকা অসম অলিম্পিক সন্থাৰ সভাকক্ষত অনুষ্ঠিত হ'ব লগা সভাত অম্লানক সম্বৰ্ধনা জনাব বুলি আজি সদৰি কৰে অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰে।

## ক্ৰমাগত তৃতীয় পৰাজয় মুম্বাইৰ

**ডুবাই, ২৭ ছেপ্টেম্বৰ ঃ** চলিত আই পি এলত ক্ৰমাগত তৃতীয় পৰাজয়ৰ সন্মুখীন হৈছে বিগত বৰ্ষৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ। যোৱানিশাৰ মেচত আৰ চি বিয়ে 54 ৰাণত পৰাস্ত কৰে বিগত বৰ্ষৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছক। পোনতে বেটিং কৰি আৰ চি বিয়ে বিৰাট কোহলিৰ 51, মেক্সৱেলৰ 56 আৰু শ্ৰীকৰ ভৰতৰ 32 ৰাণৰে ছয় উইকেটত 165 ৰাণ কৰে। বুমৰাহে তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত, মুম্বাই দলে 18.1 অভাৰত 111 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ৰোহিত শৰ্মা (43] আৰু ডিক'কৰ (24] বেটিঙৰে দলে সুন্দৰ আৰম্ভনি কৰাৰ পাছতো 32 ৰাণত পৰৱৰ্তী নটা উইকেট হেৰুৱাই মুম্বাই দলে। আৰ চি বিৰ হাৰ্চল পেটেলে চাৰিটা আৰু চাহলে তিনিটা উইকেট পায়। উল্লেখ্য যে উভয় দলে ক্ৰমাগত দুখন মেচত পৰাজয়ৰ সন্মুখীন হৈছিল। ইয়াৰপূৰ্বে চেন্নাই ছুপাৰ কিংছ দলৰ বিৰুদ্ধে 20 ৰাণত পৰাস্ত হৈছিল মুম্বাই ইণ্ডিয়ানছ। পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে 20 অভাৰত ছয় উইকেট হেৰুৱাই সংগ্ৰহ কৰে 156 ৰাণ। প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে জয়ৰ বাবে 157 ৰাণ অনুসৰণ কৰি গৈ 20 অভাৰত আঠ উইকেটত 136 ৰাণ কৰে। আনহাতে, দ্বিতীয় মেচত কলকাতা নাইট ৰাইডাৰ্ছ দলে [159-7 ৰাণ) সাত উইকেটত পৰাস্ত কৰে মুম্বাই ইণ্ডিয়ানক (155-6 ৰাণ)। এয়া মুম্বাইৰ ক্ৰমাগত তৃতীয় পৰাজয়।

## আন্তৰ্জাতিক জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাত সংগী তাছনিমৰ স'তে মিক্সড ডাবলছত সফলতা



**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰতিভাবান শ্বাটলাৰ আয়ান ৰছিদে তেওঁৰ মিক্সড ডাবলছ সংগী গুজৰাটৰ তাছনিম মিৰৰ লগত যুটি বান্ধি ইয়'নেক্স বেলজিয়াম জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰিছে। উল্লেখ্য যে ছেমিফাইনেলত ভাৰতীয় যুটিটো জাৰ্মানীৰ হাতত 21-16, 22-24, 23-25 ব্যৱধানত পৰাস্ত হয়। উল্লেখ্য যে অসম সন্তান আয়ান ৰছিদে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি ইউৰোপত অনুষ্ঠিত দুখন আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতাত অংশ লৈছিল। যোৱা 17-19 ছেপ্টেম্বৰলৈ ফ্ৰান্সত অনুষ্ঠিত হোৱা এফ জে ফ'ৰ্জ আলপাছ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতাত প্ৰথমে অংশ লয় আয়ানে। কিন্তু 19 বছৰ অনূৰ্ধ এই জুনিয়ৰ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতাখনৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হয় অসমৰ প্ৰতিভাবান শ্বাটলাৰ আয়ান ৰছিদ। ইফালে, ফ্ৰান্সৰ পৰা আয়ান উৰা মাৰে বেলজিয়ামলৈ। যোৱা 24-26 ছেপ্টেম্বৰলৈ বেলজিয়ামৰ স্পৰ্টছ হল অব হাষ্টলত অনুষ্ঠিত হয় ইয়'নেক্স বেলজিয়াম জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতা। এইখন আন্তৰ্জাতিক প্ৰতিযোগিতাত কিন্তু বিমুখ নহ'ল অসম সন্তান আয়ান। উল্লেখ্য যে আয়ান আৰু গুজৰাটৰ তাছনিম মিৰ অসম বেডমিণ্টন একাডেমীৰ প্ৰশিক্ষাৰ্থী। উভয় প্ৰতিযোগিতাত প্ৰশিক্ষকৰূপে আছিল অসম বেডমিণ্টন একাডেমীৰ প্ৰশিক্ষক সৌৰভ দাস। অসম বেডমিণ্টন সন্থাৰ সভাপতি ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু সম্পাদক ওমৰ ৰছিদে আয়ান আৰু তাছনিমক শুভেচ্ছা জনাইছে।

### প্ৰথমখন সভাতে কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত

## গুৱাহাটীৰ ক্ৰীড়া উত্তৰণৰ বাবে দৃঢ় পদক্ষেপ জি এছ এৰ



**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থা (জি এছ এ) ৰ 2021-2023 ৰ কাৰ্যকালৰ বাবে নিৰ্বাচিত হোৱা নৱগঠিত কাৰ্যকৰী সমিতিৰ প্ৰথমখন সভা ঐতিহ্যমণ্ডিত ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুনৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত থকা অসম অলিম্পিক সন্থাৰ সভাকক্ষত অনুষ্ঠিত হয়। উল্লেখ্য যে নৱনিৰ্বাচিত সভাপতি পুলক গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত গুৱাহাটীৰ ক্ৰীড়া ক্ষেত্ৰৰ উন্নয়নৰ বাবে কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰে। সেই অনুসৰি, এতিয়াৰে পৰা জি এছ এৰ অন্তৰ্গত সকলো খেলৰ বিভিন্ন দলত স্থান পোৱা প্ৰতি গৰাকী খেলুৱৈ আৰু বিষয়বৰীয়াক জলপানি আগবঢ়োৱা হ'ব। আনহাতে, জি এছ এৰ অন্তৰ্গত 36টা ক্লাবক বিত্তীয় সকাহ দিবলৈ শীঘ্ৰে ৰাজ্য চৰকাৰৰ স'তে আলোচনা কৰি সাহায্যৰ ব্যৱস্থা কৰা হ'ব। জি এছ এৰ অন্তৰ্গত সকলো খেলৰ বাবে শীঘ্ৰে একোখনকৈ একাডেমী স্থাপনৰ প্ৰস্তুতি চলোৱা হ'ব। খেলুৱৈসকলৰ স্বাস্থ্যজনিত সুৰক্ষাৰ বাবে জি এছ এই অটোমেটেড এক্সটাৰ্নেল ডিফিব্ৰিলেটৰ চমুকৈ এ ই ডি মেচিন ক্ৰয় কৰিব। ইয়াৰ লগতে সভাত লোৱা সিদ্ধান্ত অনুসৰি খেলুৱৈৰ স্বাস্থ্যবীমা এতিয়াৰে পৰা প্ৰতিটো ক্লাবৰ বাবে বাধ্যতামূলক হ'ব। জি এছ এৰ প্ৰতিখন খেলত এম্বুলেঞ্চ, চিকিৎসাসেৱা আৰু আৰক্ষী উপস্থিত থাকিব লাগিব। জি এছ এৰ নিজাবৰীয়া খেলপথাৰৰ বাবে মাটিৰ সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সৈতে আলোচনা কৰা হ'ব। জি এছ এৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনাৰ বাবে শীঘ্ৰে সভাপতি পুলক গোস্বামী, উপ-সভাপতি মনজিত ভাগৱতী, সাধাৰণ সম্পাদক ধ্ৰুৱ জ্যোতি কলিতা, কোষাধ্যক্ষ ছায়া ৰাম বড়ো আৰু সদস্য পুলক মহন্তই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰিব। আনহাতে, জি এছ এৰ ক্লাবৰ অন্তৰ্গত কোনো খেলুৱৈয়ে স্বীকৃতি নথকা প্ৰতিযোগিতাত অংশ ল'ব নোৱাৰিব বুলি সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত সভাতে জি এছ এৰ কৰ্মচাৰীসকলৰ দৰমহা বৃদ্ধিৰো সিদ্ধান্ত লোৱা হয়।



চেম্পিয়নছ লীগত আজি চিটী-পি এছ জি, অনুশীলনত মেছি-নেইমাৰ



## টি-২০ ত বিৰাটৰ ১০ হেজাৰ ৰাণ

**ডুবাই, ২৭ ছেপ্টেম্বৰ ঃ** ৰয়েল চেলেঞ্জাৰ বাংগালুৰু দলৰ অধিনায়ক বিৰাট কোহলিয়ে টি-20 ক্ৰিকেটত 10 হেজাৰ ৰাণ পূৰ্ণ কৰিছে। এয়া আন্তৰ্জাতিক মেচ তথা ক্লাব ক্ৰিকেটৰ মিলি কৰা ৰাণ। 314 খন মেচত এই সফলতা লাভ কৰিছে বিৰাটে। উল্লেখ্য যে টি-20 ক্ৰিকেটত বিৰাটৰ শতক হ'ল পাঁচটা। আনহাতে, অৰ্ধশতক 73 টা। 113 বিৰাটৰ টি-20 ক্ৰিকেটত সৰ্বোচ্চ ৰাণ। উল্লেখ্য যে চলিত আই পি এলত ক্ৰমাগত দুখন মেচত অৰ্ধশতক অৰ্জন কৰিছে বিৰাটে। ইফালে, ইফালে, চলিত আই পি এলৰ পাছতে ৰয়েল চেলেঞ্জাৰ বাংগালুৰু দলৰ অধিনায়ক পদৰ পৰা অব্যাহতি ল'ব বিৰাট কোহলিয়ে। ৰয়েল চেলেঞ্জাৰ বাংগালুৰু তথা বিৰাটে যুটীয়াকৈ এই কথা ঘোষণা কৰিছে। অৱশ্যে বিৰাটে আৰ চি বি ত্যাগ কৰাৰ কোনো কথা ব্যক্ত কৰা নাই। উল্লেখ্য যে টি-20 ক্ৰিকেটৰ নেতৃত্বৰ পৰা নিজক আঁতৰাই ৰাখিবলৈ সিদ্ধান্ত লৈছে কোহলিয়ে। সেয়ে এই ঘোষণা আগতীয়াকৈ কৰিছে। স্মৰ্তব্য যে ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক বিৰাট কোহলিয়ে আসন্ন আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পাছতে টি-20 ৰ অধিনায়ক পদ ত্যাগ কৰিব। ইতিমধ্যে এই বিষয়ে বিৰাটে ছ'ছিয়েল মিডিয়াত এক পত্ৰ প্ৰকাশ কৰি টি-20 ৰ অধিনায়ক পদ ত্যাগ কৰাৰ কথাটো আনুষ্ঠানিকভাৱে ঘোষণা কৰে। অৱশ্যে খেলুৱৈৰূপে কোহলিয়ে টি-20 ক্ৰিকেট খেলি থাকিব লগতে এদিনীয়া আৰু টেষ্ট ক্ৰিকেটত ভাৰতীয় দলক নেতৃত্বও দিব। ইতিমধ্যে এই বিষয়ে বিৰাটে বি চি চি আইৰ সভাপতি সৌৰভ গাংগুলী, সম্পাদক জয় শ্বাহ আৰু নিৰ্বাচক কমিটিৰ অধ্যক্ষৰ লগত আলোচনা কৰিছে।

## দুখনত ব্যৰ্থতাৰ পাছত আৰ চি বিৰ জয়

**ডুবাই, ২৭ ছেপ্টেম্বৰ ঃ** চলিত আই পি এলত যোৱানিশা দুখন মেচ অনুষ্ঠিত হয়। ইয়াৰে প্ৰথমখন মেচত মুখামুখি হয় দুই পূৰ্ব চেম্পিয়ন চেন্নাই ছুপাৰ কিংছ আৰু কলকাতা নাইট ৰাইডাৰ্ছ। মেচখনত জয়ী হয় চেন্নাই ছুপাৰ কিংছ। আনহাতে, দ্বিতীয়খন মেচত আৰ চি বিয়ে 54 ৰাণত পৰাস্ত কৰে বিগত বৰ্ষৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছক। পোনতে বেটিং কৰি আৰ চি বিয়ে বিৰাট কোহলিৰ 51, মেক্সৱেলৰ 56 আৰু শ্ৰীকৰ ভৰতৰ 32 ৰাণৰে ছয় উইকেটত 165 ৰাণ কৰে। বুমৰাহে তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত, মুম্বাই দলে 18.1 অভাৰত 111 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ৰোহিত শৰ্মা (43] আৰু ডিক'কৰ (24] বেটিঙৰে দলে সুন্দৰ আৰম্ভনি কৰাৰ পাছতো 32 ৰাণত পৰৱৰ্তী নটা উইকেট হেৰুৱাই মুম্বাই দলে। আৰ চি বিৰ হাৰ্চল পেটেলে চাৰিটা আৰু চাহলে তিনিটা উইকেট পায়। দুটা উইকেট পোৱা মেক্সৱেল মেচৰ শ্ৰেষ্ঠ হয়। উল্লেখ্য যে উভয় দলে ক্ৰমাগত দুখন মেচত পৰাজয়ৰ সন্মুখীন হৈছিল। অন্তিম মেচত চেন্নাই ছুপাৰ কিংছ দলে ছয় উইকেটত পৰাস্ত কৰে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলক। পোনতে বেটিং কৰি আৰ চি বিয়ে ছয় উইকেটত 156 ৰাণ কৰে। দলৰ হৈ অধিনায়ক বিৰাট কোহলিয়ে 53 আৰু পাডিকালে 70 ৰাণ কৰে। প্ৰত্যুত্তৰত, চেন্নাই ছুপাৰ কিংছ দলে 18.1 অভাৰত চাৰি উইকেট হেৰুৱাই 157 ৰাণ কৰি সহজ বিজয় অৰ্জন কৰে। ইয়াৰ পূৰ্বৰ মেচতো নিলৰ্জ্জ



পৰাজয়ৰ সন্মুখীন হৈছিল ৰয়েল চেলেঙ্গাৰ্ছ বাংগালুৰু দল। আই পি এলৰ পূৰ্ব চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছে ন উইকেটত পৰাস্ত কৰে বিৰাট কোহলিৰ দল ৰয়েল চেলেঙ্গাৰ্ছ বাংগালুৰুক। পোনতে বেটিং কৰা ৰয়েল চেলেঙ্গাৰ্ছ বাংগালুৰু দলে 19 অভাৰত সকলো উইকেট হেৰুৱাই সংগ্ৰহ কৰে মাত্ৰ 92 ৰাণ। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে 10 অভাৰত এটা উইকেট হেৰুৱাই 94 ৰাণ কৰি ন উইকেটত সহজে পৰাস্ত কৰে আৰ চি বিক।

## জুভেণ্টাছৰ জয়

**ৰোম, ২৭ ছেপ্টেম্বৰ ঃ** ইটালিয়ান ফুটবল লীগৰ যোৱানিশাৰ মেচত জুভেণ্টাছে 3-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ছাম্পড'ৰিয়াক। অৱশ্যে দল এতিয়াও পইণ্ট তালিকাৰ নৰম স্থানত আছে। ছয়খন মেচত জুভেণ্টাছৰ পইণ্ট হ'ল আঠ। উল্লেখ্য যে ইটালিয়ান ফুটবল লীগত অপৰাজেয় হৈ ছয়খন মেচত 18 পইণ্ট লাভ কৰি শীৰ্ষত আছে নেপ'লি। যোৱানিশা নেপ'লিয়ে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে কাগলিয়াৰিক। ইয়াৰপূৰ্বে অন্তিম মেচত নেপ'লিয়ে 4-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল উদেনেছক। আনহাতে, পূৰ্বৰ মেচত নেপ'লিয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল জুভেণ্টাছক। দ্বিতীয় স্থানত থকা এ চি মিলানে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেজয়াক। আনহাতে, ইণ্টাৰ মিলানে 2-2 গ'লত ড্ৰ খেলে আটলাণ্টাৰ লগত। দল তৃতীয়ত আছে। উল্লেখ্য যে অন্তিম মেচত জুভেণ্টাছৰ লগত 1-1 গ'লত ড্ৰ খেলিছিল এ চি মিলানে। ইয়াৰপূৰ্বে এ চি মিলানে 2-0 গ'লত পৰাস্ত কৰিছিল ভেনেজিয়াক। উল্লেখ্য যে চেম্পিয়নছ লীগত এ চি মিলানে আত্মঘাটী গ'ল হজম কৰি পৰাজয়ৰ সন্মুখীন হৈছিল ইংলিছ ক্লাব লিভাৰপুলৰ বিৰুদ্ধে। নিজৰ প্ৰথম মেচখনত 3-2 গ'লত পৰাস্ত হয় এ চি মিলান। ইফালে, চতুৰ্থ স্থানত থকা ৰোমা যোৱানিশা 2-3 গ'লতপৰাস্ত হয় লাজিঅ'ৰ হাতত।

## ছিনিয়ৰ আন্তঃজিলা ফুটবললৈ গুৱাহাটী

**গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** 69 সংখ্যক ছিনিয়ৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতা 2021-22ৰ বাবে গুৱাহাটী দলটো ঘোষণা কৰা হৈছে। উল্লেখ্য যে গুৱাহাটী ক্ৰীড়া সন্থাই ঘোষণা কৰা 20 জনীয়া দলটোত পাঁচগৰাকী 21 বছৰ অনুৰ্দ্ধ খেলুৱৈক অন্তৰ্ভুক্ত কৰা হৈছে। গুৱাহাটী ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক ধ্ৰুৱ জ্যোতি কলিতাই জনোৱা অনুসৰি নিৰ্বাচিত খেলুৱৈসকল হ'ল- **গ'লৰক্ষক ঃ** মূল্য ৰাভা (অসম পুলিচ ব্লুজ), দ্বীপজ্যোতি মিলি (গুৱাহাটী চিটি এফ চি), **ডিফেণ্ডাৰ ঃ** ৰোহিত মাহাতো (এন এফ ৰেলৱে এছচি) ৰঘুনাথ বড়ো (অধিনায়ক), আশিস লাংথাছা, দ্বিপেন দৈমাৰী (এ এছ ই বি এছ চি), শুভক্ষণ ৰাভা (ছানৰাইজ এ চি), কংকন শৰণীয়া (এফ চি গ্ৰীণভেলী), বিশ্বজিত বড়ো (অসম পুলিচ ব্লুজ)। **মিডফিল্ডাৰ ঃ** সৌৰভ চুতীয়া (ছানৰাইজ এ চি), কুশল চেত্ৰী (গুৱাহাটী চিটি এফ চি), দ্বিজৰাজ বড়ো (এ এছ ই বি এছ চি), ৰাজকুমাৰ পাংগিং (অসম পুলিচ ব্লুজ), ত্ৰিদিপ বড়ো (এ এছ ই বি এছ চি), মনীষ সিং (গুৱাহাটী চিটি এফ চি), আবু ওছমান আলী (কামৰূপা এফ চি), ধৱেশ দৈমাৰী (নৱজ্যোতি ক্লাব)। **ফৰৱাৰ্ড ঃ** কংকন ৰাভা (নৱজ্যোতি ক্লাব), ৰাকেশ দাস (এফ চি গ্ৰীণভেলী), মনজিত ৰাভা (নৱজ্যোতি ক্লাব)। **ষ্টেণ্ড বাই ঃ** প্ৰণৱ ডেকা (গুৱাহাটী চিটি এফ চি), নয়নজ্যোতি কুলী (এফ চি গ্ৰীণভেলী), ৰাহুল কলিতা (গুৱাহাটী চিটি এফ চি), মফিদুল ইছলাম (অসম পুলিচ ব্লুজ)। দলটোৰ প্ৰশিক্ষক হৈছে বিজয় সোণোৱাল। মেনেজাৰ ঃ ছৰফৰাজ হুছেইন আৰু অফিচিয়েল ৰূপে থাকিব কৌস্তৰ চক্ৰৱৰ্ত্তী আৰু মনোজ বড়ো।



## লা-লিগাত বাৰ্চিলোনাৰ জয়

**মাদ্ৰিদ, ২৭ ছেপ্টেম্বৰ ঃ** লা-লিগাৰ যোৱানিশাৰ মেচত পূৰ্ব চেম্পিয়ন বাৰ্চিলোনাই 3-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে লেভাণ্টেক। অৱশ্যে দল এতিয়াও পইণ্ট তালিকাৰ ষষ্ঠ স্থানত আছে। ছয়খন মেচত বাৰ্চিলোনাৰ পইণ্ট হ'ল 12¼ বিগত বৰ্ষৰ চেম্পিয়ন ৰিয়াল মাদ্ৰিদে সাত খন মেচৰ পৰা 17 পইণ্ট লাভ কৰি শীৰ্ষত উপনীত হৈছে । দ্বিতীয় স্থানত ৰিয়াল ছ'ছিয়েদাদ (16 পইণ্ট)। আনহাতে, সাত খন মেচৰ পৰা 14 পইণ্ট লাভ কৰি তৃতীয় স্থানত থকা ছেভিলাই 2-0 গ'লৰ ব্যৱধানত জয়লাভ কৰে। পূৰ্বৰ মেচত ছেভিলাই পৰাস্ত কৰিছিল চতুৰ্থ স্থানত থকা ভেলেন্সিয়াক। 14 পইণ্ট লাভ কৰি চতুৰ্থ স্থানত আছে এথলেটিকো মাদ্ৰিদ। উল্লেখ্য যে বিগত বৰ্ষৰ চেম্পিয়ন ৰিয়াল মাদ্ৰিদে গ'লশূণ্য ড্ৰ খেলে ভিল্লাৰিয়ালৰ লগত। আনহাতে, এলাভেজৰ বিৰুদ্ধে 1-0 গ'লৰ ব্যৱধানত পৰাস্ত হয় এথলেটিকো মাদ্ৰিদ। উল্লেখ্য যে পূৰ্বৰ মেচত ৰিয়াল মাদ্ৰিদে 6-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল মাল'ৰ্কাক। উল্লেখ্য যে ইয়াৰপূৰ্বে চেম্পিয়নছ লীগ ফুটবলৰ মেচত স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল ইটালীৰ ক্লাব ইণ্টাৰ মিলানক। কিন্তু স্পেইনৰ আন এটা ক্লাব এথলেটিকো মাদ্ৰিদে গ'লশূন্য ড্ৰ খেলিছিল এফ চি প'ৰ্টোৰ বিৰুদ্ধে। বিপৰীতে বাৰ্চিলোনা পৰাস্ত হৈছিল বেয়াৰ্ণ মিউনিখৰ বিৰুদ্ধে।



## জুনিয়ৰ ৰাষ্ট্ৰীয় এথলেটিকছক লৈ সভা

**গুৱাহাটী, ১৭ ছেপ্টেম্বৰ ঃ** অহা বছৰ আৰম্ভণিতে অসমত অনুষ্ঠিত হ'ব জুনিয়ৰ ৰাষ্ট্ৰীয় এথলেটিকছ প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ সফল আয়োজনৰ বাবে অসম এথলেটিকছ সন্থাই প্ৰায় চাৰি মাহ পূৰ্বেই প্ৰস্তুতি চলোৱাৰ কাম আৰম্ভ কৰিছে। উল্লেখ্য যে অসম এথলেটিকছ সন্থাই অহা তিনি অক্টোবৰত ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুনৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত থকা অসম অলিম্পিক সন্থাৰ সভাকক্ষত কাৰ্যনিৰ্বাহক সভাৰ আয়োজন কৰিছে। এই সভাতে সৰুসজাইত হ'বলগা জুনিয়ৰ ৰাষ্ট্ৰীয় এথলেটিকছ প্ৰতিযোগিতাৰ প্ৰস্তুতিৰ বাবে আলোচনা কৰা হ'ব। আনহাতে, উক্ত সভাত ৰাজ্যিক প্ৰতিযোগিতাৰ সূচী তথা সাধাৰণ সভাৰ দিন তথা স্থানো নিৰ্ধাৰণ কৰা হ'ব বুলি জনাইছে অসম এথলেটিকছ সন্থাৰ সম্পাদক অশোক কুমাৰ ভৰালীয়ে। উল্লেখ্য যে অলপতে ৰাজস্থানৰ জয়পুৰত অনুষ্ঠিত হৈছে ভাৰতীয় এথলেটিকছ ফেডাৰেছনৰ কাৰ্যকৰী সভা। এই সভাত অংশ লৈছিল অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰে। উক্ত সভাতে অহা বছৰ জুনিয়ৰ ৰাষ্ট্ৰীয় এথলেটিকছ প্ৰতিযোগিতা আয়োজনৰ দায়িত্ব অসমক দিয়ে। সেই অনুসৰি 25-28 জানুৱাৰীলৈ গুৱাহাটীত অনুষ্ঠিত হ'ব 37 সংখ্যাক জুনিয়ৰ ৰাষ্ট্ৰীয় এথলেটিকছ প্ৰতিযোগিতা। উল্লেখ্য যে চলিত বৰ্ষতে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অসম এথলেটিকছ সন্থাই আয়োজন কৰিছিল জুনিয়ৰ ৰাষ্ট্ৰীয় এথলেটিকছ প্ৰতিযোগিতা।



ৰঙিয়াত অনুষ্ঠিত কুপাৰ টেষ্টত অংশ লোৱা ফুটবল ৰেফাৰীসকল।

# অসম ক্ৰিকেটৰ সন্মানৰ বাবে চৰম ত্যাগ কৰিছিল নিলয় দত্তই



**দেশ**ৰ প্ৰখ্যাত আইনজ্ঞ, সংবিধান বিশেষজ্ঞ, বিশিষ্ট ক্ৰীড়া সংগঠক তথা আই চি চিৰ স্বীকৃতিপ্ৰাপ্ত অসমৰ দ্বিতীয়জন ক্ৰিকেট আম্পায়াৰ নিলয় দত্ত (71) ৰ যোৱা 18 ছেপ্টেম্বৰত নিশা দুই বজাত আকস্মিক দেহৰসান ঘটে। কৰ্ণাটকৰ কুৰ্গলৈ পৰিয়ালৰ স'তে 46 সংখ্যক বিবাহ বাৰ্ষিকী পালন কৰিবলৈ যোৱা দত্তই হৃদৰোগত আক্ৰান্ত হৈ আমাৰ মাজৰ পৰা চিৰদিনলৈ আঁতৰি যায়। নিজৰ প্ৰাণতকৈয়ো অসমক ভালপোৱা এগৰাকী নিভাঁজ অসমীয়াৰ বিয়োগ আমাৰ জাতীটোৰ বাবে এক বৃহৎ ক্ষতি। খেলৰ মাধ্যমৰে দত্তৰ লগত আমাৰ এক নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল। মৃত্যুৰ দিনাও চাৰি ঘণ্টা পূৰ্বে নিশা 10 বজাত দত্তই ফোনযোগে আমাৰ লগত কথা পাতিছিল। অসম ক্ৰিকেটৰ কথা। অসম ক্ৰিকেটৰ উত্তৰণ বাবে 24 ঘণ্টাই চিন্তা কৰা ব্যক্তিজন আছিল প্ৰয়াত বন্ধু নলয় দত্ত। আইনজীৱি হিচাপে সন্মান আৰু গৌৰৱৰ উচ্চ শীখৰ লাভ কৰাৰ পাছতো দত্তৰ মন আৰু হৃদয় সদায়ে অসম ক্ৰিকেটক লৈ আবেগৰে ভৰি আছিল। অসম আৰু অসম ক্ৰিকেটৰ সন্মানৰ বাবে চৰম ত্যাগ কৰিছিল দত্তই। 1996 ত ভাৰতত অনুষ্ঠিত হৈছিল বিশ্বকাপ ক্ৰিকেট। বিশ্বকাপৰ এখন মেচ গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামতো অনুষ্ঠিত কৰাৰ আশা আমি সকলোৱে কৰিছিলো। কিন্তু ৰবী শাস্ত্ৰীয়ে নেহৰু ষ্টেডিয়াম পৰিদৰ্শন কৰি খেল আয়োজন নকৰাৰ প্ৰতিবেদন দিলে। তেতিয়া দত্তই আই চি চিৰ পৰা স্বীকৃতি লাভ কৰি কেবল দুখন এদিনীয়া আন্তৰ্জাতিক মেচতহে আম্পায়াৰৰ দায়িত্ব লৈছিল। কিন্তু অসমক কৰা বঞ্চনাৰ বাবে তেওঁ প্ৰতিবাদ কৰিলে বি চি চি আই আৰু আই চি চিত। ব'ৰ্ডক ঘুৰাই দিলে আম্পায়াৰৰ ব্লেজাৰ। ভাৰতীয় ক্ৰিকেটত এনে ঘটনা দ্বিতীয়বাৰলৈ হোৱা নাই। জাতীৰ সন্মানৰ বাবে নিজে ত্যাগ কৰাৰ এই ঘটনা অসমীয়াৰ বাবে সদায়ে আদৰ্শ আৰু স্মৰণীয় হৈ থাকিব। 2006 ৰ এপ্ৰিলত গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগা ভাৰত আৰু ইংলণ্ডৰ মাজৰ এদিনীয়া মেচখন বৰষুণৰ বাবে বাতিল হোৱাত একাংশ দৰ্শকে অপ্ৰীতিকৰ ঘটনা সংঘটিত কৰিছিল। এই ঘটনাৰ বাবেই গুৱাহাটীত পুনৰ আই চি চিৰ মেচ নিদিয়াৰ এক পৰিকল্পনা বি চি চি আইত হৈছিল যদিও অসম ক্ৰিকেট সন্থাক প্ৰতিনিধিত্ব কৰি দত্তই দক্ষতাৰে বি চি চি আই আৰু আই চি চিৰ বিৰুদ্ধে যুদ্ধ জয় কৰিছিল। উল্লেখ্য যে উক্ত মেচৰ সময় আছিল পুৱা 8.30 বজাত আৰু দল ষ্টেডিয়াম পাব লাগে 7.30 বজাত। কিন্তু ইংলণ্ড দলটো 11 বজালৈ হোটেলতে আছিল। এয়া আই চি চিৰ নিয়ম ভংগ বুলি সভাত ব্যক্ত কৰি সফল হৈছিল দত্ত। লগতে গুৱাহাটীৰ চেণ্টাৰ কৰ্তন কৰাৰ প্ৰয়াসো অসফল কৰি দিয়ে। আমি সম্পাদক থকাৰ সময়তে আৰম্ভ কৰিছিলো গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়াম নিৰ্মানৰ। প্ৰাথমিক পৰ্যায়তে আছিল প্ৰত্যাহ্বান আৰু সমস্যা। কিন্তু বন্ধু দত্তই যেতিয়াই প্ৰয়োজন হয় সহায় কৰিছিল। বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়াম নিৰ্মানত প্ৰয়াত দত্তৰ ভূমিকা অনন্য। ইফালে, তেওঁৰ মেধা শক্তিৰ বাবেই বি চি চি আয়ে সকলো সময়তে দত্তৰ মত বিচাৰিছিল। আই পি এলৰ স্পট ফিক্সিং ঘটনাৰ পাছত ভাৰতীয় ক্ৰিকেটত লগা কলা ডাৱৰ পৰৱৰ্তী সময়ত আঁতৰোৱাত দত্তই গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। কিন্তু ব'ৰ্ডে বিচৰাৰ পাছতো তেওঁ কোনো পদ লোৱা নাছিল। খেলৰ জৰিয়তে মানসিক শান্তি লাভ কৰা দত্তই আইনৰ পেছাদাৰী সময়খিনিক বাদ দি বাকী সময় সক্ৰিয়ৰূপে অসম ক্ৰিকেটক দিছিল নিস্বাৰ্থভাৱে। দত্তৰ বিদায় আমাৰ বাবে অপুৰণীয় ক্ষতি। আচলতে অভিভাবকহীন হ'ল অসম ক্ৰিকেট। আজি আদ্যশ্ৰাদ্ধৰ দিনা বন্ধু, পথ প্ৰদৰ্শক দত্তলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

**বিকাশ বৰুৱা, প্ৰাক্তন সম্পাদক, অসম ক্ৰিকেট সন্থা**

## বিলাসনন্দন চ'ৰা



# কামৰ কামোৰ

**আমাৰ** মহাৰাজে, মানে দাদাৰজাৰ কথা কৈছো, যি হাৰত কাম কৰিবলৈ লৈছে, দেখিলেই আচৰিত লাগে পাই। কেৱল কাম আৰু কাম। দিনত কাম ৰাতি কাম। পুৱা কাম গধূলি কাম। এফালৰ পৰা সৱ কাম কৰি চাফা কৰি গৈ আছে। ৰ'বলৈ সময় নাই। তেওঁ আকৌ ফোন কৰি ফোন কৰি কাকোৰে সুধি নাথাকে— কামটো হ'ল নে নাই? নিজেই গৈ কামত ধৰি দিয়ে। কামত কোনো এলাহ নাই। এনেয়ে শুনা যায় যে কাম কৰিলেহে নাম হয়। কিন্তু তেওঁকতো আজিৰ দিনত নাম নালাগে। কমতো নাম হোৱা নাই তেওঁৰ। তাৰ পাছতো তেওঁ কাম নকৰাকৈ থকা নাই। যিমানেই কাম কৰিছে, সিমানেই কামৰ ধান্দা বাঢ়ি গৈছে। অনবৰতে চিঞৰি থাকে— কাম লাগে মোক, কাম! কাম দে মোক, কাম দে!

মহাৰাজৰ এই কাম কাম কৰি থকা কামটোৱে বাকী ৰজাঘৰীয়াবোৰক কামত নহা চিন্তাতো পেলাইছে। বহু ৰজাঘৰীয়াই মহাৰাজক বুজাবলৈ ট্ৰাই কৰিছে— 'মহাৰাজ! ইমান কাম নকৰিব।'

ঃ কৰিমেই! মোক কাম দে!

ঃ কাম কৰিবলৈ আমিও আছোতো!

ঃ তহঁত একো কামৰ নহয়।

ঃ ইমান বেছি কাম কৰিলে আপুনি কামোৰ হৈ যাব।

ঃ হৈ যাম কামোৰ। কাম কিন্তু লাগিবই।

ঃ ইমান বেছি কাম কৰিলে আপুনি কাম নোহোৱা হৈ যাব মহাৰাজ।

ঃ কিয় কাম নোহোৱা হ'ম?

ঃ সৱ কাম যদি এবছৰতে খতম কৰে, বাকী বছৰবোৰত কি কাম কৰিব মহাৰাজ?

এই কথাটোৱে মহাৰাজৰ মগজত ষ্ট্ৰাইক কৰিলে। সৱ কাম যদি শেষ হৈ যায়, একো কাম যদি কৰিবলৈ নাথাকেই, তেন্তে মহাৰাজ কেনেকৈ চলিব? ৰাজসভাৰ পৰা মহাৰাজ অন্তেষপুৰলৈ গ'ল। ৰাজশয্যাত হাত-ভৰি মেলি শুই দিলে। ভাবি থাকিল কথাটো। লাহে লাহে মহাৰাজৰ চকু দুটা জাঁপ খাই আহিল। সপোন ৰাজ্যলৈ গুচি গ'ল মহাৰাজ। সপোনটো চাৰি-পাঁচ বছৰ পাছৰ। মহাৰাজ বহি আছে সিংহাসনত। অধীৰ অপেক্ষাত আছে মহাৰাজ। ৰাজসভাত বহি থকা দুই-এক ৰজাঘৰীয়াই কৰা বুবু-বা-বাৰ পৰা গম পোৱা গ'ল যে মহাৰাজ বৰ টেনছনত আছে। কাৰণ তেওঁৰ হাতত কৰিবলৈ আজি একো কাম নাই। কাম নকৰাকৈ আকৌ তেওঁ থাকিব নোৱাৰে। কৰিবলৈ কিবা কাম বাকী আছে নেকি, আছে যদি কি কাম বাকী আছে তাকে জানিবলৈ মহাৰাজে দুই কটকীক প্ৰেৰণ কৰিলে ৰাইজৰ মাজলৈ। সুধি আহিবলৈ দিলে— মহাৰাজে কি কাম কৰাটো ৰাইজে বিচাৰে। মন কৰিব মহাৰাজে সপোনহে দেখি আছে। চাৰি-পাঁচ বছৰ পাছত কি কাম কৰিব তাৰেই সপোন। সপোনো আকৌ কামৰ সপোনহে দেখে। সপোনতো কেৱল কামহে কৰে। সপোনতো চিন্তা কামৰহে।

যিয়ে নহওক, সপোনত মহাৰাজে কটকী অহালৈ অধীৰ আগ্ৰহেৰে বৈ আছে। বৈ আছে ৰজাঘৰীয়াবোৰেও। অৱশেষত ৰাইজৰ খবৰ লৈ কটকী আহি ৰাজসভাত হাজিৰ হ'ল— 'মহাৰাজৰ জয় হওক।'

মহাৰাজে আগ্ৰহেৰে সুধিলে— 'কোৱাহে কটকী, কি খবৰ আনিছা?'

ঃ খবৰ ভালেই মহাৰাজ!

ঃ মই কৰিবলৈ কিবা কাম বাকী আছে নেকি?

ঃ নাই মহাৰাজ।

ঃ ৰাস্তাৰ কাম?

ঃ নাই।

ঃ দলঙৰ কাম?

ঃ নাই।

ঃ কাৰেণ্টৰ কাম?

ঃ নাই।

ঃ স্কুলৰ কাম?

ঃ নাই।

ঃ হাস্পতালৰ কাম?

ঃ নাই।

চাকৰিৰ কাম?

ঃ নাই।

ঃ উচ্ছেদৰ কাম?

ঃ নাই।

মহাৰাজে সুধিলে— 'তেন্তে মোৰ আৰু কি কাম কৰিবলৈ বাকী থকা বুলি ৰাইজে ভাবে?'

কটকীয়ে ক'লে— 'ৰাইজে ভাবে— আপোনাৰ আৰু এটা কামহে কৰিবলৈ বাকী আছে!'

ঃ কি কাম?

ঃ সকাম!

ঃ কাৰ সকাম?

ঃ গণতন্ত্ৰৰ!

সপোন ভাঙি মহাৰাজে উঠি বহিল— 'মোৰ ধান্দা ৰাইজে কেনেকৈ গম পালে?'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## শেষ পৃষ্ঠাৰ প্ৰথম
### দৈনন্দিন

## মহানগৰীৰ ঘৰে ঘৰে এদিন বিক্ৰী কৰিছিল বিস্কুট

# পদপথত বুট-মগু বিক্ৰী কৰা ৰাজীৱ বৰা আজি দুখন ৰেস্তোৰাঁৰ মালিক



**প্ৰতিজন** ব্যক্তিৰ জীৱনতে আছে দুখ-বেদনা, সুখ-আনন্দ। এই দুখ-বেদনাক সৃষ্টিৰ আনন্দলৈ ৰূপান্তৰিত কৰিব পৰাজনেহে প্ৰকৃতাৰ্থত বিচাৰি পায় জীৱনৰ আচল অৰ্থ। দুখৰ মহাসাগৰত বুৰ মাৰি কিদৰে সুখৰ মাণিক বুটলিব সেয়া নিৰ্ভৰ কৰে ব্যক্তিজনৰ দৃষ্টিভংগী আৰু জীৱন দৰ্শনৰ ওপৰত। প্ৰত্যেক ব্যক্তিয়েই জীৱনত প্ৰত্যাহ্বানৰ সন্মুখীন হয় আৰু এই প্ৰত্যাহ্বানে এজন ব্যক্তিক কঠোৰ সংগ্ৰামৰ মাজেৰে জীৱনটো উপভোগ কৰিবলৈ শিকায়। প্ৰতিজন ব্যক্তিৰ জীৱনত লক্ষ্য থাকে নিজক মহান ৰূপত গঢ়ি তোলাৰ। এনে লক্ষ্য আগত ৰাখিয়েই কঠিন পৰিশ্ৰমৰ লগত দৃঢ়তা যোগ দিয়া বহুজনেই কিদৰে জীৱনক সফলতাৰ দুৱাৰডলিত থিয় কৰাব পাৰিছে তাৰ উদাহৰণ এই সমাজত অলেখ আছে। কঠোৰ পৰিশ্ৰমেই একমাত্ৰ জীৱনৰ মূল লক্ষ্য আৰু দুঃসাহসী-তেজস্বী মন লৈ এদিন পদপথত বুট-মগু বিক্ৰী কৰা ৰাজীৱ বৰাই সম্প্ৰতি দুখন ৰেস্তোৰাঁৰ মালিক হ'বলৈ সক্ষম হৈছে।

সৰুৰে পৰা জীৱনৰ ৰঙীণ সপোন দেখা সম্প্ৰতি 'টেষ্ট এণ্ড বেষ্ট' ৰেস্তোৰাঁৰ স্বত্বাধিকাৰী ৰাজীৱ বৰাই ১৯৮০ৰ পহিলা এপ্ৰিলত জাগীৰোডৰ জাগীভকত গাঁৱত এটা অতি দৰিদ্ৰ পৰিয়ালত জন্মলাভ কৰিছিল। পিতৃ-মাতৃৰ লগতে এজনকৈ ককায়েক, বায়েক আৰু ভায়েক অৰ্থাৎ ছজনীয়া পৰিয়ালটোৰ পোহপাল দিবলৈ সেই সময়ত বৰাৰ প্ৰয়াত পিতৃয়ে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল। ফলত সৰুৰে পৰাই বৰাই ব্যতিক্ৰমী কাম-কাজ, ব্যৱসায়ৰ জৰিয়তে পিতৃক সহযোগ কৰি আহিছিল। আনকি বিদ্যালয়ত পঢ়ি থকা অৱস্থাত ঘৰৰ সন্মুখৰ পদপথতে এখন সৰু টেবুলত বুট-মগু বিক্ৰী কৰি উপাৰ্জনৰ পথৰ লগতে ব্যৱসায়ো আৰম্ভ কৰিছিল বৰাই। পুৰণি স্মৃতি ৰোমন্থন কৰি উদ্যোগী বৰাই কয়, 'সৰু কালৰ কথা ভাবিলে এতিয়াও কেতিয়াবা আবেগিক হৈ পৰো। পদপথত বুট-মগু বিক্ৰী কৰাৰ উপৰি মই সেই সময়ত কাগজ কলত হাজিৰা কামো কৰিছিলো। যেতিয়া মই মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষা দিছিলো বেলেগৰ পৰা টকা ধাৰ কৰি পঢ়িবলগীয়া হৈছিল। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা যেতিয়া মই উত্তীৰ্ণ হ'লো, দৰিদ্ৰতাৰ তাগিদাত কাম বিচাৰি গুৱাহাটীলৈ আহিছিলো।' উল্লেখ্য যে মনত অদ্যম সাহস আৰু উদ্যম লৈ বৰা যেতিয়া কাম বিচাৰি গুৱাহাটীলৈ আহিছিল তেতিয়াও লোকৰ পৰা টকা ধাৰ কৰিহে আহিব লগা হৈছিল। গুৱাহাটীত উপস্থিত হোৱাৰ পাছত ক্ৰমান্বয়ে তেওঁ নিষ্ঠাৰে নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল আৰু এদিন বুট-মগু বিক্ৰী কৰা বৰাই আজি প্ৰায় ১৬শ যুৱক-যুৱতীক সংস্থাপন দিবলৈ সক্ষম হৈছে। গুৱাহাটীলৈ আহি প্ৰথমাৱস্থাত বৰাই এটা ঔষধৰ কোম্পানীত প্ৰতিপালক পদৰ জৰিয়তে সংস্থাপিত হৈ পৰৱৰ্তী পৰ্যায়ত বিভিন্ন সংস্থাক শ্ৰমিক যোগান ধৰা কাম আৰম্ভ কৰিছিল। সমান্তৰালভাৱে বৰাই মহানগৰত বিভিন্নজনৰ ঘৰে ঘৰে গৈ বিস্কুট বিক্ৰী কৰিও উপাৰ্জনৰ পথ প্ৰশস্ত কৰিছিল। উল্লেখ্য যে ইয়াৰ মাজতে ২০০২ত বৰাৰ জীৱনলৈ নামি আহিছিল এক সোণালী সুযোগ আৰু সেই সুযোগ বৰাই সদ্ব্যৱহাৰ কৰি আজি এজন উদ্যোগীৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ জীৱনৰ এই 'টাৰ্ণিং পইণ্ট'ৰ বৰ্ণনা কৰি কয়, '২০০২ত মহানগৰীৰ প্ৰতিষ্ঠিত ব্যৱসায়ী-উদ্যোগী, অসম কেনভাছৰ স্বত্বাধিকাৰী প্ৰয়াত যাদৱ চন্দ্ৰ ভূঞাই হাৰ্বো ফাউণ্ডেছন নামৰ এটা ইমামি কছমেটিক কোম্পানী বামুণীমৈদামত স্থাপন কৰিছিল। এই কোম্পানীটোত থাৰ্ড পাৰ্টিৰ কাম চোৱা-চিতাৰ দায়িত্ব দিছিল। ২০১১-২০১২ লৈকে মই এই কামতে জড়িত আছিলো। চৰকাৰৰ লগত হোৱা চুক্তি অৰ্থাৎ ১০ বছৰ শেষ হোৱাত কোম্পানীটো সেই স্থানৰ পৰা উঠি অভয়াপুৰীত স্থাপন হৈছিল। তাতো মই দুবছৰ এই কাম সম্পাদন কৰিবলৈ গৈছিলো। সেই সময়তে মই শ্ৰম অনুজ্ঞা পত্ৰ এখন আবেদন কৰিছিলো আৰু সেয়া পাবলৈ সক্ষম হৈছিলো। ইয়াৰ পাছতে মই সেই কাম এৰি অনুজ্ঞাপত্ৰখন লৈ গডৰেজ কনজুমাৰ প্ৰডাক্ট লিমিটেডত শ্ৰমিক যোগানৰ বাবে আবেদন কৰো আৰু আজিও সেই কাম অব্যাহত ৰাখিছো।'

সম্প্ৰতি পুত্ৰ-পত্নীসহ মহানগৰীত বসবাস কৰা বৰাই বামুণীমৈদামত ইমামি কছমেটিক কোম্পানীত থাৰ্ড পাৰ্টি কাম কৰি থকা অৱস্থাত অৰ্থাৎ ২০০৬ত জনসাধাৰণ কাকতৰ কাৰ্যালয়ৰ কাষতে তৰ্জা বেৰেৰে এখন ষ্টাফ কেণ্টিন আৰম্ভ কৰিছিল। নিজৰ হাতেৰে এখন কাগজত স্কেচ্ কৰি কেণ্টিনখনৰ নাম দিছিল 'টেষ্ট এণ্ড বেষ্ট'। নিজেই বাচন-বৰ্তন ধুই, সকলো কৰি দুবছৰ দিন ধৰি এই কেণ্টিন বৰাই চলাই গৈছিল যদিও ব্যক্তিগত অসুবিধাৰ হেতুকে তেওঁ কেণ্টিনখন বন্ধ কৰি দিবলগীয়া হৈছিল। বন্ধ হোৱাৰ ১৩ বছৰ অতিক্ৰম কৰা কেণ্টিনখনৰ সেই স্মৃতি পাহৰিব পৰা নাই। অৱশেষত সেই হাতেৰে কাগজত স্কেচ্ কৰি লিখা 'টেষ্ট এণ্ড বেষ্ট' নামেৰে চলিত বৰ্ষৰ ছয় আগষ্টত চান্দমাৰি উৰণীয়া সেতুৰ তলত এখন ৰেস্তোৰাঁ মুকলি কৰে সপোন বাস্তৱত ৰূপান্তৰিত কৰে উদ্যোগী বৰাই। সমান্তৰালভাৱে তেওঁ একেই নামেৰে যোৱা ২১ ছেপ্টেম্বৰত যোৰাবাটত ২৪ ঘণ্টাই খোলা ৰখাৰ লক্ষ্যৰে আন এখন ৰেস্তোৰাঁ মুকলি কৰে। উল্লেখ্য যে কোনো প্ৰতিষ্ঠিত অভিনেতা-অভিনেত্ৰী বা বিশিষ্ট লোকৰ পৰিৱৰ্তে মাতৃ বকুলী বৰাৰ হাতেৰে এই ৰেস্তোৰাঁখন মুকলি কৰে বৰাই। সম্প্ৰতি এই দয়োখন ৰেস্তোৰাঁৰ জৰিয়তে বৰাই প্ৰায় ৩০ জন যুৱকক সংস্থাপন দিবলৈ সক্ষম হৈছে। দৰিদ্ৰতাৰ তাগিদাত এদিন পদপথত বুট-মগু বিক্ৰী কৰা ৰাজীৱ বৰাই কঠোৰ পৰিশ্ৰমেৰে সফলতাৰ বাট বুটলিবলৈ সক্ষম হোৱাৰ সন্দৰ্ভত কয় যে জীৱন যুদ্ধত জয়-পৰাজয় অনিবাৰ্য; কিন্তু মনোবল-ধৈৰ্য-সাহস-দৃঢ়তা-বুদ্ধিমত্তাই হ'ল জীৱন সংগ্ৰামৰ প্ৰকৃত সাৰথি। পৰাজয় বিমুখতাৰ মুখ্য কাৰক কেতিয়াও হ'ব নোৱাৰে। জীৱনৰ কৰ্মক্ষেত্ৰত সাহস, ধৈৰ্য আৰু আন্তৰিকতাৰে অগ্ৰসৰ হ'লে জয় সদায় নিশ্চিত বুলি তেওঁ কয়।

■ ৰণ্টু নেওগ

# কোকৰাঝাৰত অট' মালিক সন্থাৰ বিক্ষোভত উত্তাল



অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৭ ছেপ্টেম্বৰ ঃ** বিটিআৰৰ সদৰ কোকৰাঝাৰ চহৰৰ মাজমজিয়াত দিনক দিনে ই-ৰিক্সাৰ দৌৰাত্ম্যই অট' চালকসকলৰ পেটৰ ভাত মুঠি কাঢ়ি নি জীৱিকালৈ চৰম ভাবুকিৰ সৃষ্টি কৰাত আজি কোকৰাঝাৰ জিলা অট' মালিক সন্থাই জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। কোকৰাঝাৰ চহৰৰ খাৰগাঁওস্থিত জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত অট' মালিক সন্থাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি 'কোকৰাঝাৰ চহৰৰ মেইন ৰোডত ই-ৰিক্সাৰ চলাচল বন্ধ কৰা, ই-ৰিক্সা গ' বেক, অট' মালিক সন্থা জিন্দাবাদ, ই-ৰিক্সাসকলক পৌৰসভাৰ অধীনত চলাচল নিৰ্ধাৰিত কৰি দিয়ক' আদি বিভিন্ন শ্ল'গান দি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। পাছত কোকৰাঝাৰ জিলা অট' মালিক সন্থাৰ সভাপতি-সম্পাদক ক্ৰমে হামিদ আলী আৰু মলয় পালে সন্থাৰ দাবী সম্বলিত এক স্মাৰকপত্ৰ জিলা পৰিবহণ বিষয়াক অৰ্পণ কৰে। স্মাৰক দাবী পত্ৰখনত ই-ৰিক্সাচালকসকলক পৌৰসভাৰ অধীনত চলাচলৰ অনুমতি প্ৰদান কৰি নাৰাবাৰী, শান্তিনগৰ, ভাতাৰমাৰী, তদমতোলা অঞ্চলত চলাচলৰ দাবী উত্থাপন কৰে। সন্থাৰ নেতৃত্ববৃন্দই কোকৰাঝাৰ জিলাৰ পাৰ্শ্বৱৰ্তী ধুবুৰী আৰু বঙাইগাঁও জিলাৰ মেইন ৰোডত যদি ই-ৰিক্সা (টটো)ৰ চলাচল বন্ধ কৰি দিব পাৰে তেন্তে কোকৰাঝাৰ জিলাত কিয় প্ৰশাসনে নীতি-নিয়ম বান্ধি দিব নোৱাৰে বহুলি প্ৰশ্ন উত্থাপন কৰে। লগতে কোকৰাঝাৰ চহৰত পাঁচ হেজাৰ ই-ৰিক্সাৰ নীতি-নিয়ম অবিহনে চলাচল কৰাত অট' চালকসকলৰ দৈনিক কিস্তি আৰু ভাড়া সংগ্ৰহত দুখজনকভাৱে প্ৰভাৱ পৰা বুলি ক্ষোভ উজাৰে অট' মালিক সন্থাই।






অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com